# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

Approved

**No. 11**

The 4th May, 1999

Price : Rs. 26.00

# CONTENTS

## BUDGET SESSION

### No. 11

Dated, the 4th May, 1997


| | | |
|---|---|---|
| 1. | Point of Order regarding the strike | 1 |
| 2. | Starred Questions and Answers | 2 |
| 3. | Point of Order relating to the irregular appintment of teacher | 41 |
| 4. | Unstarred Questions and Answers | 41 |
| 5. | Presentation of the Report of DRSC | 41 |
| 6. | Voting on demands For grants | 43 |
| 7. | Announcement form the Chair | 73 |
| 8. | Obituary References | 83 |
| 9. | Adjournment | 85 |
| 10. | Annexure I to IV | 86 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, the 4th May, 1999

The House met at 4 P.M. of the Clock in the Assembly Chamber at Dispur with Mr. Ganesh Kutum, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given)

## POINT OF ORDER REGARDING THE STRIKE

**শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ-** মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অব অৰ্ডাৰ চাৰ। অসমৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ১,৭২,০০০ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ বহী আজি এতিয়ালৈকে চোৱা নাই। এই ছাত্ৰ-ছাত্ৰীসকলক আজি অন্ধকাৰ ভৱিষ্যতৰ এটা পথলৈ লৈ যোৱা হৈছে। শিক্ষকসকলে দৰ্মহা নোপোৱাৰ কাৰণে বহী চোৱাৰ ক্ষেত্ৰত সহযোগ কৰা নাই। যিহেতু এতিয়ালৈ শিক্ষকসকলে বহী চোৱাৰ ক্ষেত্ৰত সহযোগিতা কৰা নাই সেয়েহে আজি কুৱেচন আৱাৰ চাচপেণ্ড কৰি হ'লেও এই বিষয়টো চাব লাগে। কিয়নো ভৱিষ্যৎ বংশধৰৰ কথাটোও আমি চিন্তা কৰিব লাগিব। আমি ছাত্ৰ-ছাত্ৰীসকলৰ কথা চিন্তা কৰিয়েই মোৰ ফালৰ পৰা মই ক'ব বিচাৰিছো যে যেতিয়ালৈকে অসমৰ শিক্ষকসকলে দৰ্মহা নাপায় তেতিয়ালৈকে আমাৰ মাননীয় মন্ত্ৰী, বিধায়ক, উচ্চপদস্থ বিষয়া আৰু বিষয়াসকলে দৰ্মহা লোৱাৰ পৰা বিৰত থাকিব লাগে।

❋ **ডা ঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ—** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়াই যিটো কথা ৰেইজ কৰিছে সেইটো এটা চিৰিয়াচ মেটাৰ। এল, পি স্কুলৰ পৰা আৰম্ভ কৰি হায়াৰ চেকেণ্ডাৰী স্কুলৰ শিক্ষক সকলে যোৱা ১৩ এপ্ৰিল তাৰিখৰ পৰা কণ্টিনোৱাচ ষ্ট্ৰাইক কৰি গৈ আছে আৰু হাইস্কুলৰ শিক্ষক সকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বহী এতিয়ালৈকে চোৱা নাই। পৰীক্ষাৰ আগতেও এবাৰ ষ্ট্ৰাইক হৈছিল, তেতিয়া পৰীক্ষা ডিফাৰ হৈ গ'ল। পিচত ৪ মাহৰ দৰ্মহা দিম বুলি এগ্ৰিমেণ্ট কৰা হ'ল। কিন্তু সেই মতে দৰ্মহা দিব নোৱাৰিলে।

---

❋ Speech not corrected

Mr. Speaker: At this stage elaboration is not necessary.

❋ ডা ঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ— এগ্ৰিমেণ্ট মতে দৰ্মহা দিব নোৱাৰাতো হৈছে ভাইটেল কথা। এনভৰ্ণমেণ্ট নষ্ট হৈ গৈছে। গতিকে এইটো বিষয়ত আপুনি ৰুলিঙ দিব লাগে। চৰকাৰৰ ফালৰ পৰা আমি এই বিষয়ত এটা ক্লাৰিফিকেচন বিচাৰিছো।

❋ শ্ৰীহেমেন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, আপুনি বিষয়টো উৎথাপন কৰাৰ কাৰণে যেতিয়া অনুমতি দিছে গতিকে বিষয়টো আলোচনা হ'ব লাগে।

মাননীয় অধ্যক্ষ ঃ- আপোনালোকে যদি নিজে নুশুনে তেতিয়াহলে আপোনালোকৰ কথা একেলগে কেনেকৈ শুনিম। বিষয়টোৰ গুৰুত্ব বুজিয়েই কথাটো কৈছো। মূল বিষয়টো দৰ্মহা নোপোৱা কথাটো কৈছে যিটো অসমত আজি এটা তেনেকুৱা পৰিবেশ হৈছে। বিষয়টোৰ গুৰুত্ব বুজিয়েই মই কৈছো যে মন্ত্ৰীয়ে এই বিষয়ত এটা ষ্টেটমেণ্ট দিব। এতিয়া শিক্ষা মন্ত্ৰীয়ে এই বিষয়ত কিবা কব নেকি?

❋ শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, আজি জিৰ' আৱাৰত নটিচ অহাৰ কথা আছিল। কিন্তু গ্ৰেণ্টৰ আলোচনা থকাৰ কাৰণে কৰা নাই। অহা ৬ তাৰিখে মিটিং এখন মতা হৈছে। আশা কৰিছো ৬ তাৰিখৰ মিটিংত এই বিষয়টো চেটেল কৰিব পৰা যাব। শিক্ষক সকলৰ ৩ মাহৰ দৰ্মহা মোকলাই দিয়া হৈছে। নন্ প্লেনৰ শতকৰা এশ ভাগ শিক্ষককেই দৰ্মহা দিয়া হৈছে। প্লেনৰ শিক্ষক সকলৰ শতকৰা নব্বে ভাগ শিক্ষকক দৰ্মহা দিয়া হৈছে। ৰিটেনচন নোপোৱাৰ কাৰণে কিছুমান শিক্ষকে দৰ্মহা পোৱা নাই। আমি সকলো শিক্ষককেই দৰ্মহা পোৱাৰ ব্যৱস্থা কৰি আছো।

❋ ডা ঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ— মাননীয় অধ্যক্ষ মহোদয়, নন প্লেনৰ সকলো শিক্ষকে দৰ্মহা পোৱা নাই। এইটো সদনক মিচলিড কৰিছে।

মাননীয় অধ্যক্ষ ঃ- বিষয়টো ৬ তাৰিখৰ পিচত আলোচনা হব।

এতিয়া তৰা চিহ্নিত প্ৰশ্ন নং - ১৬১

## Re : Development of fisheries.

**Sri Sukhendu Shekhar Dutta,** asked:

❋ .161. Will the Minister of Fishery be pleased to state --

(a) What was the total money spent by the Government under different schemes during the period 1990-91 to 1998-99 for the development of fisheries in Assam?

---

❋ Speech not corrected

(b) What is the average rates of annual increase in fish production during this about mentioned period?

**Sri Bubul Das** (Minister of Fisheries) replied :

(a) The total money spent by the Government under different schemes for the period from 1990-91 to 1998-99 in shown below year wise

| | | Rs. in Lakhs |
|---|---|---|
| 1990-91 | - | 349.64 |
| 1991-92 | - | 172.05 |
| 1992-93 | - | 104.79 |
| 1993-94 | - | 262.50 |
| 1994-95 | - | 339.37 |
| 1995-96 | - | 352.65 |
| 1996-97 | - | 359.80 |
| 1997-98 | - | 697.18 |
| 1998-99 | - | 287.36 |

(b) The average rate of annual increase in fish production during above mentioned period are shown :-

| Year | Production (in metric tonnes) | Annual Increase (in matric tonnes) |
|---|---|---|
| 1990-91 | 76,000 | 6,000 |
| 1991-92 | 100.000 | 24,000 |
| 1992-93 | 1,40,000 | 40,000 |
| 1993-94 | 1,51,646 | 11,646 |
| 1994-95 | 1,53,029 | 1,383 |
| 1995-96 | 1,55,065 | 2,036 |
| 1996-97 | 1,54,611 | (-) 454 |
| 1997-98 | 1,55,132 | 521 |
| 1998-99 | 1,55,714 | 582 |

❋ **Sri Sukhendu Shekhar Dutta** : Mr. Speaker, Sir, as regards answer

(a) to may question, it seems that there is a declining trend in the production of fish in Assam since 1996-97. Regarding answer(b),

❋ Speech not corrected

it appears that the annual rate of production since 1996 has decreased continuously taking a minus turn. On the one hand, the quantum of money invested by the Govt. has increased from time to time, while on the other hand, the increase in production has shown a minus trend. This is a horrible picture, Sir, and that is why, I brought this question. So, I would like to know from the Hon'ble. Minister, in the context of annual requirement of fish in Assam when a large quantity of fish are coming from outside the state and in the context of financial stringency in Assam, the Govt. could very well make these fisheries a profitable one and there by the Govt. could help the state's exchequer. The jorua pukhuri finshery which is Govt. concern could have been operated through a private sector and if the fishery beels could have been auctioned properly, the Govt. could have earned a lot of money. So, my question is whether the Govt. is going to take any initiative for rationalising the method of auctioning the bills by means of which we can earn a lot of money for the state's exchequer. The other question is that whether the Govt. of contemplating for increasing the production of fish in Assam and what action is being taken for putting a check to negative rate of increase.

❋ **শ্ৰীবুবুল দাস (মীন মন্ত্ৰী)** ঃ চৰকাৰী বিল ফিছাৰী বন্দৱস্তিৰ ব্যৱস্থাটো চৰকাৰৰ বিবেচনাধীন হৈ আছে। কি ধৰণে ৰাজহ বৃদ্ধি কৰিব পৰা যায় সেই ব্যৱস্থাৰ বিষয়েও বিবেচনাধীন হৈ আছে। আশা কৰা যায় অতি সোনকালে সমাধান ওলাব। দ্বিতীয় কথা হ'ল যে উন্নয়ণ শিতানত প্লেনত যি টকা ধৰা হৈছে ই নিচেই নগন্য। প্লেনৰ টকা নবঢ়ালে উন্নয়ণ কাম কাজ কৰিব পৰা যায়। মাছৰ চাহিদা পূৰণ কৰিব পৰা অৱস্থা নাই যিহেতু প্লেনৰ উন্নয়ণ সম্পৰ্কিত ব্যৱস্থা হোৱা নাই। গতিকে মাছৰ উৎপাদন চাহিদা অনুসৰি এতিয়াও হোৱা নাই।

❋ **Shri Sukhendu Shekhar Dutta** :- Mr. Speaker, Sir, in reply to Question (b) Hon'ble Minister has stated that there is a minus trend of (-) 454, 521 and 582. May I know what is the reason behind this minus?

---

* Speech not corrected

※ শ্ৰীবুবুল দাস (মীন মন্ত্ৰী) ঃ প্ৰত্যেক বছৰে কিমান মাছ উৎপাদন হৈছে আৰু পৰৱৰ্তী বছৰত কিমান হৈছে সেইটো মাইনাচত দেখুৱা হৈছে আৰু স্পষ্টকৈ ওলাই পৰিছে। মাইনাচ পুৰাবৰ কাৰণে এৰিয়াস্পত উন্নয়ন আচনি লোৱা হৈছে আৰু লাহে লাহে মাইনাচ আতৰিব।

※ **Shri Sukhendu Shekhar Dutta :-** This shows a dismal picture. I just raised this matter in the interest of state of Assam. The attention given to Fishery Department by the Government is not at all encouraging. The Government could have very well made it a profitable department. Inspit of doing that the result has become minus. It is an ominous sign. Sir, by converting it to a profitable sector we could have enriched that sector. I just like to know whether any attempt has been made by the department to make it a profitable one so that the Fishery Department can help the state exchequer?

※ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাইনাচ এটা বছৰত হোৱা নাই। প্ৰতি বছৰে মাইনাচ বাঢ়ি গৈছে। এইটো অভাৱ কাম কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হ'ব? বাজেট প্ৰভিজন বৃদ্ধি কৰিবৰ কাৰণে প্ৰস্তাব দিছে নেকি?

※ শ্ৰীবুবুল দাস (মীন মন্ত্ৰী) ঃ প্ৰাকৃতিক কাৰণ, মাছৰ, বানপানী আদিৰ বাবে এইটো হৈছে।

※ শ্ৰীহেমেন দাস ঃ পইচা কমকৈ ধৰাৰ কাৰণে মাছৰ উৎপাদন বৃদ্ধি কৰিব পৰা নাই। ফিছাৰীৰ আয় বৃদ্ধিৰ কাৰণে মীন বিভাগে বহু বছৰ আগৰ পৰাই কিয় চেষ্টা কৰা নাই? মুকলি নিবিদা আহ্বান কৰি বন্দৱস্তি দিলে ৪ হাজাৰ বিঘাৰ বিল ৩৯ হাজাৰ টকাত বন্দৱস্তি নিদিলেহেঁতেন। আপোনাৰ অধীনত থকা মহলবিলাক মুকলি নিবিদা আহ্বান কৰি বন্দৱস্তি দিয়াত কিবা অসুবিধা পাইছে নেকি? যদি অসুবিধা পোৱা নাই তেন্তে আপোনাৰ কাৰ্য্যকালত মুকলি নিবিদা আহ্বান কৰি বন্দৱস্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

※ শ্ৰীবুবুল দাস (মীন মন্ত্ৰী) ঃ ৪০ শতাংশ কেটগৰিৰ বিলাক ডি. চি., এচ.ডি. অ. (চিভিল) য়ে মুকলি বন্দৱস্তি দিয়াৰ ব্যৱস্থা আছে। ৬০ শতাংশ বিলাক পৰম্পৰাগত ভাবে পোণপটীয়াকৈ ফিছাৰী চচাইটিক দিয়া হয়। ফিছাৰী কৰ্পৰেচনক মুকলি বন্দৱস্তি দিয়া হৈছে। ৰাজহ বৃদ্ধিৰ সম্পৰ্কত চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু যথেষ্টখিনি সফলতা লাভ কৰিব।

---

* Speech not corrected

❋ শ্ৰীহেমেন দাস ঃ এই তিনিটা পদ্ধতি চলি আছে। কৰপোৰেচন, চৰকাৰৰ আৰু ফিছ ফাৰ্ম। ফিছ ফাৰ্ম লিজত দিয়া হয় কিন্তু চৰকাৰৰ হাতলৈ টকাটো নাহে। গ্ৰামোন্নয়নৰ নিচিনা এজেন্সি তৈয়াৰ কৰিছে। কি কাৰণে এজেন্সি তৈয়াৰ কৰিছে ইয়াত নিজৰ টকাটো জমা হৈ আছে কিন্তু চৰকাৰে নাপায়।

❋ শ্ৰীবুবুল দাস (মীন মন্ত্ৰী) ঃ এফ এফ ডি, এ চেণ্ট্ৰেল গভৰ্মেণ্টৰ আচনি। সেই মাধ্যমত ৰাজ্য চৰকাৰে লৈছিল। বিভাগীয় ফাৰ্ম সমূহক পোনপতীয়াকৈ এফ এফ, ডি. এ বন্দবস্তী দিয়াৰ ব্যৱস্থা আছে। তদুপৰি মীন পালক সকলক ঋণ দিয়াৰ ব্যৱস্থা নাই। এই আচনি মাধ্যামত কেন্দ্ৰীয় চৰকাৰৰ অংশ আৰু এফ, এফ, ডি, এ যি টকা সংগ্ৰহ কৰে সেইখিনি ব্যক্তিগত মীন পালক সকলক ঋীণ দিয়াৰ ব্যৱস্থা আছে।

**Mr.Speaker :** Now Starred question No. 162

## বিষয় ঃ চন্দ্ৰপুৰৰ ৰাজ্যিক সাৰ কাৰাখানাৰ চুক্তি ৰূপায়ন।

**শ্ৰীচন্দ্ৰ কান্ত তেৰাঙে সুধিছে ঃ**

❋ ১৬২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা ৩ জুলাই ১৯৯৮ তাৰিখে চন্দ্ৰপুৰৰ অসম ৰাজ্যিক সাৰ আৰু ৰাসায়নিক লিঃৰ পুনৰুজী বিকৰণ সন্দৰ্ভত মাননীয় মুখ্যমন্ত্ৰীৰ সভাপতিত্ব উচ্চ পৰ্য্যায়ৰ বৈঠকত কি সিদ্ধান্ত হৈছিল আৰু পুনৰুজীৱিতকৰণৰ বাবে চৰকাৰে কি দিহাকৰা হৈছে বিতংকৈ জনাবনে?

(খ) জানিব পৰা মতে ২৫ জানুৱাৰী ৯৯ তাৰিখে উদ্যোগ সচিবৰ উপস্থিতিত শ্ৰমিক সন্থাৰ লগত স্বাক্ষৰিত চুক্তিত ৪ নং দফা মৰ্মে স্বেচ্ছামুলক অৱসৰ দিয়া শ্ৰমিক কৰ্মচাৰী সকলক অনাদায় দৰ্মহাৰ লগতে দিবলগীয়া ধনৰ ১/৩ আংশ ইতিমধ্যে আদায় দিয়া হৈছেনে? যদি দিয়া হোৱা নাই পাবলগীয়া ধন সমূহ কেতিয়াকৈ আদায় দিব অনুগ্ৰহ কৰি জনাবনে?

(গ) উক্ত চুক্তি ৫ নং দফা মৰ্মে বৰ্ত্তমান থকা শ্ৰমিক কৰ্মচাৰী সকলৰ অনাদায় দৰ্মহা সংক্ৰান্তত ৩১ মাৰ্চ ৯৯ ভিতৰত মীমাংসা কৰাৰ বাবে কি ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে।

**শ্ৰী গুনীন হাজৰীকা, (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা ৩ জুলাই ১৯৯৮ চনৰ সিদ্ধান্তৰ প্ৰতিলিপি সদনৰ মজিয়াত ৰখা হ'ল।

(খ) আদায় দিয়া হোৱা নাই। ইং ১৯৯৯-২০০০ বিত্তীয় বছৰত আদায় দিয়াৰ উদ্দেশ্যে প্ৰয়োজনীয় ধনৰ যোগানৰ বাবে চেষ্টা কৰি থকা হৈছে।

(গ) প্ৰয়োজনীয় পুজিৰ বাবে ব্যৱস্থা কৰি থকা হৈছে।

---

❋ Speech not corrected

**Minutes of the High Level meeting held on 03. 07. 98 at 3.00 P.M. in the office Chamber of the Hon'ble Chief Minister, Assam at Janata Bhavan, Dispur, Guwahati -6 in regard to the revival of the ASSAM STATE FERTILIZERS & CHEMICALS LIMITED.**

Present :

1. Shri Prafulla Kumar Mahanta, Chief Minister, Assam.
2. Shri Gunin Hazarika, Minister, Industries, Assam.
3. Shri Chandra Mohan Patowari, Minister, Agriculture, Assam
4. Shri P.K. Bora, IAS, Chief Secretary, Assam.
5. Shri S.C Das, IAS, Commissioner, Finance Department.
6. Shri H.S. Das, IAS, Commissioner, P&D Department.
7. Shri J.P. Meena, IAS, Commissioner, Industries Deptt.
8. Shri J. Barua, IAS, Managing Director, AIDC Ltd.
9. Dr. R.N. Das Executive Director, ASFC Ltd.
10. Shri D.C. Kalita, president officers Association, ASFC Ltd.
11. Shri D. Das, General Secretary, Assam State Fertilizers workers union.

The meeting was presided over by the Hon'ble Chief Minister, Sri Prafulla Kumar Mahanta.

In the meeting the revival of the Assam State Fertilizers and Chemicals Ltd. was discussed. The restarting of the operation of the Sulphuric Acid plant as a first step to wards the revival of the company under joint management with the private participation of M/S. Associate Chemical Industry and other related issues such as payment of outstanding salaries release of the surplus employees under Voluntary retirement secheme and payment of benifits there on etc were also discussed. The representative of the worker's union requested the Government to consider for release of reguisite fund for payment of 30 months outstanding salary dues of the employees and benefits payable to the surplus 94 nos. of employees after engagement of 43 nos. of employees out of total existing 137 nos. of employees for the operation of the Sulphuric Acid plant in one instalments during the current financial year. The Government,

however, expressed its inability to release the entire fund needed for these purposes during the current financial year in view of its commitments and tight financial position during the current financial year. Restarting of the operation of the SSP fertiliser plant of the Company was also discussed.

After detailed deliberations, it was decided that -

(a) The operation of the sulphuric Acid plant will be resterted under Joint management with private participation of M/S. Associate Chemical Industry as a first step towards total revival of the Company.

(b) The Government of Assam will release the required fund to ASFC Ltd. for the purpose of payment of outstanding dues for salaries of 94 employees up to 31st July, 1998 and payment towards benefits payable to the surplus 94 nos. of employees to be released by the company under VRS. There after, the no fresh salary liabilities will accrus.

(c) The Government of Assam shall release the required fund of in three instalments within two years. The 1st instalment of fund covering 1/3rd will be released by the Government within three months of the current financial year after signing of VRS agreement with individual Employees and the balance 2/3rd of the fund will be paid in two instalments.

(d) The deadline for payment of outstanding salary dues of the employees and benefits payable to the employees to be released under VRS shall be 31.08.98.

The meeting ended with a vote of thanks from the chair.

Sd/ - J.P. Meena,
Commissioner & Secy. to the Govt. of Assam,
Industries and Commerce Deptt.

Memo No. 108/97 Dated Dispur, the 5th Aug/ 1998

Copy to :-

1. The P.S. to Chief Minister, Assam, Dispur, Ghy -6.

2. The P. S. to Minister, Industries, Dispur, Ghy -6.
3. The Managing Director, AIDC, Ghy-24, for information and necessary action. He is requested to take follow up actions and report to the Govt. about the progress immediately.
4. The P.S. to Chief Secretary, Assam, Dispur, Ghy -6.
5. The P. S. to Commissioner, Finance Deptt. Dispur, Ghy -6.
6. The P. S. to Commissioner, P&D Department, Dispur, Ghy -6.
7. The P. S. to Commissioner, Industries Deptt, Dispur, Ghy -6
8. Shri J. Barua, IAS, Managing Director, AIDC Ltd., Ghy -24.
9. Dr. R.N. Das Executive Director, ASFC Ltd.
10. Shri D. C. Kalita, President, Officer's Association, ASFC Ltd.
11. Shri D. Das, General Secretary, Assam State Fertilizers Workers' Union.

By order etc.

Sd/
Joint Secy. to the Govt. of Assam,
Industries & Commerce Department.

**Mr. Speaker :** Now Starred Question No. 163

**বিষয় ঃ- এল, পি স্কুল শিক্ষক।**

**ডাঃ নজৰুল ইছ্লামে সুধিছেঃ**

*** ১৬৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**(ক) লাহৰিঘাট সমষ্টিত কিমান এল, পি স্কুলত এজনকৈ শিক্ষক আছে?**

**(খ) অনতিপলমে এই স্কুলসমূহত আৰু এজন শিক্ষক দিয়াৰ ব্যৱস্থা কৰা হবনে?**

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বিধান সভা সমষ্টি হিচাপে তথ্য ৰখা নহয়। লাহৰীঘাট খণ্ড শিক্ষা বিষয়াৰ এলেকাত মুঠ ৩১১ খন প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত ৩৪ খন বিদ্যালয়ত এজনকৈ শিক্ষক আছে।

(খ) মহকুমা উপদেষ্টা সমিতি গঠন হলে শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যাব আৰু তেতিয়া এই সম্বন্ধে ব্যৱস্থা লবলৈ জিলা উপ-পৰিদৰ্শকক নিৰ্দ্দেশ দিয়া হব।

## বিষয় ঃ- অবৈধ নিযুক্তি

ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ

১৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাত উচ্চ মাধ্যমিক বিদ্যালয় বিলাকত অবৈধ ভাৱে নিযুক্তি দিয়াতো সচাঁনে আৰু নিযুক্তি দিওতে Norms বোৰ মনা হৈছেনে? এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে?

(খ) নিযুক্তি দিয়াৰ সময়ত সঞ্চালকে অনুমোদন কৰিছিলনে?

(গ) যদি নিযুক্তি অনিয়ম হৈছে, তেন্তে নিযুক্তি সমূহৰ বাতিলকৰণৰ ব্যৱস্থা লবনে?

**শ্ৰীথানেশ্বৰ বড়ো, (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ডিব্ৰগড় জিলাত অবৈধ নিযুক্তি সম্পৰ্কত কোনো অভিযোগ চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই। উক্ত অভিযোগ সম্পৰ্কে সঞ্চালকৰ পৰা প্ৰতিবেদন বিচাৰি সদনক সময়ত জনোৱা হব।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

❋ **ডাঃ কল্যান কুমাৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে আজি কিয় প্ৰতিবেদন দিব পৰা নগ'ল? মই জানিব বিছাৰিছো যে ডিব্ৰুগড় হায়াৰ চেকেণ্ডাৰী স্কুলৰ যি গৰাকী প্ৰিন্সিপাল নিযুক্তি দিয়া হৈছে তেখেতৰ যোগ্যতা নাই। গতিকে কিয় নিযুক্তি দিয়া হৈছে।

❋ **শ্ৰীথানেশ্বৰ বড়ো ঃ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰিন্সিপাল নিযুক্তি দিয়াৰ সময়ত যিজন চিলেকটেড হয় নাইবা চিনিয়ৰ মোষ্ট জনক নিযুক্তি দিয়া হয়। এই ক্ষেত্ৰত মোৰ হাতত বৰ্ত্তমান ৰেলিভেণ্ট নথি পোৱা নাই।

❋ **ডাঃ কল্যান কুমাৰ গগৈ ঃ** তিনি বছৰৰ ওপৰ হ'ল, কিয় ডিব্ৰুগড় হায়াৰ চেকেণ্ডাৰীত প্ৰিন্সিপাল নিযুক্তি দিয়া হোৱা নাই নাজানো। মন্ত্ৰী মহোদয়ে জনাব নে?

❋ **শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** যদি কোৱালিফাইড হয় তেন্তে দিয়া হব। যদি তিনি বছৰ চলাই আছে তেন্তে ইনচাৰ্জ থাকিব পাৰে। তেওঁক কেনেকৈ দিয়া হৈছে মাননীয় সদস্য গৰাকীয়ে পোনপটীয়াকৈ ক'লে সেইটো মই পৰীক্ষা কৰি চাব পাৰো।

❋ **ডাঃ কল্যান কুমাৰ গগৈ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে, এইগৰাকী প্ৰিন্সিপালক এনেয়ে দিয়া হৈছে নে নিযুক্তি দিয়া হৈছে জনাব লাগে।

❋**শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** এই বিষয়ে তথ্য অনা হব।

---

❋ Speech not corrected

**Mr. Speaker :** Now Starred Question No. 165
(প্ৰশ্নকৰ্তা অনুপস্থিত)

## Re : Bhumki Irrigation Project.

**Shri Jogmohan Basumatary** asked;

*165. Will the Minister of Irrigation be pleased to state :

(a) What is the present condition of the Bhumki Irrigation project under pathsala Irrigation Division in the district of Barpeta?

(b) Whether the project is operating in giving water to the farmers?

(c) If not, why not? Please state the reasons in details.

**Shri Abdul Muhib Majumdar,** (Minister Irrigarion) replied :

(a) Remodelling works are in progress.

(b) No.

(c) Due to non-completion of the remodelling of the works, the project could not be put in to operation 80% of the works have been completed up till now and after completion of the extension of the D/S. floor, Diversion channel and closing dam water will be supplied to the farmers. The delay in completion of the project work is mainly attributed to paucity of fund and the prevailing disturbed situation in and around the construction site. The project work is likely to be completed before June, 1999 if adequate fund is made available.

**Mr. Speaker :** Now Starred Question No. 165

## বিষয় ঃ- গঙ্গাধৰ উত্তোলক জলসিঞ্চন আঁচনি।

**শ্ৰী আলাউদ্দিন সৰকাৰে সুধিছে ঃ**

* ১৬৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গোলকগঞ্জ সমষ্টি গঙ্গাধৰ উত্তোলক জলসিঞ্চন আঁচনি কোন বছৰত আৰম্ভ কৰা হৈছিল?

(খ) আজিকোপতি উক্ত আঁচনিৰ কাম কিমান শতাংশ কৰা হৈছে?

(গ) কি কি কাৰণ হেতু উক্ত আঁচনিৰ কাম বন্ধ ৰখা হৈছে?

(ঘ) উক্ত আঁচনি সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰী আব্দুল মুহিব মজুমদাৰ, (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গঙ্গাঁধৰ উত্তোলন জলসিঞ্চন আঁচনিৰ কাম ১৯৭৯-৮০ চনত আৰম্ভ কৰা হৈছিল।

(খ) উক্ত আঁচনিৰ কাম ১৯৮৭-৮৮ চনত সম্পূৰ্ণ কৰা হয়।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

শ্ৰীআলাউদ্দিন সৰকাৰ ঃ তাৰিখৰ কথাটো ভালকৈ কলে হয়। ১৯ কিমান?

শ্ৰী আব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) ঃ ১৯৭৯/৮০। দ্বিতীয়টো ১৯৮৭/৮৮

শ্ৰী আলাউদ্দিন চৰকাৰ ঃ বহুদিনীয়া কথা মোৰ ভালকৈ মনত নাই। কিন্তু এক্সপাৰ্টসকলে ক'লে আঁচনি হ'ব। সেইটো হ'বনে নহ'ব নাচায় আচনি গ্ৰহণ কৰিলে। বানপানীয়ে উতুৱাই লৈ গ'ল। তাৰে বহুত হেক্টৰ মাটি আছে। গোলকগঞ্জৰ এই জলসিঞ্চন প্ৰকল্পটো আতাইতকৈ ডাঙৰ প্ৰকল্প। গতিকে এইটো আৰম্ভ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰী আব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) ঃ ট্ৰেন্সফৰমাৰৰ অসুবিধাৰ কাৰণে কাম আৰম্ভ কৰিব পৰা নাই। তাৰোপৰি সম্পূৰ্ণ টকাটো পোৱা নাই। টকাটো পালে কাম আৰম্ভ কৰিব পাৰিম। ফাণ্ডৰ বাবে ব্যৱস্থা কৰা হৈছে। ব্যৱস্থা হ'লে সোনকালে কাম আৰম্ভ কৰা হ'ব।

**Mr. Speaker :** Now Starred Question No. 167

## বিষয় ঃ শিক্ষকৰ দৰ্মহা।

শ্ৰী শুকুৰ আলীয়ে সুধিছে ঃ

১৬৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত মধ্য ইংৰাজী বিদ্যালয়ত কিমানজন শিক্ষকৰ দৰ্মহা বাকী আছে?

(খ) উক্ত শিক্ষক সকলে কিমান মাহ পৰ্য্যন্ত দৰ্মহা বাকী আছে?

(গ) এইটো অভিযোগ সচাঁনে যে বৰপেটা জিলাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক সকলৰ আন-আন জিলাৰ শিক্ষক সকলতকৈ দৰ্মহাৰ বাকীৰ পৰিমান বেছি?

শ্ৰীথানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) আৰু ( খ) বৰপেটা জিলাত ১০৩৯ জন পৰিকল্পনাভূক্ত মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষকে যোৱা ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহৰ দৰমহা পোৱা নাই। ইতিমধ্যে সঞ্চালকে তিনিমাহৰ বাবে পুজি মোকলাই দিছে। সোনকালে তেওঁলোকে দৰ্মহা পাব। উক্ত শিক্ষক সকলে ১৯৯৬-৯৭ চনৰ দুমাহৰ পৰা তিনি মাহলৈকে আৰু ৮৫৪ জনে

১৯৯৮ চনৰ চেপ্তেম্বৰ মাহৰ পৰা বকেয়া দৰমহা পোৱা নাই। তেওঁলোকৰ বাবে ও তিনিমাহৰ দৰমহাৰ বাবে সকলোবোৰ পৰিকল্পনাভুক্ত শিতানৰ শিক্ষকৰ বাবে দৰমহা বাবদ ইতিমধ্যে পূজি মোকলাই দিয়াৰ ব্যৱস্থা লোৱা হৈছে।
পৰিকল্পনা বহিৰ্ভূত আঁচনিৰ শিক্ষকৰ দৰমহা মাৰ্চ মাহলৈকে আদায় দিয়া হৈছে।

(গ) সচাঁ নহয়।

**শ্ৰী শুকুৰ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, দৰ্মহা মোকলাই দিয়া হৈছে কিন্তু এনেকুৱা এটা সময়ত এই দৰ্মহা মোকলাই দিয়া হ'ল যে দৰ্মহাৰ অৰ্ডাৰ শিক্ষকসকলে পোৱাৰ পিছত ট্ৰেজাৰী, বেংক বন্ধ হ'ল। এই দৰে পইচাখিনি পোৱা নাই। গতিকে ইয়াৰোপৰি ১৯৯৬-৯৭ চনৰ বাকী ধন সোনকালে মোকলাই দিব লাগে। আৰু আন এটা অভিযোগ হ'ল শিক্ষক সকলৰ পাবলগীয়া এই বাকীৰ পৰিমাণ সকলো জিলাতে সমান নহয়। মন্ত্ৰী মহোদয়ে এই কথাটো অস্বীকাৰ কৰিছে। শিক্ষকসকলে অভিযোগ কৰা মতে কামৰূপ. নলবাৰী, বৰপেটা এই জিলা কেইখনৰ মাজতে বাকীৰ পৰিমাণ সমান নহয়। কোনোবা জিলাত দৰ্মহা বেছিকৈ পাইছে আৰু কোনোৱা জিলাত দৰ্মহা কমকৈ পাইছে। মোৰ কথা হ'ল বাকী সকলোৰে সমানে থাকিব লাগে আৰু সমানে পাব লাগে। এনেকুৱা অভিযোগ যাতে নোৱাৰে ভালকৈ লক্ষ্য ৰাখিব লাগে। লগতে মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব বিচাৰিছো যে শিক্ষক সকলৰ দৰ্মহাক লৈ আজি সমস্যাৰ সৃষ্টি হৈছে, আজি প্ৰশ্নোত্তৰ কাল বা তিল কৰাৰ প্ৰস্তাব আহিছে। মেট্ৰীক পৰীক্ষাৰ বহী ছোৱা হোৱা নাই। আমাৰ ভৱিষ্যতকলৈ এই বিলাক প্ৰশ্ন আহিছে। মাননীয় মন্ত্ৰী মহোদয়ে আজি সদনত এই কথা স্পষ্ট ভাৱে কব পাৰিব নেকি? শিক্ষক সকলক দৰ্মহা কেতিয়া দিব পৰা যাব। এটা নিৰ্দিষ্ট দিনৰ ভিতৰত দৰ্মহা দিব পৰা যাব। ইয়াৰ উত্তৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীথানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় মহোদয়, সকলো জিলাতে শিক্ষকৰ সংখ্যা সমান নহয়। কম বেছি পৰিমাণে থাকে। ফাণ্ড এলোটমেণ্টো কম বেছি হয়। এতিয়া কথা হ'ল আমি অৰ্ডাৰ মোকলাই দিয়াৰ পিছতে ট্ৰেজাৰী বন্ধ হোৱাৰ কাৰণে কিছুমানে দৰ্মহা লব নোৱাৰিলে। এতিয়া ট্ৰেজাৰী খোলা হলে দৰ্মহা লব পাৰিব। যি শিক্ষক সকলে বুধিয়কৰ কাম কৰিলে দিচপুৰৰ পৰা অৰ্ডাৰ হাতে হাতে নি ট্ৰেজাৰী অফিচত দিলে সেই জিলা বিলাকৰ গোটেইখিনিয়ে দৰ্মহা পাইছে। যোৰহাটত পাইছে। আৰু যিসকল শিক্ষকে ভাবিলে আন্দোলন কৰিছো, টকা আহিব দৰ্মহা পাম। এই সকলে পোৱা নাই। গুৱাহাটীৰো পোৱা নাই। আমি ডিৰেকটৰলৈ এপ্ৰোভেল দিছো। আকৌ তাৰ পৰা ডিভিজনেল, ডি, আই, বলক বিলাকলৈ দিব লাগে। তাৰ কাৰণ এটা ব্ৰেক আপ হৈছে। তাৰ কাৰণ ট্ৰেজাৰী বন্ধ হৈছে। যিসকলে এতিয়াও পোৱা নাই

তেওঁলোকে নিশ্চয় পাব। বাকী ধন দিয়াৰ ক্ষেত্ৰত পলম হ'ব পাৰে। চলিত দৰ্মহা পোৱাৰ কাৰণে অসুবিধা নহ'ব। বাকীখিনিৰ কাৰণে এটা সময় লব। বাজেট প্ৰভিজন আৰু কেবিনেটৰ সিদ্ধান্তৰ কথা আছে। অলপ পলম হলেও তেওঁলোকে পাব।

**শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনামতে বিত্তীয় বিভাগৰ পৰা ১ তাৰিখতে দৰ্মহা দিব লাগে বুলি নটিচ গ'ল। কিন্তু শিক্ষা বিভাগৰ পৰা এক সপ্তাহৰো অধিক কাল নিৰ্দ্দেশ নগল। শিক্ষকসকলে দৰ্মহা নাপালে মন্ত্ৰী মহোদয় কৈছে যে বিভাগীয়ে বিষয়াসকলৰ হেমাহীৰ কাৰণে শিক্ষকসকলে দৰ্মহা পোৱা নাই বুলি কৈছে। বাতৰি কাকতো আহিছে। বিভাগীয় বিষয়াসকলৰ ওপৰত কি ব্যৱস্থা লৈছে? কিন্তু বিভাগে সেইবিলাক ডি, আই, দিই-ও লৈ কোনো নিৰ্দেশ নিদিয়াৰ কাৰণে শিক্ষকসকলে দৰ্মহা পোৱা নাই।

**শ্ৰীথানেশ্বৰ বড়ো** (মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, সকলো ঠাইতে তেনেকুৱা হোৱা নাই। সেই কাৰণে ২৮ এপ্ৰিল তাৰিখে সকলো জিলাৰে দি আই, দি ই, ও পৰিদৰ্শক সকলক মাটি আনি এই কথা স্পষ্ট কৰি দিয়া হৈছে যাতে ভৱিষ্যতে শিক্ষকসকলে দৰ্মহা পোৱাত অসুবিধা নহয়। এলেটমেণ্ট অৰ্ডাৰ যোৱাৰ পিছতে শিক্ষকসকলে দৰ্মহা পায়।

**শ্ৰীথানেশ্বৰ বড়ো** (মন্ত্ৰী) ঃ মাননীয় সদস্যই কোৱাৰ দৰে মিছলিভ কৰা নাই,মেনেজ কৰা বুলি কোৱা নাই। যিসকলে অৰ্ডাৰ পোনপটীয়াভাৱে লৈ গৈ বুধিয়কৰ কাম কৰিছে, তেওঁলোকে দৰ্মহা পাইছে। এই ধৰণে কৈছো।

**শ্ৰীহেমেন দাস ঃ** মন্ত্ৰী মহোদয়ে মেনেজ কৰাৰ কথা কোৱা নাই। তেওঁ কৈছিল যে যিসকল শিক্ষকে ইয়াৰ পৰা অৰ্ডাৰ লৈ গৈছে তেওঁলোকে পাইছে। কিন্তু শিক্ষকসকলে যাতে দৰ্মহা কাৰণে ইয়ালৈ আহিব লগা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। ইয়াৰ পৰা টকা নিয়াৰ দায়িত্ব শিক্ষকসকলৰ নহয়। অফিছৰ পৰিদৰ্শক, দি, আই, দি, ই, ও হে দায়িত্ব। এই অফিচৰ লগত যোগাযোগ কৰি দৰ্মহা পোৱাৰ ব্যৱস্থা কৰিব। দিছপুৰত যোগাযোগ নকৰাৰ বিষয়টোৰ প্ৰতি সচেতন হ'ব।

**শ্ৰীথানেশ্বৰ বড়ো** (শিক্ষা মন্ত্ৰী) ঃ শিক্ষকসকলে দৰ্মহাৰ কাৰণে ইয়ালৈ অহাৰ প্ৰশ্ন নুঠে। শিক্ষকসকলে আন্দোলন কৰি ইয়ালৈ আহি আলোচনা কৰিছে। সেয়েহে সোনকালে পাবৰ কাৰণে তেওঁলোকক অৰ্ডাৰ হাতে হাতে দিছো। ২০/৪০ কপিমান দিছিলো।

**Mr. Speaker :** Now Starred Question No. 168

## বিষয় ঃ ক্ষুদ্ৰ চাহ্ খেতিয়ক।

**শ্ৰীমতী ৰূপম কুৰ্ম্মীয়ে সুধিছে ঃ**

❋ ১৬৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কেচা চাহপাত ক্ৰয়ৰ ক্ষেত্ৰত বৃহৎ বাগিছাৰ মালিক সকলৰ পৰা সকলো খেতিয়কে সমানে মূল্য যে নাপায় সেই বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত তেন্তে বৈষম্য গুচাই চাহ খেতিয়ক সকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী গুনীন হাজৰীকা (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

ক) হয়, চৰকাৰ অবগত।

খ) চৰকাৰে কেঁচা চাহ্পাতৰ মূল্য নিদ্ধাৰণ কৰিব নোৱাৰে। চাহ্পাতৰ আমদানি চাহিদা আৰু কেচা পাতৰ মানব(quality) ওপৰত ইয়াৰ মূল্য নিৰ্দ্ধাৰণ নিৰ্ভৰ কৰে।

গ) বৃহৎ চাহ বাগিছাৰ মালিক সকলৰ উপৰিও কেঁচাপাত ক্ৰয়ৰ ওপৰত নিৰ্ভৰশীল কাৰখানা সমূহেও (Bought leaf tea factory) তেওঁলোকৰ কাৰখানাৰ চাহিদা অনুপাতে ক্ষুদ্ৰ চাহ্ খেতিয়ক সকলৰ পৰা কেঁচাপাত ক্ৰয় কৰে।

❋ **শ্ৰীমতী ৰূপম কুৰ্ম্মী** ঃ- মাননীয় মহোদয়, তেখেতে উত্তৰত কৈছে যে, চাহ্ বগিছাৰ মালিক সকলৰ ওপৰিও কেঁচাপাত ক্ৰয়ৰ ওপৰত নিৰ্ভৰশীল কল কাৰখানা সমূহেও কাৰখানাৰ চাহিদা অনুপাতে ক্ষুদ্ৰ খেতিয়ক সকলৰ পৰা কেচাপাত ক্ৰয় কৰা। দেখা গৈছে যে, যিবিলাক কোম্পানীয়ে কেঁচাপাত ক্ৰয় কৰে যেনে টাটা কোম্পানী আদি যে ক্ৰয় কৰে ১১.৫০ পইচাত। কিন্তু যি বিলাক সৰু মালিক বা যিবিলাক চাহ্পাত লয় কৰে তেওঁলোকে ৮ টকা ৯.৫০ পইচা বা ১০.৫০ পইচা দিয়ে। ফলত ক্ষুদ্ৰ খেতিয়ক সকল উপকৃত বা লাভৱান নহয়। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে, সৰু ডাঙৰ সকলো খেতিয়কে সমানে পৰিশ্ৰম কৰিব লাগে। গতিকে চৰকাৰী শিতানত বা চৰকাৰী পৰ্য্যায়ত এই বৈষম্য নাৰাখে তাৰ বাবে দৃষ্টি দিব লাগে। অসমৰ চাহ্ খেতিয়ক মালিক সকলৰ লগত আলোচনা কৰি চাহিদা পুৰাব পৰাকৈ নিৰিখ বান্ধি দিব লাগে। তেতিয়া হলে আমাৰ ৰাজ্যলৈ নিশ্চয় অৰ্থ আহিব আৰু আমাৰ খেতিয়ক সকল উপকৃত হব। আৰু এটা কথা যিবিলাক খেতিয়কে ইতিমধ্যে খেতি কৰি আছে ২ বা ৩ একৰ মাটিত, যদি সুবিধা হয় অসমত এনেয়ে পৰি থকা মাটি চৰকাৰ খেতিয়ক সকলক দিয়াৰ ব্যৱস্থা কৰিব লাগে। এনে কৰিলে এদিন আমাৰ অধিক পৰিমানৰ বিদেশী মুদ্ৰা আহৰণ কৰিব পৰা হব।

---

❋ Speech not corrected

❋ **শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী, উদ্যোগ বিভাগ)** ঃ- অধ্যক্ষ মহোদয়, চাহপাতৰ মূল্য চৰকাৰে নিৰ্দ্ধাৰণ কৰিব নোৱাৰে। চাহৰ গুনৰ ওপৰতহে মূল্য নিৰ্দ্ধাৰণ হয়। যদিহে গুনগত উৎকৃষ্ট মানদণ্ডৰ কেচা চাহপাতৰ মূল্য চাহ খেতিয়ক সকলে পোৱা নাই তেনেহলে সেই বিষয়ে পৰীক্ষা কৰি চাই দক্ষিন ভাৰতৰ দূৰ কেচা চাহপাতৰ অকচন চেন্টাৰ কৰাৰ কথা চিন্তা কৰিছো। কিন্তু অসমত ক্ষুদ্ৰ চাহ খেতি আৰম্ভ হৈছে যদিও তেনেধৰণে কেচা চাহপাতৰ অকচন চেন্টাৰ কৰাৰ পৰিবেশ হোৱা নাই। সময় সাপেক্ষে এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰা হব আৰু দক্ষিন ভাৰতৰ কেচাচাহ পাতৰ অকচন কেন্দ্ৰৰ দৰে কৰা হব।

❋ **শ্ৰীদিলেশ্বৰ তাঁতী** ঃ- অধ্যক্ষ মহোদয়, আজি অসমৰ বিভিন্ন অঞ্চলত বিশেষকৈ গাঁও অঞ্চল বিলাকত চাহ বাগান স্থাপনৰ যোগেদি অসমৰ শিক্ষিত নিবনুৱা যুৱক সকলে সংস্থাপন ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে যথেষ্ট সংখ্যক চাহৰ কাৰখানা আৰু ফেক্টৰী প্ৰাইভেটলি স্থাপন কৰা হৈছে। চৰকাৰে সেই বিলাকক লাইচেন্স আদিও দিছে। এই সম্পৰ্কত চৰকাৰে যদি এটা ব্যৱস্থা গ্ৰহণ নকৰে তেনেহলে কেচা চাহপাত কোম্পানী আৰু মালিকসকলৰ হাতত এৰি দিয়া হব। উদাহৰণ স্বৰূপে কব খোজো যে, দুমদুমা অঞ্চলৰ এটা চাহ কোম্পানীয়ে কেঁচা চাহপাতৰ দাম ১২ টকা কৰি নিৰ্দ্ধাৰণ কৰি দিছে। গতিকে ক্ষুদ্ৰ উদ্যোগ সকল উপকৃত হৈছে। এতিয়া চাহৰ দাম কমাই ১০ টকা কৰা হৈছে আৰু এই ব্যৱস্থাটো মনপলি হিচাবে কোম্পানীৰ ওপৰত এৰি দিয়া হৈছে। আজি এই যুৱক সকলক এক্সপ্লইটেচন কৰা হৈছে। নিবনুৱা সমস্যা সমাধানৰ কাৰনে ক্ষুদ্ৰ উদ্যোগীক সাহায্য দিয়া হৈছে ফেক্টৰী পাতিবলৈ দি চৰকাৰে নীৰৱ ভুমিকা গ্ৰহণ কৰা হৈছে। গতিকে এই সম্পৰ্কত আলোচনা কৰিব লাগে আৰু ক্ষুদ্ৰ উদ্যোগী সকলক নিৰুৎসাহ কৰিব নালাগে।

❋ **শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী, উদ্যোগ)** ঃ- অদ্যক্ষ মহোদয়, বিষয়টো নিশ্চয় আলোচনা কৰিব পৰা যাব। এই বিষয়টো নিৰ্দ্ধাৰণ কৰা নকৰা সম্পৰ্কত বজাৰৰ চাহিদাৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে যদিহে তেওঁলোকক মূল্য কমাই দিয়া হৈছে তেনেহলে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

❋ **শ্ৰীমতী প্ৰনতি ফুকন** ঃ- অধ্যক্ষ মহোদয়, ক্ষুদ্ৰ খেতিয়ক সকলক ঋণ দিয়াৰ ব্যৱস্থা আছে নেকি যদিহে আছে কোন শিতানৰ পৰা কিমান পৰিমানৰ ঋণ দিয়া হয়?

❋ **শ্ৰীগুনীন হাজৰীকা (মন্ত্ৰী, উদ্যোগ)** ঃ- অধ্যক্ষ মহোদয়, ক্ষুদ্ৰ চাহ খেতিয়কৰ কাৰনে এইবাৰ নতুনকৈ প্ৰধান মন্ত্ৰী ৰোজগাৰ যোজনাত চাহ বাগান খোলাৰ বাবে ২ লাখ কৰি টকা দিয়াৰ ব্যৱস্থা কৰিছে। তাৰোপৰি বেংকসমূহৰ পৰা বিত্তীয় অনুস্থানৰ পৰা ঋণ লৈও চাহ বাগান খুলিব পাৰে।

❋ Speech not corrected

**Mr. Speaker :** Now Starred Question No. 169

বিষয় ঃ- তদৰ্থ মঞ্জুৰী।

❋ **শ্ৰী শ্বেখ আব্দুল হামিদে সুধিছে ঃ**

১৬৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ধুবুৰী জিলাৰ সোনাহাট ছিঃ মাদ্ৰাছাত অনুষ্ঠিত হোৱা মাদ্ৰাছা শিক্ষক কৰ্ম্মচাৰী সন্থাৰ ষষ্ঠ বাৰ্ষিক অধিৱেশনত ৩০ খন ছিন্ন টাইটেল মাদ্ৰাছা আৰু প্ৰাদেশীকৰণ আৰু ২০ খন ইণ্টাৰ মাদ্ৰাছাক তদৰ্থ মঞ্জৰী প্ৰদানৰ কথাটো সচাঁনে?

খ) যদি সচাঁ, তেন্তে আজিলৈকে সেইবোৰ চৰকাৰে সিদ্ধান্ত লোৱা হৈছেনে?

গ) কেতিয়া সেইবোৰ প্ৰাদেশীকৰণ আৰু তদৰ্থ মঞ্জুৰী দিয়া হ'ব?

**শ্ৰীথানেশ্বৰ বড়ো** (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) জ্ঞাত নহয়।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

❋ **শ্ৰীশ্বেখ আব্দুল হামিদ ঃ-** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, জ্ঞাত নহয়। কিন্তু মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে সেই সভাত ৩০ খন ছিঃ টাইটেল মাদ্ৰাছা আৰু আৰবী কলেজ প্ৰাদেশীকৰণ আৰু ২০ খন ইণ্টাৰ মাদ্ৰাছাক তদৰ্থ মঞ্জুৰী প্ৰদানৰ ঘোষণা কৰিছিল। কিন্তু সকলো বিলাক পাটিকুলাৰচ ফুলফিল কৰা স্বত্তেও মাদ্ৰাছা বিলাক চৰকাৰী কৰণ কৰা হোৱা নাই। কেতিয়া কৰা হ'ব?

❋ **শ্ৰীথানেশ্বৰ বড়ো ঃ-** (মন্ত্ৰী, শিক্ষা) ঃ- এই প্ৰস্তাৱ সমূহ আমাৰ ওচৰলৈ এতিয়াও অহা নাই। মুখ্যমন্ত্ৰী মহোদয়ে যদি কৈছিল তেনেহ'লে সেই বিলাক হয়তো প্ৰছেচ হৈ আমাৰ ওচৰ আহি পোৱা নাই। মই মাননীয় সদস্যক অনুৰোধ কৰিছো কথাখিনি লিখিত আকাৰে দিলে ভাল হয়।

❋ **শ্ৰীশ্বেখ আব্দুল হামিদ ঃ-** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে সৰ্ম্পকিত প্ৰস্তাব পোৱা নাই। কিন্তু এই সৰ্ম্পকত সকলো তথ্যপাতি দিয়া হৈছে।

❋ **শ্ৰী আলাউদ্দিন সৰকাৰ ঃ-** অধ্যক্ষ মহোদয়ে সেই সভাত আমাৰ মাননীয় মন্ত্ৰী শ্ৰী ফণীভূষণ চৌধুৰী আৰু মইও আছিলো। এই কথাখিনি সেই সভাত খোলাখুলি ভাবে আলোচনা কৰা হৈছিল।

---

❋ Speech not corrected

❋ **শ্ৰীথানেশ্বৰ বড়ো ঃ** (মন্ত্ৰী শিক্ষা )-ঃ অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰীয়ে যদি কৈছিল আমাৰ ওচৰলৈ লিখিত ভাবে আহিব লাগে। আমি কোনো সস্থাৰ ফালৰ পৰাও তেনে কোনো প্ৰস্তাৱ পোৱা নাই। গতিকে এইটো আমাৰ ওচৰলৈ আহিব লাগিব।

**Mr. Speaker :** Now Starred Question No. 170

**Re : - Appointment of Teacher**

**Shri Dilip Kumar Saikia asked,**

❋170. Will the Minister of Education be pleased to state :

(a) Whether the Minister is aware that the Hon'ble Gauhati High Court by a Judgement dated 7th May, 1995 in write Appeal No. 437/94 directed the Chief Secretary to enquire with in 6 months to find out the guilty persons in appointing 368 teachers against 31 vacant posts?

(b) Whether the aforesaid enquiry has been completed and if yes

(b) Whether the aforesaid enquiry has been completed and if yes what has been found and what action taken against guilty officers ?

**Shri Thaneswar Boro** (Minister of Education) replied ;

(a) Yes.

(b) The Govt. enstrusted Shri B. V. P. Rao, Commissioner & Secy. Power Mines & Minerals Deptt, to enquire in to alleged illegal appointment in Margerita Sub-Division in Tinsukia District. As per Judgement of the Hon'ble Gauhati High Court in writ appeal No. 437/94 (C. R. No. 147/94). Shri Rao, submitted his enquiry report to the Chief Secretary with a copy of the same to the Govt. in Education Department vide his letter dt. 9-1-98.
The enquiry report covered many aspects including illegal appointment and loss of state chequer. In his opinion the then D.I. of Schools, Margherita Shri Jadu Kanta Nath was solely liable for such illegal appointments. In addition to this, he also held Shri Prahllad Konwar, UDA of the office and a few Social worker responsible for the same.

---

❋ Speech not corrected

Shri Jadu Kanta Nath was suspended and since retired.

Shri Prahllad Konwar, UDA of the office was suspended but later on he was re-instated and transferred to Tinsukia.

In this connection it has to be stated that the affairs of illegal appointment in Margherita Sub-Division enquired by Shri B.V.P. Rao also has linkage with Monoharan Committee. Hence, the matter is pending for disposal.

❋ **Shri Dilip Kr. Saikia** :- What action is proposed to be taken against the guilty officer who may have retired by this time? Hon. Minister, Education has already stated that there are also some social workers involved in this irreguar appointments. Please furnish the names who are the social workers? And whether Govt. is contemplating to give award to officials.

**Shri Thaneswar Boro** (Minister) :- The Inquiry Report is a voluminous one and it covers many aspects and Deptts., such as, D.I of Schools office/ office, Tinsukia/ DEEO office/ Finance Deptt. etc. are held responsible on the following officials and social workers :

1. Shri Jadu Kanta Nath, the then D. I. of Schools, Margherita.
2. Shri Prahllad Konwar, UDA.
3. Shri Khagendra Nath Das, the then DEEo, Tinsukia.

Social Workers :

1. Shri Kul Bahadur Chetri, Ex-Minister and Ex-Chairman, Sub-Divisional Level Advisory Bord.
2. Shri Rameswar Dhanuwar, MLA.
3. Shri Debajit Singh, Lecturer, Margherita College and Member of the Sub-Divisional Level Advisory Board.

❋ **Shri Dilip Kr. Saikia** :- Mr. Speaker, Sir, May I know about the Report of the Gauhati High Court Law Journal in which it was stated that out of the total vacant poste of 31 against which 368 appointments were made and also here is an another report recently delivered by the supreme Court of India, Delhi January, 1999.

এই জাজমেণ্টত ৯৭ জন বিষয়াক দোষী সাব্যস্ত কৰিছে। চুপ্ৰীম ক'ৰ্টৰ জাজমেণ্টত এই বিষয়াসকলৰ নাম আছে। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিষয়াসকলৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে আৰু যদি ব্যৱস্থা লোৱা নাই তেনেহলে কেতিয়া লব? ইতিমধ্যে বহুতো বিষয়া অৱসৰ লৈ গৈছে। আনন্দ পেগুৱে অৱসৰৰ পিচতো নিযুক্তি দি আছে। এই সম্পৰ্কত দৈনিক অসম কাকতত অলপতে এটা বাতৰিও প্ৰকাশ পাইছে। allegedly appointed letters were issued afterhsi retirement. The present Director of Elementary Education lodged an FIR apprehending creation of trouble with the help of anti-social eleements . This is for your kind information and necessary action: সেই বাতৰি মতে আনন্দ পেগুৰ ল'ৰাক কোনোবাই মৰাৰো ভাবুকি দিছে। এই বিষয়টো চীফ চেক্ৰেটেৰী, ভি, জি, পিৰ নোটিচলৈ অনা হ'ল। তেওঁলোকক কেচলজ কৰিবলৈ কোৱা হ'ল। কিন্তু কেচ লজ কৰা নাই। গতিকে এই বিষয়টো এটা জটিল বিষয়। এই কথাবিলাকত আমি বহি থাকিম নেকি? এই বিষয়টো আজিয়েই বিধানসভাৰ মজিয়াত এটা সিদ্ধান্ত হব লাগে আৰু আজিৰ ভিতৰতে দোষী বিষয়াক গ্ৰেপ্তাৰ কৰিব লাগে। যদি চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা নলয় তেনেহলে আমি ধৰ্ণা দিবলৈ বাধ্য হম। অধ্যক্ষ মহোদয়, আমি এনেকৈ দেশখন চলি থাকিবলৈ দিব নোৱাৰো। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়া কেইজনৰ বিৰুদ্ধে তৎকালে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

❋ **শ্ৰীহেমেন দাস** ঃ- অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই লগত মযো একমত। এই ক্ষেত্ৰত চুপ্ৰীম ক'টে যি কেইজন বিষয়াক দোষী সাব্যস্ত কৰিছে তেওঁলোকক শাস্তি দিয়াত চৰকাৰে অলপো দ্বিধাবোধ কৰিব নালাগে। শইকীয়া ডাঙৰীয়াই এটা কথা কৈছে যে অৱসৰ পিচতো পেগুৱে নিযুক্তি দি আছে আৰু এই ক্ষেত্ৰত শিক্ষা বিভাগে তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নাই। এই কথা বিলাক মুখ্য সচিবে চোৱাৰ প্ৰয়োজন আছিল। আজি ভয় কিম্বা ভাবুকিৰ মাজত কাম কৰিব লগা হোৱা কথাটো হব নোৱাৰে গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে সদনক জনোৱাটো অত্যন্ত প্ৰয়োজন হৈছে আৰু এই অপৰাধী সকলৰ শাস্তি হব লাগে।

❋ **শ্ৰীচহিদুল ইছলাম** ঃ- অধ্যক্ষ মহোদয়, এই নিযুক্তি সমূহ বাতিল কৰিব লাগে। এইবোৰ অবৈধ ভাৱে দিয়া হৈছে।

(সদনত গন্দগোল)

❋ **শ্ৰীগহীন চন্দ্ৰ দাস** ঃ- অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এখন স্কুল। ২২ জন শিক্ষকৰ নিযুক্তি হৈছে। তাত আগতে শিক্ষক আছিল ৯ জন। এই মাহত নতুনকৈ ২২ জন

---

❋ Speech not corrected

শিক্ষক নিযুক্তি দিয়া হৈছে। কালিও তাত শিক্ষকে জইন কৰিছে। এই নিযুক্তি বিলাক লিগেল নে ইলিগেল? এই নিযুক্তি সমূহ বাতিল কৰিব লাগে। এই কথা বিলাক আমি মাত নমতাকৈ থাকিব নোৱাৰো।

( সদনত গণ্ডগোল ) ( প্ৰশ্নোত্তৰৰ কাল শেষ হয়)

(Starred Question No. 171 to180 could not be taken up for disposal as the Question Hour was over. However the replies of the said Questions were deemed to have been laid on the table of the house.)

## বিষয় ঃ- ব্যয় কৰা টকাৰ পৰিমান।

**শ্ৰী ভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

❋ ১৭১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ক্ষীপ্ৰতৰ জলসিঞ্চন আঁচনিৰ (A I B P) অধীনত ১৯৯৮-৯৯ চনৰ বিত্তীয় বছৰত মুঠ কিমান টকা ব্যয় হয়?

খ) উক্ত আঁচনিৰ (A I B P ) অধীনত মুঠ কিমান হেক্তৰ মাটি জলসিঞ্চনৰ অধীনলৈ অনাৰ নিৰ্দ্ধাৰিত লক্ষ্য আছিল?

গ) উক্ত নিৰ্দ্ধাৰিত লক্ষ্য পূৰণ হৈছেনে?

❋ **শ্ৰী আব্দুল মুহিব মজুমদাৰ** (জলসিঞ্চনৰ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অকল কামৰ বাবে মুঠ ১৭.৫০ কৌটি টকা ব্যয় হয়।

খ) ১৯,০০০ হেক্টৰ।

গ) সম্পূৰ্ণ লক্ষ্য পূৰণ হোৱা নাই। মাত্ৰ ৪৭২৫ হেক্টৰ মাটি জলসিঞ্চনৰ অধীনলৈ অনা হৈছে।

## বিষয় ঃ বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প,

❋ **শ্ৰীমতী প্ৰনতি ফুকনে সুধিছে,**

১৭২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) (A I B P ) আঁচনিৰ অধিনত বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প নবীকৰণ আৰু পুনৰ সংস্থাপনৰ আঁচনি লোৱাটো সচাঁনে?

খ) যদি সচাঁ, উক্ত আচঁনিত ১৯৯৮-৯৯ চনৰ বিত্তীয় বছৰত মুঠ কিমান টকা ব্যয় হৈছে?

গ) উক্ত আচঁনিৰ অধীনত মুঠ কিমান হেক্টৰ মাটি জলসিঞ্চনৰ অধীনলৈ অনাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে?

* শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

ক) লোৱা হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

**Re : Selection of Principal.**

**Smti. Pramila Rani Brahma** asked —

* 173. Will the Minister of Higher Education be pleased to state :-

a) Whether the Govt. is aware of the fact that Sapatgram College is running without posting its regular selected Principal after the retrement of former?

b) If it is true, then for how long it is going and why ?

c) Is it not against the norms ?

**Shri Thaneswar Boro** (Higher Education Minister) replied:

a) Yes, it is a fact.

b) With effect from 1-12-96.
The Special Body of the college has not taken initiative fo appointment of a regular Principal.

c) It is a stop-gap arrangement only.

**বিষয় ঃ- চাহপাত উৎপাদন**

* শ্ৰীএতোৱা মুণ্ডাই সুধিছে ঃ

১৭৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ।

ক) ১৯৯৬-৯৭ আৰু ১৯৯৭-৯৮ বৰ্ষত অসম চাহ নিগমে কিমান কিলোগ্ৰাম তৈয়াৰ কৰি চাহপাত উৎপাদন কৰিছিল।

খ) উক্ত পৰিমানৰ (কিলোগ্ৰাম) চাহপাতৰ মূল্য কিমান আছিল?

গ) যদি সত্য, মুঠ কিমান টকা লাভ কৰিছিল জনাবনে?

শ্ৰীগুনীন হাজৰীকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে —

ক) ১৯৯৬-৯৭ চনত ৭২.০০ লাখ কিলোগ্ৰাম আৰু ১৯৯৭-৯৮ চনত ৬৪.১০ লাখ কিলোগ্ৰাম।

খ) ১৯৯৬-৯৭ চনত উৎপাদিত চাহৰ মূল্য ৩৪৪৭.৮৫ লাখ টকা আৰু ১৯৯৭-৯৮ চনত উৎপাদিত চাহৰ মূল্য ৪৮৭৩.৮৬ লাখ টকা।

গ আৰু ঘ) ১৯৯৬-৯৭ চনত চাহ্ নিগমে মুঠ ৭৯৩ লাখ টকালোকচান কৰে। কিন্তু ১৯৯৭-৯৮ চনত ২০০.১৪ লাখ টকা লাভ কৰে।

## বিষয় ঃ পদেন সচিব আল আমনি।

※ শ্ৰীগৌতম ৰয়ে সুধিছে ঃ

১৭৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মাদ্ৰাছা শিক্ষাৰ ভাৰ প্ৰাপ্ত উপ-সঞ্চালক ও মাদ্ৰাছা পৰিষদৰ পদেন সচিব আল-আমান আৰু তেওঁৰ কেইজনমান কাৰ্য্যালয় সহকাৰীৰ বিৰুদ্ধে গুৰুত্ব অভিযোগ চৰকাৰে পোৱাৰ ওপৰত দুনীতি নিবাৰণ শাখাই তদন্ত কৰি অভিযোগ প্ৰমাণিত হোৱাত তেওঁলোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লৱলৈ চুফাৰিচ কৰি প্ৰতিবেদন দাখিল কৰাটো সচাঁনে?

খ) যদি সচাঁ, তেন্তে ইমান দিনে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা নলৈ মাদ্ৰাছা শিক্ষাত দুৰ্নীতি চলাই থাকিবলৈ দিয়াৰ কাৰণ কি? চৰকাৰে এতিয়া ব্যৱস্থা লবনে ? যদি লয়, কিমান দিনৰ ভিতৰত?

গ) তেওঁলোকৰ বিৰুদ্ধে তদন্তৰ প্ৰতিবেদন সদনত দাখিল কৰিব।

শ্ৰীথানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, সচা।

খ) বিষয়টো বিবেচনা কৰি থকা হৈছে। সোনকালে ব্যৱস্থা গ্ৰহণ কৰা হব।

গ) বৰ্ত্তমান অৱস্থাত প্ৰশাসনীয় অসুবিধাৰ আৰু গোপনীয়তাৰ খাতিৰত প্ৰতিবেদন দাখিল কৰিব পৰা নহব।

## Re : Proposal of provincialisation of school

※ **Sri Bhimananda Tanti** asked,

176 Will the Minister of Elementary Education be pleased to state:

a) Whether the Govt. has any proposal to provincialise LP/ ME/ Madrassa/High Schools?

b) If so, when it will be provincialised?

c) If not, why?

※ **Sri Thaneswar Boro** (Education Minister) replied;

a) Govt. have been contemplating to provincialise some LP, MEM & H.EM School on the basis of seniority and feasibility.

b) Under consideration.

c) Does not arise.

**বিষয় ঃ প্ৰধান শিক্ষকৰ খালি পদ ।**

**শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ**

❋ ১৭৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) দৰং জিলাত মধ্য ইংৰাজী আৰু এম, এ মাদ্ৰাছাত প্ৰধান শিক্ষকৰ কিমানটা পদ খালি হৈ আছে?

খ) মঙ্গলদৈ মহকুমাত কিমানটা শিক্ষকৰ পদ প্ৰাথমিক বিদ্যালয়ৰ, নিম্ন বুনিয়াদী বিদ্যালয় আৰু মজলিয়া বিদ্যালয়ত খালি আছে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) দৰং জিলাত মধ্য ইংৰাজী মজলিয়া আৰু মধ্য ইংৰাজী মাদ্ৰাছাত মুঠ তিনিটা প্ৰধান শিক্ষকৰ পদ খালি হৈ আছে।

খ) মঙ্গলদৈ মহকুমাৰ প্ৰাথমিক বিদ্যালয়, নিম্ন বুনিয়াদী আৰু মজলিয়া বিদ্যালয়ত মুঠ ৫৭ পদ খালি আছে।

**Re : Construction of D. I. E. T. Building.**

❋ **Shri Sambhusing Mallah,** asked:

178. Will the Minister of Elementary Education be plesed to state:

a) Whether Government is aware about the fact the "Kaliganj" is actually a low laying damp-place as a result the Building construcation for D. I. E. T. Training Centre is not suitable?

b) What reports has the Government got from soil testing at Kaliganj for the construcation of building?

c) What are the establishments needed to a place to establish a D. I. E. T. Training Centre as per the norms of Government?

d) Will the Government consider to set up this training centre at "Ramkrishna Nagar" where Government khas land is available?

e) If yes, when the survey etc. Will start? If not, why ?

**Shri Thaneswar Boro** (Minister) replied;

a) Govt. is not aware. However information are being collected from D.C, Karimganj.

b) No report of Soil testing has yet been received.

c) As per guideline Class room buildings, Hostel accommodation for trainees, Staff quarters, Library Auditorium, Play ground etc. are needed for establishment of a DIET.

d) Govt. may consider the feasibility for the same.

e) Does not arise at this stage.

## Re: Teaching of Manipuri language in Schools.

**Shri Bimolangshu Roy** asked;

* 179. Will the Minister of Education be pleased to state :

a) Is it a fact that though Manipuri was granted as a medium of instruction by SEBA in the year 1979 but for absence of teachers in the High, ME and L.P School in MIL (Manipuri) subjects students are suffering seriously and their studies are hampered?

b) Is it a fact that in Cachar district there are 35 nos of Manipuri Medium Provincilised High Schools, 45 nos M. E. Schools and 100 nos of L.P. Schools but to supervise these schools and there is only one sub-inspector of schools?

c) Will the Government take steps urgently for creation of adequater number of posts ?

**Shri Thaneswar Boro** (Minister of Education) replied :

a) It is not a fact.

b) It is a fact that there are 35 nos of Manipuri Medium provincialised High schools, 45, M. E. schools and 100 L.P schools. It is also a fact that there is only one S. I. of schools to supervise the schools affairs. Recently one Manipuri language S. I. and one Manipur S. I. in several category have been appointed and posted in cachar and Hailakandi districts.

c) Govt. will consider posting of Manipuri language S. I. as per norms.

## বিষয় ঃ মধ্য ইংৰাজী বিদ্যালয়ৰ চাকৰি।

**শ্ৰী আব্দুল ৰৌফে সুধিছে ঃ**

* ১৮০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) প্ৰাথমিক শিক্ষন সঞ্চালকৰ চিঠি নং (Memo No. EPD/P/96/04/Pt/40 Dtd. 4th Maroh 1999) যোগে বৰপেটা জিলাৰ ছয়জন ব্যক্তি নিযুক্তি দিয়াৰ বাবে বৰপেটা জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াক (D.E.E.O) নিৰ্দ্দেশ দিয়াৰ কথাটো সচাঁনে?

খ) ছয়জনৰ ভিতৰত ক্ৰম ৪ নংত থকা ব্যক্তিজনক বাদ দি বাকী পাঁচজনক নিযুক্তি দিয়া কথাটো সচাঁনে?

গ) যদি সচাঁ হয়, তেনেহলে একমাত্ৰ সংখ্যালঘু সম্প্ৰদায়ৰ দুখীয়া ব্যক্তি জনক নিযুক্তি দিয়া হবনে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) হয় সচাঁ।

খ) হয় সচাঁ।

গ) ৪ নংত ক্ৰমত থকা ব্যক্তি জন মহকুমা উপদেষ্টা কমিটিৰ দ্বাৰা অনুমোদিত নোহোৱাৰ বাবে নিযুক্তি দিব পৰা হোৱা নাই।

## STARRED QUESTIONS AND ANSWERS

## Re : Starting of polytechnic Institute.

**Sri Hemsing Tisso & Sri Jagat Sing Engti**, asked;

231. Will the Minister of Higher Education be pleased to state:

a) In which year the Diphu Polytechnic Institute was started?

b) What is estimated amount of this Institution? How much amount of money is spent so far? And how much balance is left?

c) Is it yet to be completed and if so, why? will it be completed in 1999?

**Sri Thaneswar Boro** (Minister ) replied :

a) The construction work of Diphu Polytechnic was started in the year 1988.

b) The original estimated amount for Diphu Polytechnic was Rs. 1,74, 49, 700/-The amount actually utilised by P. W. D. up

to 1997-98 was Rs. 1,94,51059. The Administrative Approval on the Revised estimate of Rs. 3,02,85,200/ has been accorded by the Government.

c) Yes, if Government provide suffieient fund the construction work is expected to be completed by 1999.

## বিষয় ঃ নাম ভৰ্ত্তি

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে** সুধিছে —

২৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চাহ বাগিছা সমূহৰ পৰা স্কুলৰ উৰ্ত্তীণ হোৱা বহু ল'ৰা-ছোৱালী ডিগবৈ মাৰ্ঘেৰিটা স্কুল সমূহত শিক্ষক আৰু কোঠাৰ অভাৱৰ অজুহাতত নাম ভৰ্ত্তি কৰিব নোৱাৰা কথাটো সত্য নে?

খ) যদি সত্য হয়, এই লৰা ছোৱালীবোৰৰ ভবিষ্যত কি হব? চৰকাৰে ইয়াৰ বিকল্প ব্যৱস্থা লবনে?

**শ্ৰী থানেশ্বৰ বড়ো** (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বিদ্যালয় সমূহত নাম ভৰ্ত্তিৰ বাবে এটি নিৰ্দ্দিষ্ট শেহতীয়া তাৰিখ থাকে। সেই সময়ৰ ভিতৰত নাম ভৰ্ত্তিৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰীক নাম ভৰ্ত্তিৰ পৰা বঞ্চিত কৰিব নোৱাৰে। অৱশ্যে কিছুমান বিদ্যালয়ে নাম ভৰ্ত্তিৰ বাবে বাছনি পৰীক্ষা কৰি লয়। বাছনি পৰীক্ষাত উৰ্ত্তীৰ্ণ হব নোৱাৰা ছাত্ৰ-ছাত্ৰীক সেই বিদ্যালয়ত নাম ভৰ্ত্তি নকৰিবও পাৰে।

শিক্ষক আৰু কোঠালীৰ অভাৱৰ অজুহাতত চাহ বাগিছা সমূহৰ পৰা উৰ্ত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক নাম ভৰ্ত্তি কৰিব নোৱাৰাৰ তথ্য চৰকাৰৰ হাতত নাই।

খ) 'ক' প্ৰশ্নৰ উত্তৰেই এই প্ৰশ্নৰ উত্তৰ।

## বিষয় ঃ- উপ পৰিদৰ্শকৰ কাৰ্য্যালয়।

**শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞাই** সুধিছে ঃ

২৩৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) বোকাখাত মহকুমাত বিদ্যালয় সমূহত উপ পৰিদৰ্শকৰ কাৰ্য্যালয় কিমান দিনৰ ভিতৰত স্থাপন কৰাৰ আঁচনি লৈছে জনাবনে?

খ) স্থায়ী কাৰ্য্যালয় স্থাপন নোহোৱা পৰ্য্যান্ত এজন উপ পৰিদৰ্শক নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

গ) যদি কৰে কিমান দিনৰ ভিতৰত হব জনাবনে?

শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) নতুন পদ সৃষ্টি কৰাৰ বিত্তীয় বাধা থকাৰ বাবে উপ-পৰিদৰ্শকৰ পদ সৃষ্টি কৰিব পৰা নাই। সেয়েহে বোকাখাতত বিদ্যালয় সমূহত উপ-পৰিদৰ্শকৰ কাৰ্য্যালয় খুলিব পৰা নাই।

খ) বিত্তীয় অনুমোদন সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

গ) উপৰোক্ত 'খ'ৰ উত্তৰ ভিত্তিত প্ৰশ্ন নুঠে।

## Re :- Magisterial Inquiry.

**Shri Hemen Das.** asked;

234. Will the Minister of Education be plesed to state :

a) Is it a fact that the D.C. Karimaganj conducted a Magisterial Inquiry in to the mater of false and fictitious teachers and submitted his inquiry report to Govt. in June 1997 after detection of about 400 Nos.of school L.P. Teachers?

b) If so, what action was taken by Government?

**Shri Thaneswar Boro** (Minister of Education) replied,

a) Yes, D.C. Karimaganj conducted an enquiry through 5 (five) Executive Magistrates in to the matter of irregular and illegal appintment made in the Karimaganj District and submitted his report to the Govt. But the report did not carry names of such teacher in addition to above matter.

1. Appointments made during banned period.
2. Time scale given to stipendiary teacher with out authority.
3. Appointments made from select list with out following the seriality of the select list.
4. Appintments made without approval of the Advisory Board and so on.

(b) As the enquiry report was not complete the matter required further investigation. Hence, proper action could not be taken.

However, on receiving the information the salaries of such teachers were stopped. But 54 nos. of such teachers went to court and obtain orders to release their salary and not to interfare with their service matters.

Further the Hon'ble High Court also passed similar orders to release salary against 170 teachers.

## বিষয় ঃ- মীন মহলৰ সংখ্যা।

**শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ**

২৩৫। মাননীয় মীন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) অসমত কিমান চৰকাৰী মীন মহল আছে?

খ) এই মীন মহল কি ভিত্তিত পট্টন দিয়া হয়?

গ) এনে মীন মহল সমূহৰ পৰা বছৰি কিমান ৰাজহ পোৱা হয়?

ঘ) বৰপেটা জিলাৰ ১৫ নং কালদিয়া বিল কেতিয়া কাক আৰু কিমান বছৰৰ বাবে কিমান টকাত পট্টন দিয়া হৈছিল।

**শ্ৰী বুবুল দাস (মীন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) বৰ্ত্তমান অসমত ৪৯৩ খন চৰকাৰী মীন মহল আছে।

খ) শতকৰা ৬০শ্ৰেণীভুক্ত মীন মহল সমূহ চৰকাৰে পোন পটীয়া ভাবে অনুসূচিত জাতিৰ দ্বাৰা গঠিত ফিচাৰী কো-অপাৰেটিভ সমবায় সমিতি সমূহক চৰকাৰৰ দ্বাৰা পট্টন দিয়া হয়। শতকৰা ৪০ ভাগ শ্ৰেণীভুক্ত চৰকাৰী মীন মহল সমূহ জিলা উপায়ুক্ত বা মহকুমাধিপতিৰ যোগেদি চৰকাৰী নিবিদা আহ্বান কৰি পট্টন দিয়া হয়।

গ) চৰকাৰে বছৰি প্ৰায় ১,৭১,০৬,১৬২.৩১ টকা মহলৰ পৰা ৰাজহ সংগ্ৰহ কৰে।

ঘ) বৰপেটা জিলাৰ ১৫ নং কালদিয়া মীন মহলটো কয়াকুছি গাঁও কোঃঅপাৰেটিভ চোছাইটিক ইং ২০-৪-৯৩ তাৰিখৰ পৰা ১৯-৪-৯৬ তাৰিখলৈ বছৰি ৮,৪৪১ -টকা ৰাজহ হিচাবে পট্টন দিয়া হয়, আকৌ উক্ত মীন মহল দাৰক এমাহ অৰ্থাৎ ১৯-৫-৯৬ তাৰিখলৈ বঢ়াই দিয়া হয়। কিন্তু চৰকাৰৰ extension order ওপৰত উক্ত পট্টাদাৰে মাননীয় উচ্চ ন্যায়ালয়ৰ CIVIL RULE NO. 2125/96 মৰ্ম্মে আবেদন কৰে আৰু বৰ্ত্তমানলৈকে তেওঁলোকে উপভোগ কৰি আছে।

## বিষয় ঃ- অসমৰ সৰু-বৰ পুখুৰী আৰু উৎপাদিত মাছ সম্পৰ্কিত।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

২৩৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ-

ক) বৰ্ত্তমান অসমত কিমানটা মীন বিভাগৰ সৰু বৰ পুখুৰী আছে জিলা ভিত্তিত জনাবনে?

খ) এই পুখুৰী সমূহত বছৰি কিমান মাছ উৎপাদন হয়। উক্ত মাছে চাহিদা পূৰণ কৰিব পাৰেনে?

গ) উক্ত উৎপাদিত মাছ সমূহ বিক্ৰী কৰি ৰাজ্য চৰকাৰে কিমান ৰাজহ সংগ্ৰহ কৰে জনাবনে?

ঘ) বৰ্ত্তমান অসমত উৎপাদিত মাছ দেশৰ বাহিৰলৈ পঠোৱা হয় নেকি?

ঙ) অসমলৈ দেশৰ বাহিৰৰ পৰা কিমান মাছ অনা হয় আৰু অন্ধ্ৰপ্ৰদেশৰ পৰা অহা মাছৰ বাবদ কিমান টকা দিব লগা হয় জনাবনে?

শ্ৰী বুবুল দাস (মীন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) অসমত মীন বিভাগৰ মুঠ ১৪২ খন সৰুবৰ মীন পোনা উৎপাদন পাম (পুখুৰী) আছে। ইয়াৰ ভিতৰত ৪৬ খন পামতহে মীন বিভাগে নিজাববীয়াকৈ কেৱল মাছৰ পোনা উৎপাদন কৰে (জিলা ভিত্তিত উক্ত মীন পামৰ তালিকা সংসগ্ন এজেন্সিৰ জৰিয়তে লিজত দিয়া হয় আৰু ২১ খন পাম মীন পালক উন্নয়ন এজেন্সিয়ে নিজাববীয়াকৈ চলাই আছে।

খ) যিহেতু উক্ত পাম সমূহত কেৱল মাছৰ পোনাহে উৎপাদন কৰা হয় গতিকে মাছ উৎপাদন বা মাছৰ চাহিদা পূৰণ কৰাৰ প্ৰশ্ন নুঠে।

গ) মীন বিভাগে নিজৰ ৪৬ খন পামৰ জৰিয়তে কেৱল মাছৰ পোনা উৎপাদন কৰি বছৰি ৪.৪৫ লাখ সংগ্ৰহ কৰে।

ঘ) বৰ্ত্তমান অসমত উৎপাদিত মাছ দেশৰ বাহিৰলৈ পঠোৱা নহয়।

ঙ) অসমলৈ দেশৰ বাহিৰৰ পৰা মাছ অহাৰ কোনো তথ্য চৰকাৰৰ হাতত নাই। অন্ধ্ৰপ্ৰদেশৰ পৰা অহা মাছৰ বাবদ বৰ্ত্তমান প্ৰায় ১০ কৌটি টকা অসমৰ পৰা দিবলগীয়া হয়।

## Re :- Provincialisation of School.

**Shri Sukhendu Shekher Dutta** asked :

237. will the Minister of Education be pleased to state :

a) Why provincialisation of recognised High, ME, and L.P. Schools are being delayed?

b) Will the Govt. take immediate steps to provincialise the recognised venture Schools with effest from the date of recognition?

c) Will there be a Tea Garden Quota while provincialising the Schools?

**Shri Thaneswar Boro** (Minister of Education) replied ;

a) As the ways & means position of the Govt. are not improved.

b) It is not yet decided.

c) It is not yet decided.

## বিষয় ঃ- ত্ৰুটিপূৰ্ণ ৰিজাল্ট।

**ডাঃ কল্যান কুমাৰ গঁগৈয়ে সুধিছে ঃ**

২৩৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ লগে লগে অভিভাৱকসকল ত্ৰুটিপূৰ্ণ ৰিজাল্টৰ বাবে বৰ্ডত হাজিৰ হ'ব লগা আৰু এইটো প্ৰতিবছৰে এটা প্ৰক্ৰিয়া হোৱা স্বত্বেও শিক্ষা বিভাগৰ ইয়াৰ ওপৰত নিয়ন্ত্ৰণ কৰিব পৰা নাই, সত্যনে?

খ) এখন বৰ্ডৰ যোগেদি যদি পৰিচালনা কৰিব পৰা নাই তেন্তে একাধিক বৰ্ড গঠন কৰিবলৈ কিবা বিবেচনা কৰিছে নেকি?

**শ্ৰীথানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) সত্য নহয়।

খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ- অসম চাহ নিগম।

**শ্ৰীমতী ৰূপম কুৰ্ম্মীয়ে সুধিছে ঃ**

※ ২৩৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) চৰকাৰ অৱগতনে, মৰিয়নী সমষ্টিত থকা 'অসম চাহ নিগম' অধীনস্থ (১) ঢেকীয়াজুলী (২) বৰুচৈকতা (৩) কাতনিবাৰীৰ বাগিছাৰ শ্ৰমিক-সকলে বসবাসৰ একেবাৰে অনুপ্ৰযোগী গৃহত থাকিব লগা হৈছে আৰু পানী যোগানৰ কোনো স্থায়ী ব্যৱস্থা নথকাত নাদৰ অপৰিস্কাৰ পানী খাব লগা হোৱাত বিভিন্ন ৰোগত আক্ৰান্ত হৈছে। মন্ত্ৰী মহোদয়ে শ্ৰমিক সকলৰ এই না-জল, না-স্থল অৱস্থাৰ বিষয়ে অৱগতনে?

খ) যদি জ্ঞাত, তেন্তে ইয়াৰ নিৰাময়ৰ কিবা আঁচনি লৈছেনে? যদি লৈছে তেন্তে এই আঁচনি কি কি জনাবনে?

শ্ৰী গুনীন হাজৰীকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে —

ক) অসম চাহ নিগমৰ অধীনত মৰিয়নী সমষ্টিত বৰচৈকতা নামৰ কোনো বাগিছা নাই। নিগমৰ এই সমষ্টিত চৈকতা, কাতনিবাৰী আৰু ঢেকীয়াজুলী নামৰ তিনিখন চাহ বাগিছা আছে।

নিগমৰ মৰিয়নী সমষ্টিত থকা সমূহ বাগিছা সমূহত শ্ৰমিকৰ থকা ঘৰৰ সুব্যৱস্থা আছে আৰু থকা ঘৰ সমূহ প্ৰতি বছৰে মেৰামতি কৰি বসবাসৰ উপযোগী কৰি ৰখা হয়।

এই বাগিছা সমূহত বিভিন্ন উৎস, যেনে - কুঁৱা, পুখুৰী, নলীনাদ আদিৰ পৰা খোৱা পানীৰ যোগান ধৰা হয়। এই পানীৰ উৎস সমূহ ৰাসায়নিক শোধন দ্ৰব্যৰ দ্বাৰা সময়ে সময়ে শোধন কৰা হয়।

খ) চাহ নিগমৰ বাগিছা সমূহত পানী আৰু থকা ঘৰৰ সমস্যা বিষয়ে চৰকাৰ জ্ঞাত। এই ব্যৱস্থাসমূহ অধিক উন্নত কৰিবলৈ চাহ নিগমে পৰ্য্যায়ক্ৰমে ব্যৱস্থা লৈছে। চাহ নিগমৰ বাগিছা সমূহত থকা কেঁচাঘৰ সমূহৰ ঠাইত স্থায়ী পকাঘৰৰ ব্যৱস্থা কৰিবলৈ আৰু খোৱা পানীৰ বাবেগভীৰ নলীনাদ বহুৱাবলৈ নিগমে আঁচনি লৈছে। এই আঁচনিৰ প্ৰথম পৰ্য্যায়ত ২০০ পকী ঘৰ এই বছৰৰ ভিতৰতে নিৰ্মান কৰা হ'ব। খোৱা পানীৰ অসুবিধা দুৰ কৰিবৰ বাবে প্ৰতি বাগিছাতে এটাকৈ গভীৰ নলীনাদ বহুৱাৰ ব্যৱস্থা লোৱা হৈছে।

## Re : Number of Primary School

**Shri Sheikh Abdul Hamid** asked;

240. Will the Minister of Education be pleased to state :

a) Is it a fact that the Barpeta District taken under D.P.E.P.?

b) If so, what is the number of primary School within 45 Baghbar LAC as per D. P. E. P. survey.

c) Number of L.P. Schools having there two & single teacher as per question (b) (Please state name of the school and showing teachers and student enrollment in tabular form).

d) Whether if any appointment as per D. P. E. P. norms have been made? (Please state showing vrious categories of appointment to be made as per D. P. E. P).

**Shri Thaneswar Boro** (Minister of Education) replied;

a) Yes.

b) 225 numbers

c) i.) Single Teachers school - 160

ii.) Double teacher school - 55

iii.) Above two teacher school - 10

The names of school showing teachers and enrollment in tabular from is pleased on the table of the House. ( See the Annexure II)

d) Yes.

## বিষয় ঃ- গৃহ নিৰ্ম্মানৰ টকা।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মই** সুধিছে ঃ

২৪১। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কোকৰাঝাৰ University Campus ৰ কাৰণে বিত্ত বিভাগৰ পৰা কিমান টকা মোকলাই দিয়া হ'ল আৰু Campus ত এতিয়ালৈ গৃহ নিৰ্ম্মানৰ কাৰণে কিমান টকা আৰু প্ৰফেচাৰ সকলৰ বেতনৰ বাবদ কিমান টকা খৰচ কৰা হ'ল জনাবনে?

খ) Campus ত এতিয়ালৈ কিমান বিভাগ খোলা হ'ল, কি কি আৰু সেই বিভাগ বিলাকত মুঠ কিমান Professor নিযুক্তি দিয়া হ'ল জনাবনে?

**শ্ৰীযুত থানেশ্বৰ বড়ো** (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) গুৱাহাটী বিশ্ববিদ্যালয়ক কোকৰাঝাৰ কেম্পাচ প্ৰতিষ্ঠা কৰাৰ বাবে অসম চৰকাৰে ইতিমধ্যে ২৫.০০ (পচিশ) লাখ টকা মোকলাই দিছে। উক্ত ধনৰ পৰা প্ৰফেচাৰসকলক বেতন দিয়াৰ বাবে ৬,০৮,০২৪ টকা খৰচ কৰা হৈছে।

খ) Campus ত এতিয়ালৈ চাৰিটা বিভাগ খোলা হৈছে। ইংৰাজী, অৰ্থনীতি, অসমীয়া আৰু বড়ো। এই বিভাগ বিলাকত মুঠ ১৮ জন প্ৰফেচাৰক নিযুক্তি দিয়া হৈছে।

## Re: Appointment of Tea and Ex-Tea Garden candidate.

**Shri Bhimananda Tanti**, asked;

242 : Will the Minister of Elementary Education be pleased to state :

a) Whether the Govt. has taken steps to appoint 100 L.P. School Teacher for the Tea and Ex-Tea Garden candidates under Education cell as discussed in the cell?

b) If so, when they will be appointed?

c) If not why?

d) Whether the Govt. has issued any circular for the inspection of the Tea L.P. Schools?

e) If so, the circular may kindly be placed in the floor of the House?

f) Is it a fact that the Tea Garden students of the Garden L.P. Schools are not supplied with text books?

g) If so, why?

**Shri Thanswar Boro,** (Minister of Education) replied;

a,b & c) The state level Advisory Board for development of Education in Tea and Ex-Tea Garden areas of Assam and in its meeting held on 16-4-95 recommended for creation and upgradation of number of posts both in Tea garden cell in the Directorate and in the Secondary and High Secondary School situated in tea and ex-tea garden areas of Assam.

In that light, it was proposed to create posts primary schools teachers for tea garden areas to cover 60-70 primary schools. Accordingly the D. E. E. was requested to submit proposals for :- (1) Creation of posts for 60-70 venture primary schools under tea garden areas. (2) Creation of 200 posts of L.P. teachers (3) Provincialisation of M. E. Schools under tea garden areas recognised till date.

But subsequently the Govt. decided not to take any action on the above proposal and instead of that order was issued to submit proposal for creation 50 graduate teacher posts in High Schools situated in tea garden areas. Assordingly 50 posts were created in 1996, January and retained up to date.

d) Yes, Govt. issued circular on 20-11-96 to special drive for inspection of tea garden schools and schools in the ex-tea garden areas. The D. E. E., Assam also issued similar circular.

e) Copies of both the circulars are placed on the table of the house. ( See Annexure III)

f) No. It is not a fact. Free text books are provided to all provincialised L.P. & M.E. Schools including tea garden and ex-tea garden schools which were taken over by the Govt. and provincialised subseqently from time to time.

g) Does not arise, Govt. do not under take to provide free text books to privately managed and vanture schools.

## বিষয় ঃ- প্লেন আৰু ননপ্লেনৰ পদ

**শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ**

২৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) দৰং জিলাৰ বিদ্যালয়সমূহত প্লেনৰ পদত কিমান জন আৰু ননপ্লেনৰ পদত কিমান জন শিক্ষকে কাম কৰি আছে? (১৯৯৯ চনৰ জানুৱাৰীৰ মাহলৈ সংখ্যাটি দিব,

খ) প্লেনৰ পৰা ননপ্লেনৰ কিমান জন শিক্ষকক বদলী কৰা হ'ল? (১৯৯৯ চনৰ জানুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ সংখ্যাটি দিব)

**শ্ৰীথানেশ্বৰ বড়ো, (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) দৰং জিলাত ইং ১৯৯৯ চনৰ জানুৱাৰী মাহলৈকে প্লেন আৰু ননপ্লেনত পদত কাম কৰি থকা শিক্ষকৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ-

| | | | |
|---|---|---|---|
| প্ৰাথমিক বিদ্যালয় - | প্লেন পদত | ঃ | ১০৬৫ জন |
| | ননপ্লেন পদত | ঃ | ২৮১১ জন |
| মজলীয়া বিদ্যালয় - | প্লেন পদত | ঃ | ৫৮৪ জন |
| | ননপ্লেন পদত | ঃ | ১৪৪৬ জন |
| উচ্চ মাধ্যমিক - | প্লেন পদত | ঃ | ১০২০ জন |
| | ননপ্লেন পদত | ঃ | ১৪৭৩ জন |

খ) ১৯৯৯ চনৰ জানুৱাৰী মাহৰ পৰা ৩১ মাৰ্চলৈ প্লেনৰ পৰা ননপ্লেনৰ বদলী কৰা শিক্ষকৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ-

| | | |
|---|---|---|
| প্ৰাথমিক বিদ্যালয় | ঃ | ২০ জন |
| মজলীয়া বিদ্যালয় | ঃ | ২ জন |
| উচ্চ মাধ্যমিক বিদ্যালয় | ঃ | ৪ জন |

## Re :- Provincialisation of Sanskrit tols/ chatuspaties

**Shri Bimolangshu Roy** asked;

244. Will the Minister of Education be pleased to state :

a) Whether upgraded Sanskrit & pail alongwith other Recognised permitted tols/chatuspaties will be provincialised with in March, 1999,

A detailed statement is to be submitted in the House.

b) Will provincialisation of the Gurakshanath Sanskrit chatuspati, F. S. Bazarghat, Dist. Karimaganj be arranged with in March, 1999.

( District-wise totals nos. of upgraded & recognised tols/ chatuspatis with the name & address is to be produced in the table of the Hosue).

c) Reason for half yearly non payment of non plan staffs of sanskrit & pali tols/ chatuspaties for the year 1996-97, 1997-98, 1998-99 is to be produced in the table of the House.

(Year wise total month & amount of non payment is to be stated and whether any arrangement of such payment is made.)

**Shri Thaneswar Boro**, (Higher Education Minister) replied ;

a) No.

A detailed statment indicating the names and address of the up-graded and non-ungraded sanskrit and pali tols of Assam is laid on the table of the House.

b) No.

A detailed list of up-graded and non-upgraded Sanskrit and pali tols is laid on the table of the House.

( See Annexure IV)

c) The employees of the up-graded Sanskrit and pali tols under non-plan have not received their salary in full due to shortage of fund during the years.

Year-wise shortfall amount is shown below.

| | |
|---|---|
| 1996-97 .. | Rs. 81,88,707/ - shortfall for 6 months. |
| 1997-98.. | Rs. 1,27,00,000/- shortfall for 6 months. |
| 1998-99.. | Rs. 1,17,02,600/- shortfall for 6 months. |
| | Total Rs. 3,25,91,307/ |

(Rupees three crores twenty five lakhs ninety one thousand three hundred and seven only.)

### বিষয় ঃ- পাঠ্যপুথি প্ৰণয়নৰ চিন্তা।

শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে,

২৪৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ উচ্চ ইংৰাজী বিদ্যালয় সমূহত ছাত্ৰী-ছাত্ৰী সকলৰ মাজত অসমৰ বনজ সম্পদ আৰু বহুমূলীয়া জীৱ জন্তুৰ সংৰক্ষন সম্পৰ্কত উপযুক্ত জ্ঞান আহৰণৰ বাবে কিবা পাঠ্যপুথি প্ৰণয়নৰ সম্পৰ্কত কিবা চিন্তা কৰিছেনে?

খ) যদি কৰিছে, তেন্তে এই বিষয়টোৰ ওপৰত পাঠ্যক্ৰম কেতিয়াৰ পৰা বিদ্যালয় সমূহত কাৰ্য্যকৰী কৰিব জনাবনে?

গ) উল্লেখিত বিষয়টোৰ ওপৰত প্ৰয়োজনীয় জ্ঞান আৰু সজাগতাৰ অভাৱ পৰিলক্ষিত হৈছে যে বিভাগীয় কতৃপক্ষই অনুভৱ কৰিছেনে??

ঘ) যদি অনুভৱ কৰা হৈছে তেন্তে কিমান দিনৰ ভিতৰত এই বিষয়টো বিদ্যালয় সমূহত কাৰ্য্যকৰী কৰিব জনাবনে?

শ্ৰীথানেশ্বৰ বড়ো(শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) পাঠ্যক্ৰম ইতিমধ্যে বিদ্যালয় সমূহত চলি আছে।

গ) হয় কৰিছে।

ঘ) ওপৰৰ 'খ' উত্তৰত দিয়া হৈছে।

### Re :- Badarpur Industrial Estate.

**Shri Sukhendu Shekhar Dutta** asked :

❋ 246। Will the Minister of Industry be plesed to state :

a) Whether Badarpur Industrial Estate is alive or dormant?

b) If dormant, will it be revived and if so when?

**Shri Gunin Hazarika** (Minster of Industry) replied:

a) Yes, Badarpur Industrial Estate is alive.

b) Needs further rejuvenation.

## Re :- Reconstitution of Selection Board.

**Shri Bhimananda Tanti** asked:

247. Will the Minister of Elementary Education be pleased to state:

a) Whether the Govt. has re-constituted the Education Selection Board districtwise?

b) If so, whether all the MLA's have been inducated?

c) If not, why ?

**Shri Thaneswar Boro,** (Minister of Education) replied:

a) Not yet constituted.

b) Does not arise.

c) Does not arise.

## বিষয় ঃ- অৱসৰ প্ৰাপ্ত শিক্ষক।

**শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ**

২৪৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) দৰং জিলাৰ মঙলদৈ আৰু ওদালগুৰী মহকুমাত ১৯৯৯ চনৰ জানুৱাৰী মাহলৈকে কিমান জন অৱসৰ প্ৰাপ্ত শিক্ষক আছে?

খ) অৱসৰ প্ৰাপ্ত শিক্ষক সকলে পেঞ্চন নোপোৱা কথাটি সত্যনে?

গ) ১৯৯৮ চনত অৱসৰ প্ৰাপ্ত শিক্ষক সকলক পেঞ্চন দিয়া হৈছেনে?

**শ্ৰীথানেশ্বৰ বড়ো, (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ-**

ক) প্ৰাথমিক বিদ্যালয়ৰ ২২ (বাইশ) জন অৱসৰ প্ৰাপ্ত শিক্ষক আছে।

খ) সম্পূৰ্ণ সচাঁ নহয়।

গ) হয়. ১৯৯৮ চনৰ জুন মাহলৈকে প্ৰাথমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষকৰ পেঞ্চন দিয়া হৈছে।

## বিষয় ঃ- কৰিমগঞ্জ জিলাৰ এম, ই, এম, ভি স্কুল শিক্ষকদেৰ বেতন প্ৰদান।

শ্ৰী বিমলাংশু ৰয়ে সুধিছে ঃ

২৪৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নেকি ঃ

ক) No. EPD/P/31/pt. II/77 dtd. Kahilipara, 15 th sept/ 98 তাৰিখে Director, Elementary Education, Assam

কৰ্ত্তৃক কৰিমগঞ্চ Dist. Elementary Education offiser এৰ নিকট প্ৰেৰিত আদেশেৰ কৰিমগঞ্জ জিলাৰ এম, ই, এম ভি স্কুল শিক্ষকদেৰে বেতন প্ৰদান জন্য বিভাগিয় কৰ্ত্তপক্ষ কি কি কাৰ্য্যকৰী পদক্ষেপ লৈছেনে ? (বিশদ তথ্য সদনেৰ মোৰ দাখিল কৰিবনে)।

খ) কৰিমগঞ্জ জিলাৰ অন্য প্ৰেৰীত Retention এৰং শিক্ষকেবে নামেৰে তালিকাৰ ক্ৰমিক নং (২৭) ও (২৮) ও বৰ্নিত শিক্ষক শিক্ষিকাদেবে বেতন প্ৰদান কৰা হয়েছে কি ? যদি হয় কখন, যদি না কেন? (বিশদ তথ্য সদনৰে মেৰে দাখিল কৰিছেন)।

গ) ১৯৯৯ ইং মাৰ্চ মাসেৰ ভিতৰ ৰিটেনশন তালিকাভুক্ত শিক্ষকদেৰে বেতন প্ৰদানৰে অন্য কৰিমগঞ্জ Dist. Elementary Education officer কি কি বিভাগীয় পদক্ষেপ নিয়েছেন? বিশদ তথ্য সদনেৰ মেজে দাখিল কৰিবেন?

শ্ৰীথানেশ্বৰ বড়ো, শিক্ষামন্ত্ৰীয়ে উত্তৰ দিছে ঃ

ক) প্ৰাথমিক শিক্ষা সঞ্চালক এৰ ১৫-৯-৯৮ তাৰিখেৰ (EPD/p/31/pt.II/77) সম্বৰেৰ চিঠিৰ দ্বাৰা কৰিগঞ্জ জিলাৰ অন্য ২৯ টা পদৰ প্ৰতিধাবন (Retention) দেওয়া হইয়াছিল। এৰ মধ্যে চচ টি পদেৰ নিযুক্তি তদৰ্থ ভিত্তিত নিযুক্তি হওয়াতে এদেৰ বেতন দেওয়া হয়নি। তদৰ্থ ভিত্তিত নিযুক্তি হওয়াতে এই চাকৰীগুলো নিয়মিত কৰাৰ প্ৰয়োজন। জিলা প্ৰাথমিক শিক্ষা অধিকাৰীৰ প্ৰতিবেদন পাইলে ব্যৱস্থা নেওয়া যাবে।

খ) হয় নাই। এদেৰ চাকৰী তদৰ্থ ভিত্তিত (Ad-hoc Regularisation) এৰ প্ৰয়োজন উপৰেৰ 'ক' প্ৰশ্নেৰ মধ্যে এ সম্পৰ্কে বলা হয়েছে।

গ) ইতিমধ্যে উক্ত পদ সমূহেৰ অৰ্থাৎ ২৯ টি পদেৰ ১ মাৰ্চ ৯৮ ইংৰাজী হইতে ৩০-৯-৯৯ ইং পৰ্য্যন্ত Retention এৰ অন্য বিত্তীয় বিভাগ অনুমোদন দিয়েছে। সেইমৰ্মে ২২-৪-৯৯ ইং তাৰিখেৰ চিঠিৰ যোগে Retention ইতিমধ্যে প্ৰদান কৰা হয়েছে। এৰঅন্য জিলা প্ৰাথমিক শিক্ষা অধিকাৰী ৯-৩-৯৯ ইং তাৰিখেৰ চিঠিৰ দ্বাৰা প্ৰস্তাব প্ৰেৰণ কৰিছিল।

## বিষয় ঃ- প্ৰাগবছিমি উদ্যোগটিৰ অৱস্থা।

**শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ,**

২৫০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) দৰং জিলাৰ ছিপাঝাৰ অৱস্থিত প্ৰাগবছিমি নামৰ উদ্যোগটিৰ বৰ্ত্তমান কি অৱস্থাত আছে?

**শ্ৰী গুনীন হাজৰীকা, (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) উক্ত প্ৰতিষ্ঠানটোৰ প্ৰথম পৰ্যায় আৰু দ্বিতীয় পৰ্যায়ৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰি উৎপাদনৰ কাম আৰম্ভ কৰা হৈছিল। দ্বিতীয় পৰ্যায়ৰ দ্বিতীয় ভাগৰ নিৰ্মাণ কাৰ্য্য প্ৰায়শেষ হৈছে আৰু উৎপাদন কাৰ্য্য আৰম্ভ কৰিবলৈ বাকী আছে। বিত্তীয় অনুষ্ঠানসমূহে অনুমোদিত ঋণ মোকলাই দিয়াত লেহেম কৰা হৈতুকে সম্পূৰ্ণ উৎপাদনক্ষম অৱস্থালৈ মিলটো আনিব পৰা হোৱা নাই।

## বিষয় ঃ মীন পালন আঁচনিৰ অৱস্থা।

**শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ**

২৫১। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ-

(ক) দৰং জিলাৰ খৈৰাবাৰী জাদুগুৰি মীন পালন আঁচনিখনৰ কাম কি অৱস্থাত আছে?

(খ) আঁচনিখনৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(গ) আঁচনিখন কোন চনত শেষ হোৱাৰ কথা আছে?

**শ্ৰীবুবুল দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

(ক) দৰং জিলাৰ খৈৰাবাৰীত আঁচনি খনৰ কাম ৰূপায়ন কৰিবলৈ লোৱা পাম খনৰ নাম জাদুগুৰিৰ পৰিৱৰ্ত্তে বৰজামুগুৰি হব লাগে। বৰজামুগুৰিত অৱস্থিত পামখনত মীন পোনা উৎপাদন আঁচনি খনৰ বাবে এতিয়ালৈকে মুঠ ৪১.৪৫ লাখ টকা খৰছ কৰা হৈছে। কিন্তু বড়ো আন্দোলন চলি থকাৰ বাবে আঁচনি খনৰ কাম পুৰ্ণ গতিত আগুৱাই নিয়াব ক্ষেত্ৰত সদ্যহতে কিছুমান বাধাৰ সন্মুখীন হোৱাত আঁচনিখন সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

(খ) আঁচনি খন ৰূপায়ন কৰাৰ বাবে মুঠ ৬০.৫১ লাখ টকা ধাৰ্য্য কৰা হৈছিল।

(গ) পূৰ্ব্বৰ পৰিকল্পনামতে ১৯৯০ চনত আঁচনি খন সম্পূৰ্ণ কৰাৰ কথা আছিল যদিও বৰ্ত্তমানৰ বড়ো আন্দোলনৰ পৰিপেক্ষিতত আঁচনি খনৰ কাম কেতিয়া সম্পূৰ্ণ কৰিব পৰা হব সেইটো এতিয়াই ঠাৱৰ কৰা সম্ভৱ নহয়।

**Mr. Speaker** : Now, Question Hour is over.

A Point of order relating to the irregular appointment of teacher.

There is no point of order. Question hour is over. There is no zero hour, no cut motion. I cannot break the rule. Point of order and decisioins thereon under 300 (1) A point of order shall relate to the interpretation or enforcement of these rules or such Articles of the Constitution as regulate the business of the House and shall raise a question which is within the cognizance of the Speaker.

Anything to say, you will have to write and that is within the framework of the rule ....

(সদনত হুলস্থূল হয়)

**শ্ৰী গহীন চন্দ্ৰ দাস** ঃ অধ্যক্ষ মহোদয়, আজি সদনত প্ৰস্তাৱ লব লাগে যে এই নিযুক্তি বাতিল হব লাগে। (হুলস্থূল চলি থাকে)

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য সকল, আপোনালোকে জানেযে প্ৰশ্নোত্তৰ কালৰ যেতিয়া ঘণ্টা পৰে বজাব লাগিব।

**শ্ৰী গহীন চন্দ্ৰ দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো চিৰিয়াচ মেটাৰ। উত্তৰ দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নোত্তৰৰ সময় আপোনালোকেই নষ্ট কৰিছে।

**শ্ৰী শ্বহীদুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিয়েই উত্তৰ দিব লাগে।

## Representation of the Reports of the DRSC.

**Mr. Speaker** : Now, Item No. 2.

I call upon the Hon'ble Chairman of DRSC on Works Department, DRSC on Development Department A, DRSC on Development Department B to present their Reports.

The Reports of the DRSC on Education are being presented to the House. Now I call upon Hon'ble Member, Shri Dilip Kumar Saikia to present the Report of the DRSC on Works Department.

**Shri Dilip Kumar Saikia** : Sir, I the Chairman, DRSC on Works Department beg to present the —

First Report of the Committee on Grant Nos. 17, 33 and 64 relating to Public Works Department.

Second Report of the Committee on Grant No. 30 relating to Public Health Engineering Department.

First Report of the Committee on Grant No. 34 and 67 relating to Guwahati Development Department.

First Report of the Committee on Grant No. 49 relating to Irrigation Department.

Second Report of the Committee on Grant No. 63 relating to Flood Control Department.

**Mr. Speaker** : Now, I call upon Hon'ble Member Shri Derhagra Muchahary, Chairman, DRSC, Development 'A' to present his Reports.

**Shri Derhagra Mochahary** : Sir, I the Chairman, DRSC on Development 'A' beg to present the —

Report on Grant No. 55 relating to Forest Department.

Report on Grant NO. 9 relating to Transport Department.

Report on Grant No. 38 relating to Welfare of Plains Tribes and Backward Classes.

Report on Grant No. 39 relating to Social Welfare Department.

Report on Grant No. 61 and 62 relating to Department of Power (Electricity) Mines and Minerals Department.

Report on Grants No. 37 relating to Food and Civil Supplies Department.

Report on Grants No. 58 and 60 relating to Industries Department.

**Mr. Speaker** : As Shri Pulakesh Barua, Hon'ble Member and Chairman, DRSC on Development 'B' Department is absent, I call upon Hon'ble Member Shri Bimalangshu Roy to present the Reports on his behalf.

❋ **Shri Bimalangshu Roy** : Sir, I beg to present the reports of DRSC on Development 'B' department —

Second Report on Grant No. 48 relating to Agriculture Department.

---

❋ Speech not corrected

2nd Report on Grant Nos. 56 and 57 relating to Rural Development (Panchayat) and Rural Development Department.

2nd Report on Grant No. 59 relating to Handloom and Textile Department.

2nd Report on Grant No. 54 relating toi Fisheries Department.

2nd report on Grant No. 52 and 53 relating to Veterinary and Animal Husbandry Department.

2nd Report on Grant No. 29 relationg to Health and Family Welfare Department.

2nd report on Grant No. 43 relating to Co-operation Department.

## VOTING ON DEMANDS FOR GRANTS.

**Mr. Speaker** : Now Item No. 3, Voting on Demands for Grants. Now Grant No. 38, Hon'ble Minister WPT & BC / Smti. Rekha Rani Das Boro,

❋ শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০০০ চনৰ ৩১ মাৰ্চত শেষ হ্বলগীয়া বছৰটোৰ কালছোৱাত "অনুসূচিত জাতি/অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণী শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত ব্যয় হোৱা ৭৬,৪৩,৪৬,০০০ টকা সম্পূৰ্ণ কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৫০,১৫,৬৪,০০০ টকা মঞ্জুৰ কৰিব লাগে।

Mr. Speaker : There are as many as four Cut Motions in this Grants standing in the name of following Hon'ble Members.

Shri Bharat Chandra Narah
Shri Bhimananda Tanti
Shri Prithibi Majhi
Shri Dileswar Tanti
Shri Rameswar Dhanowar
Smti. Hemo Prova Saikia
Shri Ajit Singh,
Smti. Pranati Phukan
Shri Barnabash Tanti

---

❋ Speech not corrected

Shri Mustafa Shahidul Islam
Shri Sukur Ali,
Shri Abu Bakkar Siddique Jotder
Shri Wazed Ali Choudhury,
Shri Nazibul Umar
Smti. Amiya Gogoi,
Dr. Kalyan Kumar Gogoi,
Shri Misbahul Islam Laskar
Shri Abdul Muqtadir Choudhury,
Shri Bhupendra Nath Bhuyan,
Shri Etuwa Munda
Shri Ismail Hussain

Secondly in the name of :

Shri Holiram Terang,
Shri Chandra Kanta Terang
Shri Jagat Singh Engti
Shri Samarjit Haflongber
Shri Hemsing Tisso

and thirdly in the name of —

Shri Girindra Mallik
Dr. Nazrul Islam

Now I request the movers of the Cut Motion to move their Cut Motion one by one. Shri Bharat Ch. Narah to move —

* **Shri Bharat Chandra Narah** : Mr. Speaker Sir, that the total provision of Rs. 50,95,64,000 under Grant No. 38 in respect of "Welfare of Scheduled Castes/Scheduled Tribes and other Backward Clasess" at pages 1-38 of Volume II Part XIX of theBudget for 1999-2000 be reduced to Rs. 1.00 i.e. the amount of the whole grant of Rs. 50,95,64,000 do stand reduced to Rs. 1.00.

**Mr. Speaker** : Now Shri Holiram Terang seems to be absent, Shri Girindra Mallik and Dr. Nazrul Islam is also absent. Smti. Pramila Rani Brahma and Shri Hemendra Nath Brahma to move —

---

* Speech not corrected

❋ **শ্রী হেমেন্দ্র নাথ ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে ১৯৯৯-২০০০ চনৰ বাজেটৰ ২য় খণ্ডৰ ১৯ অংশৰ ১-৩৮ পৃষ্ঠাত থকা 'অনুসূচীত জাতি/অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণী শিতানৰ ৩৮ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৫০,৯৫,৬৪,০০০ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰীৰ ৫০,১৫,৬৪,০০০ টকা, এটকালৈ হ্ৰাস কৰা হওঁক।'

**Mr Speaker:** Now, I request Hon'ble Member Shri Bharat Chandra Narah.

❋ **শ্রী ভৰত চন্দ্ৰ নৰহ ঃ** চাৰ, ওৱেলফেয়াৰ অৱ এচ, চি/এচ, টি আৰু ও, বি, চি বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰি কব খোজো যে এ, জি, পি চৰকাৰ দ্বিতীয়বাৰ ক্ষমতালৈ অহাৰ পিচত অনুসূচীত জাতি-জনজাতি উন্নয়নৰ ক্ষেত্ৰত বেছি আশা কৰিছিলো। অন্ততঃ অসমৰ জনজাতীয় সকলৰ কাৰণে এই চৰকাৰে যথেষ্ঠ কাম কৰিব। ১৯৮৫-৯০ ৰ সময় ছোৱাত, এ, জি, পি, চৰকাৰে জনজাতীয় সকলৰ যথেষ্ট কাম নকৰিলে বুলি অভিযোগ উঠিছিল। সেইকাৰণে আমি আশা কৰিছিলো যে মুখ্যমন্ত্ৰী মহন্ত ডাঙৰীয়াৰ বেচি অভিজ্ঞতা হৈছে, ৰাজনৈতিক ভাবেও পৰিপক্ক হৈছে গতিকে আগতকৈ ভাল কাম হব। মহন্ত ডাঙৰীয়াই নিজেও ভাষণ দিছিল যে আমি আৰু ভুলৰ পুনৰাবৃত্তি নকৰো। সেই কাৰণে ভাবিছিলো যে জনজাতীয় সকলৰ কল্যাণৰ কাৰণে এই চৰকাৰে যথেষ্ঠ কাম কৰিব। মুখ্য মন্ত্ৰী নিজে সেই বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী আৰু শ্ৰীৰাজেন্দ্ৰ মুছাহাৰীক ৰাজ্যিক মন্ত্ৰী কৰি ৰাখিছে। মুখ্যমন্ত্ৰী নিজে ভাৰপ্ৰাপ্ত মন্ত্ৰী কাৰণে আমি বেছি আশা কৰিছিলো। মুখ্যমন্ত্ৰী নিজে সেই বিভাগৰ মন্ত্ৰী কাৰণে এচ,চি / এচ,চি আৰু ও, বি,চি সকলৰ উন্নতি কৰাৰ কাৰণে যথেষ্ঠ সুবিধা পাইছিল। আৰু যথেষ্ঠ অৰিহণা যোগাব পাৰিলেহেতেন। যোৱা আঢ়ৈ বছৰে নিজে দায়িত্বত থাকিও জনজাতীয় সকলৰ কাৰণে একো এটা নকৰিলো। ভাৰতীয় সংবিধানত জনজাতীয় সকলৰ কাৰণে ভাৰত চৰকাৰৰ যি ডাইৰেকটিভ আছে ট্ৰাইবেলৰ উন্নতিৰ কাৰণে সেই মতে কাম কৰা নাই। অধ্যক্ষ মহোদয়, আপুনি শুনিলে আচৰিত হব টি, এচ,পি,/এচ,চি,চি,পি বিভিন্ন বিভাগ বিলাকত কি কি স্কীম লৈছে সেই বিলাক পৰীক্ষা কৰাৰ কাৰণে পৰামৰ্শ দিবৰ কাৰণে ভাৰতীয় সংবিধানত এটা ষ্টেট এডভাইজোৰী কাউঞ্চিল গঠনৰ ব্যৱস্থা কৰা হৈছে। Advisory Council for Scheduled Tribes and advisory Council for S.C. আৰু তাত জনজাতীয় বিধায়ক সকল মেম্বাৰ। যিদিনা ভাৰতীয় সংবিধানে এইটো গ্ৰহণ কৰিছে সেইদিনাৰ পৰা অসম চৰকাৰৰো এডভাইজোৰী কাউঞ্চিল গঠন কৰা হয়। বছৰত দুবাৰ সভা পতা হয় আৰু তাত আলোচনা কৰা হয়। এ,জি,পি চৰকাৰ ২য় বাৰ গঠন কৰাৰ পিচত মুখ্যমন্ত্ৰীয়ে এডভাইজোৰী কমিটি

গঠনৰ আৰ্টিকেলটো উপেক্ষা কৰি এডভাইজোৰী কাউঞ্চিল গঠন কৰা নহ'ল। যোৱা আঢ়ৈ বছৰত এড়ভাইজোৰী কাউঞ্চিল ফ'ৰ এচ,চি গঠন কৰা নহ'ল। মুখ্যমন্ত্ৰী নিজে বিভাগৰ দায়িত্বত থকাৰ পিচতো যদি এই কাউঞ্চিল গঠনত ৩-৪ বছৰ লাগে তেতিয়াহলে এই চৰকাৰে কি কাম কৰিব। চৰকাৰৰ এইটো প্ৰাথমিক কৰ্ত্তব্য। আমি কোৱাৰ দৰ্কাৰ নাই। কিন্তু আমি বহুত কোৱাৰ পিচত কাউঞ্চিল গঠন কৰি এবাৰ মাত্ৰ মিটিং হৈছিল। সেই কাৰণে এই ক্ষেত্ৰত আমি ৰাইজৰ প্ৰতিনিধি হিচাবে অতিশয় উদ্বিগ্ন হৈছো। মাননীয় অধ্যক্ষই জানে মুখ্যমন্ত্ৰীয়ে যেতিয়া বাজেট উত্থাপন কৰিছিল এচ,চি/এচ,টি আৰু ও,বি,চিৰ কাৰণে বিষয়টো ষ্টেণ্ডিং কমিটিত আলোচনা কৰা হৈছে আৰু ৰিপোৰ্টো চাবমিট কৰিছো। ভাৰতীয় সংবিধানৰ ২৭৫ আৰ্টিকল মতে পাৰ্লিয়ামেন্টত জনজাতীয় সকলৰ উন্নতিৰ কাৰণে বিশেষ আঁচনি লৈ টকা পোৱাৰ ব্যৱস্থা আছে। আচৰিত কথা যোৱা ৩ বছৰে আৰ্টিকেল ২৭৫ ৰ অধীনত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা পইচা অনাৰ ব্যৱস্থা কৰিব পৰা নাই। ষ্টেণ্ডিং কমিটিটো আলোচনা হৈছে। অধ্যক্ষ মহোদয়, ১৯৮৩ চনত হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰীহে থকা সময়ত তেখেতে ২৭৫ আৰ্টিকেলৰ অধীনত ফৰেষ্ট ভিলেজৰ খোৱা পানীৰ কাৰণে ২ কোটি টকা আনিছিল। তাৰ পিচত আৰু অসম চৰকাৰে এই টকা আনিব পৰা নাই। ২৭৫ আৰ্টিকেলৰ কাৰণে বিশেষ আঁচনি লব লাগিব। এই আঁচনি অনুসৰি কেন্দ্ৰীয় চৰকাৰে ২৭৫ আৰ্টিকেলৰ অধীনত টকা দিয়াৰ নিয়ম আছে। এই চৰকাৰে আঢ় বছৰে এই আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা অনাৰ ব্যৱস্থা হাতত লোৱা নাই । চেয়াৰমেন ডাঙৰীয়া, জনজাতীয় বিধায়ক সকলৰ সজাতী দল এটা দিল্লীলৈ গৈছিল আৰু ছোচিয়েল জাষ্টিচ বিভাগৰ লগত আলোচনা হৈছিল। তেখেতসকলে কৈছিল যে অসমৰ জাতীয় সকলৰ কাৰণে যিমান টকা লাগে আমি দিব পাৰো যদি ৰাজ্য চৰকাৰে বিচাৰে। কিন্তু ৰাজ্য চৰকাৰে বিচৰা নাই। কেন্দ্ৰীয় চৰকাৰে আগৰ ইউটিলাইজেচন চাৰ্টিফিকেট বিচাৰিছে ৰাজ্য চৰকাৰে দিব পৰা নাই। অকল ডব্লিউ. পি.টি.তে নহয় অন্যান্য বিভাগৰো ইউটিলাইজেচন চাৰ্টিফিকেট দিব পৰা নাই। ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে টকা দিবপৰা নাই। তাৰ বিষয়া সকলে কৈছিল যে জনজাতীৰ উন্নয়নৰ কাৰণে টকা আছে। অসম চৰকাৰে স্কীম দিব লাগে আৰু আগৰ ইউটিলাইজেচন চাৰ্টিফিকেট দিব লাগে।

(Hon'ble Speaker vacated the chair at 5.18 p.m and Hon'ble Shri Debananda Konwar occupied the Chair as Chairman)

মাননীয় সভাপতি মহোদয়, ১৯৮৩ চনত অসমৰ ট্ৰাইবেলসকলে বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ট্ৰাইবেলসকলে শ্ৰী চৰণ নাজাৰীৰ নেতৃত্বত উদয়াচলৰ দাবী উত্থাপন কৰিছিল। তেতিয়াৰ কংগ্ৰেছ চৰকাৰে এই দাবীৰ সন্দৰ্ভত জনজাতি সকলৰ উন্নয়নৰ

কাৰণে কাম কৰিবলৈ বিচাৰে। তেতিয়া জনজাতি সকলৰ কাৰণে তাৰ জনসাধাৰণৰ উন্নয়নৰ কাৰণে আচনি কৰা হৈছিল। ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈ ট্ৰাইবেল অথৰিটি কৰিছিল। এতিয়া মাননীয় মুখ্যমন্ত্ৰী নিজে ডব্লিউ. পি. টি.ৰ মন্ত্ৰী এতিয়া অসম ট্ৰাইবেল ডেভেলপমেন্ট অথৰিটি ধংস হৈ গৈছে। আমি দেখিবলৈ পাইছো যে আমাৰ অঞ্চলত বিভিন্ন ট্ৰাইবেল ক্লাববিলাক যি বিলাক আছে সেই ক্লাববিলাকত যিবিলাক সামগ্ৰী খেলাধূলাৰ সামগ্ৰী বিতৰণ হ'ব লাগে সেই সামগ্ৰীবিলাক বিৰতণ কৰা হোৱা নাই। যোৱা আঢ়েটা বছৰ ধৰি এই ক্লাব বিলাকে কোনোধৰণৰ বস্তু পোৱা নাই। এই সম্পৰ্কত কমিটি গঠন কৰি দিয়া হৈছে। মুখ্যমন্ত্ৰী নিজে এই বিভাগৰ মন্ত্ৰী হৈ থকাটো এতিয়ালৈকে কোনোধৰণৰ সামগ্ৰী পোৱা নাই। জনজাতীয় সকলৰ কাৰণে – চিডিলকাষ্ট ডেভেলেপমেন্ট কৰপৰেচন আৰু চিডোলট্ৰাইব ডেভেলপমেন্ট কৰপৰেচনৰ কাৰণে আমাৰ মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়া ডাঙৰীয়াই সদায় চিঞৰি আছে। লক্ষীমপুৰ আৰু ধেমাজি জিলাত ট্ৰাইবেলসকলে কোনো কাম পোৱা নাই। মই জনা মতে এই কামবিলাক নোহোৱাৰ কাৰণে কোনো কন্ট্ৰেক্টৰক আজিলৈকে ব্লেক-লিষ্টেড কৰা হোৱা নাই। আমাৰ মাননীয়া মন্ত্ৰী শ্ৰীমতী ৰেখা ৰাণী দাসবড়ো বাইদেউ আছে এখেতে কেইজন কন্ট্ৰেক্টৰক ব্লেকলিষ্টেড কৰিছে, আজিলৈকে কৰিব পৰা নাই। যি সকল কন্ট্ৰেক্টৰে এই সামগ্ৰীবিলাক যোগান দিছে তেখেত সকলৰ এচ চি বা এচ টি ডেভেলপমেণ্ট কৰপৰেচনৰ আগুৱাৰ বিভিন্ন বিষয়াসকলৰ লগত নিশ্চয় কিবা সম্পৰ্ক আছে। মন্ত্ৰীয়ে এই কথা নিশ্চয় জানে নহলে নিশ্চয় কন্ট্ৰেক্টৰ সকলক ব্লেক লিষ্টেড কৰিলেহেতেন। আমাৰ তাত যি সকল কন্ট্ৰেক্টৰে সামগ্ৰী যোগান ধৰিছিল সেইসকল কন্টেক্টৰে পইচা এতিয়ালৈকে পোৱা নাই। তাৰ ভিতৰত দুজন কন্ট্ৰেক্টৰে বিল পাইছে। তাৰ ভিতৰত আছে মাননীয় মন্ত্ৰী দত্ত ডাঙৰীয়াৰ ভায়েক আৰু আনজন চিফ কাউন্সিলাৰ মহেশ্বৰ দলৈৰ ভায়েক। এই দুজনে পইচা পাইছে, অন্য কন্ট্ৰেক্টৰে পইচা পোৱা নাই।

মাননীয় সভাপতি মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মিচিং অটোনমাচ কাউঞ্চিলৰ বাবে কি কি যোগান দিছে আৰু কি কি ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ তাত যি বিলাক বেনিফিচাৰী আছে আৰু তেওঁলোকক যি বিলাক সামগ্ৰী দিছে সেই বস্তুবিলাক একেবাৰে নিম্ন খাপৰ। এই সামগ্ৰীবিলাক ৰাজহুৱাভাবে মিটিং পাতি বিতৰণ নকৰে। চাৰ্কিট হাউচত বিতৰণ কৰে। তাৰ গেট বন্ধ কৰি লয়। সেই বস্তুবিলাক একেবাৰে বেয়া বস্তু। এতিয়ালৈকে ৩-৪ বাৰ বস্তু দিছে কিন্তু মোক ট্ৰাইবেল এম. এল. এ. হিচাবে এবাৰো সেই বিতৰণ কৰা মিটিঙলৈ নিমন্ত্ৰন কৰা হোৱা নাই। তাত সদায় অসম গণ পৰিষদ চৰকাৰৰ ইন্টাৰেষ্টত বস্তু বিলাক দিয়া হয়। বড়ো ৰাভা বা টিৱাসকলৰ কথা মই নাজানো কিন্তু আমাৰ মিচিং সকলৰ ক্ষেত্ৰত মই দেখিবলৈ পাইছো তেখেতসকলে সদায় টকা বিলাক মিচইউজ কৰি আহিছে। সেই কাৰণে মই মাননীয়

মুখ্যমন্ত্ৰী মহোদয়ক কৈছো যাতে এইক্ষেত্ৰত আমাৰ যি বিলাক ওৱেলফেয়াৰ অফিচাৰ আছে সেই অফিচাৰসকল সদায় ট্ৰাইবেল অফিচাৰ নিযুক্তি দিব লাগে তেতিয়াহে তেওঁলোকে এচ চি বা এচ টি সকলক সমতাৰে চাব পাৰে। ট্ৰাইবেল লৰা-ছোৱালীবিলাকক যিবিলাক স্কলাৰচিপ দিয়া হয় সেইবিলাকৰ ক্ষেত্ৰতো বহুত খেলিমেলি দেখা যায়। কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা পইচা বিলাক থিকমতে দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু আমি দেখিবলৈ পাইছো যে কেন্দ্ৰীয় চৰকাৰৰ পৰা যি বিলাক টকা দিয়া হয় সেই বিলাক আমাৰ ৰাজ্য চৰকাৰে সময়মতে ড্ৰ কৰিব নোৱাৰে। ইয়াৰ পৰা সেই টকা আদায় কৰিবৰ কাৰণে চি এম যায়, চি এচ, যায় অন্যান্য অফিচাৰ সকল যায়। গতিকে আমাৰ অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ক্ষেত্ৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি মোৰ বক্তব্য সামৰণী মাৰিছো।

**Mr Chairman :** Now, I call upon, Shri Hamendra Nath Brahma to Speak.

**শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ** মাননীয় সভাপতি মহোদয়, ১৯৯৯-২০০০ চনৰ বাজেটৰ ২য় খণ্ডৰ ১৯ অংশৰ ১-৩৮ পৃষ্ঠাত থকা “অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী শিতানৰ ২৮ নম্বৰ মজুৰীৰ ... কৰা দাবীৰ ওপৰত মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থনত কিছু বক্তব্য ৰাখিব বিচাৰিছো।

মাননীয় সভাপতি মহোদয়, অনুসূচীত জনজাতি শিতানত যিটো ধন আবণ্টন দিয়া হয় তাত চৰকাৰৰ ফালৰ পৰা যথেষ্ট খেলিমেলি হোৱা পৰিলক্ষিত হৈছে। কাগজে পত্ৰে পোৱা যায় যে চৰকাৰৰ ফালৰ পৰা ইমান কোটি টকা মজুৰি দিলে। কিন্তু সভাপতি মহোদয়ৰ জৰিয়তে মই কব বিচাৰিছো যে ১৯৯৬-৯৭ চনত যিমান কোটি টকা মজুৰি দিয়া হৈছে, আজিলৈকে তাৰে আধা ৩ কোটি টকাহে মোকলাই দিছে। গতিকে বাকী টকা ক'ত গ'ল? ১৯৯৮-৯৯ চনৰ পৰা ১৯৯৯-২০০০ চনলৈকে এনেকুৱা যদি খেলি-মেলি হয় তেন্তে এ.টি.ডি. এ টকা নামত ধন নাৰাখি উঠাই দিয়াই ভাল। কাৰণ নিৰ্দ্ধাৰিত ধন সময়ত যদি স্কীমবোৰ নহয় আৰু তেনেকৈয়ে যদি খেলি-মেলি হৈ থাকে এ.টি.ডি. এৰ টকা নাৰাখিলে ভাল হয়। এ.টি.ডি.এ বহুতো কাম থাকে, বহুতো চিন্তা কৰিবৰ কথা থাকে। সেইকাৰণে এ.টি.ডি.ৰ চেয়াৰমেন হিচাবে মুখ্যমন্ত্ৰী মহোদয়ক অথৰিটি দিব নালাগে। কাৰণ তেখেতে সময় দিব নোৱাৰে। সেয়েহে মোৰ ফালৰ পৰা এটা পৰামৰ্শ দিব বিচাৰিছো ইনদিপেনডেণ্ট মোষ্ট চিনিয়ৰ ট্ৰাইবেল লোক এজনক অথৰিটি দিব লাগে। এচ. চি. ৰ ক্ষেত্ৰত ও তেনেকুৱাই দিয়া ভাল। ৩-৪ বছৰৰ আগৰ পৰা ষ্টেট প্লেনৰ পৰা টকা দিছিল। চেলাৰী আৰু

গাড়ী ভাল কৰিবৰ কাৰণে যিমান টকা খৰছ হয়, বিধায়কসকলে ৩ বছৰৰ পৰা উন্নয়নৰ নামত এপইচাও দিব পৰা নাই। এ.টি.ডি. এৰ পৰা টকা নি অন্য ঠাইত টকা দিছে। সেয়েহে এই গ্ৰেণ্টৰ ওপৰত মই কৰ্ত্তন প্ৰস্তাৱ আনিছো। ট্ৰাইবেল ডেভলপমেণ্ট কোৰপোৰেচনত ৮ কোটি ৪৯ লাখ টকা ১৯৯৬-৯৭ চনত মঞ্জুৰী দিয়া হৈছিল। তাৰে মাত্ৰ ৪ কোটি ৪৯ লাখ টকা মোকোলাই দিয়া হৈছে। বাকী টকা ক'ত গ'ল? স্পেচিয়েল চেণ্ট্ৰেলৰ টকা ডাইৰেক্টলি চেণ্টাৰৰ পৰা আহে। বছৰে বছৰে নতুন নতুন ধন আবণ্টন বা মঞ্জুৰী দিয়া হয় কিন্তু টকা দিয়া ক্ষেত্ৰত ১৯৯২ চনৰ পৰা আজিলৈকে ৩৫ কোটি টকা দিবলৈ বাকী আছে। এই টকা ক'ত গ'ল? ট্ৰাইবেল ডেভলপমেণ্টৰ নামত এই ব্যভিচাৰ চলে। সেইকাৰণে এটিডিএ টকা উঠাই দিব লাগে। আৰু কোৰপোৰেচনকো উঠাই দিব লাগে বুলি আমি বিবেচনা কৰিছো। সেই টকা ডেভলপমেণ্ট বা ট্ৰাইবেলৰ নামত অহা টকা বেলেগ বেলেগ ডিপাৰ্টমেণ্টক খৰছ কৰিবলৈ দিয়া হয় তেতিয়াহলে আমি কি কৰি আছো? মাননীয় সভাপতি মহোদয়, মই আৰু বেছি বহলাই বক্তব্য ৰখা নাই।

এতিয়া মই বড়ো অটোনমাচ কাউন্সিলৰ কথা কব বিচাৰিছো। বাজেটত যিমান ধন নিদ্ধাৰণ কৰা হয় সেই ধন প্লেন কাট কৰি বি.এ.চি.ৰ দিয়া হয়। বি.এ.চি. টকাৰ পৰা যি ধন খৰছ কৰিছে, তাত চৰকাৰৰ কোনো দায়িত্ব নাই সেয়া নহয় চৰকাৰৰ দায়িত্ব আছে। আপোনালোকে দেখিছে কাগজে পত্ৰে বি.এ.চি এলেকাৰ মানুহ বিলাকক আজিলৈকে ডেভলপমেণ্টৰ কাৰণে কৰবাত ৰাস্তা, পুখুৰী বা স্কুল ঘৰৰ কাৰণে চেংচন দিবলৈ টকা নাই। আমাৰ ভৰত নৰহ ডাঙৰীয়াই কৈ গৈছে আমি যিহেতু বিএচি এলেকাৰ মানুহ — টকা বা গ্ৰেণ্ট বঢ়াবৰ সময়ত আমাক ইনভলভ কৰা উচিত। কোনো ধৰণৰ গ্ৰেণ্ট বা স্কীমত আমাক ইনভল্ভ কৰা নহয়। সেইকাৰণে মাননীয় সভাপতি মহোদয়ে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক এই ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াইছো যাতে ভালদৰে চাই আৰু প্লেন কাট নকৰি উন্নয়নমূলক কাম কৰিছে নে নাই সেইটো তদন্ত কৰিব লাগে। বিভাগীয় মন্ত্ৰী বাইদেউৰ পৰা সন্তোষজনক উত্তৰ পালে অতি সোনকালে এই কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱা হব।

**Mr. Chairman :** I now request Hon'ble Member Shri Dileswar Tanti to speak.

**শ্ৰী দীলেশ্বৰ তাঁতী ঃ** মাননীয় চেয়াৰমেন মহোদয়, গ্ৰাণ্ট নং - ৩৮ ত ভৈয়াম জনজাতি আৰু পিছপৰা উন্নয়ন বিভাগৰ ওপৰত আমাৰ দলৰ পৰা ডাঙি ধৰা কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত দুষাৰ মান কবলৈ আগবাঢ়িছো। ইতিমধ্যে আমাৰ দলৰ ফালৰ পৰা মাননীয় বিধায়ক ভৰত নৰহ ডাঙৰীয়াই অসমৰ জনজাতি, অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণৰ কাৰণে চৰকাৰৰ ফালৰ পৰা

যিবিলাক উন্নয়ন মূলক কাম হাতত লব লাগে আৰু এই সম্পৰ্কত চৰকাৰৰ ভূমিকা কেনেধৰণৰ হব লাগে সেই সম্পৰ্কত বহলাই কৈ গৈছে। এইটো অৱশ্যে অতি দুখলগা কথা যে আমাৰ ভাৰতবৰ্ষৰ গণতান্ত্ৰিক চৰকাৰৰ বিলাকৰ এটা বিশেষ দায়িত্ব আছে যে অতি পিছপৰা জনজাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণৰ কাৰণে বিশেষ আঁচনি লোৱাৰ ব্যৱস্থা আছে আৰু অসমতো তেনে ধৰণে আছে। কিন্তু আমি যিটো দেখিছো যোৱা কেইবছৰ মান ধৰি আমাৰ চাহ জনজাতিৰ কল্যাণৰ কাৰণে যি এডভাইজৰী - কাউন্সিল সেইদৰে চিডুলকাষ্ট এডভাইজৰী কাউন্সিল আছিল কিন্তু আজি এই বিলাকৰ কাৰ্য্যকলাপ আমি সেইটো দেখা নাই। যোৱা ৩ বছৰ মান আগতে এই এডভাইজৰী কাউন্সিল বিলাক আছিল, কিন্তু তাৰ পাছত এই কাউন্সিলবিলাক গঠন হোৱা দেখা নাই। আগতে যেতিয়া এই কাউন্সিলবিলাক আছিল তেতিয়া সেই কাউন্সিলবিলাকৰ চেয়াৰমেন আছিল সংশ্লিষ্ট বিভাগৰ মন্ত্ৰী ডাঙৰীয়া। এই এডভাইজৰী কাউন্সিলবিলাকৰ বৈঠক বছৰত দুবাৰ বহিছিল, কিন্তু যোৱা দুবছৰমান ধৰি এই কাউন্সিল-বিলাক গঠন হোৱা নাই। গতিকেই ইয়াৰ পৰাই বুজিব পাৰি এই জনজাতি আৰু অনুসূচিত লোকসকলৰ প্ৰতি চৰকাৰৰ কিমান উদাসীনতা কিয়নো এই এডভাইজৰী কাউন্সিল বিলাকত আমাৰ সকলো দলৰ সদস্য থাকে আৰু এই সদস্যসকলে বিভিন্ন দিশত আলোচনা বিলোচনা কৰি অনুসূচিত জাতি-জনজাতি আৰু পিছপৰা লোকৰ উন্নয়ন আৰু বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰি পৰামৰ্শ আগবঢ়াব পাৰে। কিন্তু এই এডভাইজৰী কাউন্সিলবিলাক গঠন নোহোৱাৰ কাৰণে মাননীয় সদস্য সকলৰ পৰামৰ্শ আগবঢ়োৱাৰ ক্ষেত্ৰত স্কোপ নোহোৱা হ'ল। গতিকে আজি মই এই সুযোগতে বিভাগীয় মন্ত্ৰী মহোদয়ক অতি সোনকালে এডভাইজৰী- কাউন্সিলবিলাক গঠন কৰাৰ কাৰণে ব্যৱস্থা লবলৈ অনুৰোধ জনালো। ২য়তে মই কব বিচাৰিছো, জনজাতিৰ কথাই নহয়, পিছপৰা জনগোষ্ঠীৰ কথা কব বিচাৰিছো, আজি অসমত চাহবাগিছাৰ জনগোষ্ঠী প্ৰায় ৪০/৫০ লাখ মান আছে, বৃটিছৰ দিনতেই চাহবাগিছাৰ বিভিন্ন কামত সংস্থাপন কৰিবৰ কাৰণে অসমৰ বাহিৰৰ বিভিন্ন ৰাজ্যৰ পৰা যেনে অন্ধ্ৰপ্ৰদেশ, পশ্চিমবঙ্গ, উৰীষ্যা ইত্যাদি ৰাজ্যৰ পৰা এই জনগোষ্ঠীৰ লোক সকলক অনা হৈছিল আৰু লোকসকলৰ বেচি ভাগেই ট্ৰাইবেল মানুহ আছিল। এই মানুহখিনিক অসমৰ বাহিৰৰ ৰাজ্যবিলাকত জনজাতীয় বুলি স্বীকৃতি দিয়া হৈছে কিন্তু অসমত এইখিনি মানুহক জনজাতীয় হিচাবে স্বীকৃতি দিয়া নাই। অথচ এই মানুহখিনিয়েই অসমত একাধিক কাল বসবাস কৰি অসমীয়া হৈ পৰিছে। যি কি নহওক অসমৰ প্ৰাক্তন প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনতে এই জনগোষ্ঠীৰ লোকখিনিক জনজাতীয় হিচাবে স্বীকৃতি দিয়াৰ কাৰণে দাবী জনাই ৰিকোমেণ্ডেশ্যন কেন্দ্ৰলৈ প্ৰথম পঠিয়াইছিল আৰু ইয়াৰ লগতে অন্যান্য পিছপৰা

জনজাতি মটক, মৰাণ, আহোম, চুটিয়া, এই সকলকো জনজাতীয় হিচাবে স্বীকৃতি দিয়াৰ কাৰণে ৰিকোমেণ্ডেশ্যন পঠাইছিল।

এই চাহ জনগোষ্ঠীৰ প্ৰায় ৪০/৫০ লাখ মানুহে আজি ২০০ বছৰ মান ধৰি এই অসম ৰাজ্যত তেওঁলোকৰ কেবাপুৰুষ পাৰ কৰিলে আৰু অসম ভূমিকেই তেওঁলোকৰ মাতৃভূমি হিচাবে গ্ৰহণ কৰি লৈছে, এই মানুহখিনিৰ অৰ্থনৈতিক সামাজিক আৰু শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত যাতে আগবাঢ়ি যাব পাৰে তাৰ বাবে সকলোয়ে কামনা কৰে। কিন্তু কাৰ্য্যতঃ দেখা গৈছে এই মানুহখিনিক যিটো সাংবিধানিক অধিকাৰ দিব লাগিছিল তাৰ পৰা তেওঁলোক বঞ্চিত কৰাহে আছে আৰু সেইকাৰণে এই চাহজনগোষ্ঠীৰ মানুহ খিনিয়ে উপযুক্ত সহাৰি পোৱা নাই আৰু সেইকাৰণেই আজি চাহ-জনগোষ্ঠীৰ লোকৰ মাজত শিক্ষিত লোকৰ সংখ্যা কম আৰু সিদিনালৈকে চাহজনগোষ্ঠীত এ, চি, এচ কেডাৰৰ এজনো বিষয়া নাছিল সেইদৰে ডাক্তৰ বা ইঞ্জিনিয়াৰিং কেডাৰতো চাহজনগোষ্ঠীৰ লোক তাকৰ, এই পদাধিকাৰী লোক দেখিবলৈ নাই আনকি পুলিচ বাহিনীতো চাহ জনগোষ্ঠীৰ লোক অতি কম, কনিষ্টবল পদতো চাহ-জনগোষ্ঠীৰ লোক নাই বুলিয়েই কব পাৰি। অৱশ্যে এই চাহজনগোষ্ঠীৰ মানুহখিনিক কংগ্ৰেছ দলেই হওক বা অগপই হওক বা সকলো দলেই সহানুভুতিৰে চাই আৰু সকলোয়ে সমাদৰ কৰে। কিন্তু এই মানুখিনিয়ে সাংবিধানিক অধিকাৰ পোৱাত ৰাইজৰ যি ধৰণৰ আন্তৰিকতা থাকিব লাগে সেইটো নাই যেন অনুভৱ হয়। এই চাহজনগোষ্ঠীৰ লোক খিনিক শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত চাকৰি-বাকৰি ইত্যাদি পোৱাৰ ক্ষেত্ৰত যি ধৰণে আন্তৰিকতাৰে সহযোগ আগবঢ়াব লাগিছিল তেনে ধৰণে কৰা হোৱা নাই, তেওঁলোকে উপযুক্ত সুবিধাৰ পৰা বঞ্চিত হৈ আছে। আজি অসমত পিছপৰা মানুহ খিনিৰ চাকৰি-বাকৰি ইত্যাদি ক্ষেত্ৰত শতকৰা ১৫ ভাগ হৈ সুবিধা আছে আৰু এই সংৰক্ষনৰ ব্যৱস্থা হৈছিল আমাৰ প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দিনতে হৈছিল। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত মণ্ডল কমিশ্যনৰ ৰিপোৰ্ট মতে অ'বি'চিৰ কাৰণে শতকৰা ২৭ ভাগ ৰিজাৰ্ভেশ্যন আছে কিন্তু অসমত মাত্ৰ শতকৰা ১৫ ভাগহে ৰিজাৰ্ভেশ্যন আছে। গতিকে প্ৰকৃততে যদি এই মানুহখিনিৰ উন্নতিৰ কাৰণে কিবা কাম কৰিব বিচাৰে তেতিয়াহলে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য যেনে উৰীষ্যা, মধ্য প্ৰদেশ ইত্যাদি ৰাজ্যত যিটো শতকৰা ২৭ ভাগ চলি আছে অসমতো এই মানুহখিনিৰ প্ৰতি যদি শুভাকাংশী আৰু দৰদ আছে তেতিয়াহলে এই মানুহখিনিৰ কাৰণে বৰ্তমান যিটো শতকৰা ১৫ ভাগ সুবিধা আছে তাত আৰু শতকৰা ১২ ভাগ লগাই শতকৰা ২৭ ভাগ কৰিলেহে তেতিয়া বুজা যাব এই মানুহ খিনিৰ কাৰণে প্ৰকৃত আন্তৰিকতা আছে। আৰু তেতিয়াহে তেওঁলোক উন্নতি পথত আগুৱাই যাব পাৰিব। বৰ্ত্তমানৰ শতকৰা ১৫ ভাগত এই জনগোষ্ঠীৰ লোকখিনিয়ে কমপিট কৰিব নোৱাৰে কিয়নো আমাৰ পিচপৰা যিখিনি

আহোম চুটিয়া আৰু আন আন লোক আছে তেওঁলোকে গোটেই খিনি সুবিধা আদায় কৰি লৈ যায় ফলত চাহজনগোষ্ঠীৰ লোকখিনি বঞ্চিত হৈ যায়। গতিকেই এই জনগোষ্ঠীৰ লোক খিনিৰ কাৰণে সুকীয়াকৈ সংৰক্ষণ সুবিধা দি শতকৰা ২৭ ভাগ আগবঢ়ালে অন্তত কিছু পৰিমাণে আগবাঢ়ি যাব পাৰিব, নহ'লে অসমৰ এই জনগোষ্ঠীৰ ৪০/৫০ লাখ মানুহৰ এই লোক খিনিয়ে কোনো দিনেই অৰ্থনৈতিক ভাবেই বা সামাজিক ভাবেই হওক বা শিক্ষা-দীক্ষাৰ ফালৰ পৰা উদ্‌গতি সাধিব নোৱাৰিব। যদি সুকীয়া এটা ব্যৱস্থা কৰা নহয় তেতিয়াহ'লে চাহ জনজাতি লোক সকলৰ কল্যাণ সাধন নহ্ব। চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ ওচৰত চাহ জনগোষ্ঠীৰ লোক সকলক জনজাতিকৰণ কৰাৰ কাৰণে হয়তো ৪০/৫০ বছৰ পিচত ৰিকমেণ্ডেচনহে পঠিয়াইছে। কিন্তু ভাৰতবৰ্ষৰ পাৰ্লিয়ামেণ্টত কেতিয়া সেইটো হ্ব? যেতিয়া হয়তো হবলৈ ধৰিব তেতিয়া হয়তো ৰিজাৰভেচন ব্যৱস্থাই নোহোৱা হৈ যাব। কিয়নো ৰিজাৰভেচন স্থায়ী ব্যৱস্থা নহয়। সেই কাৰণে চাহ জনগোষ্ঠীৰ মানুহৰ কাৰণে শীঘ্ৰে সুকীয়া ব্যৱস্থা কৰিব লাগে। অন্যান্য বিভাগত চাহ জনগোষ্ঠীৰ লোক সকলৰ চাকৰি বাকৰি হোৱা নাই। অৱশ্যে শিক্ষা বিভাগত ৪০/৫০ টা মান শিক্ষকৰ চাকৰি তিনচুকীয়া জিলাত চাহ জনগোষ্ঠীৰ লোকে পাইছে। মোৰ সমষ্টি ডুমডুমা এটা চাহ জনজাতি বসতি প্ৰধান অঞ্চল। কিন্তু তাত এইবছৰ মাত্ৰ এজন লৰাই প্ৰাথমিক শিক্ষকৰ চাকৰি পাইছে। ডুমডুমা নিচিনা ঠাইতেই যদি এজন লৰাই চাকৰি পাইছে তেতিয়াহ'লে গোটেই অসমত চাহ জনজাতিৰ কিমান জন লোকে এই বছৰ চাকৰি পাইছে? এনেধৰণে চাহ জনজাতিৰ মানুহে কোনো দিনেই চাকৰি নাপাব। সেই কাৰণে আগৰ চৰকাৰে পপুলেচন পেটাৰ্ণৰ যিটো পলিচি সেইটো যাতে ৰিজাৰভেচন ব্যৱস্থা কৰিব নোৱাৰালৈকে কাৰ্যকৰী কৰিলে চাহ জনগোষ্ঠীৰ মানুহে চাকৰি-বাকৰি পোৱাত সহায় হ'ব। সেইটো কৰাৰ কাৰণে মই অনুৰোধ জনাইছো। ইয়াৰ উপৰিও চাহ জনজাতিৰ ৪০/৫০ লাখ মানুহৰ কল্যাণৰ কাৰণে আজি বিশেষ আচনি লোৱাৰ প্ৰয়োজন আছে। সেই কথাটো আমি সকলোৱে উপলব্ধি কৰিব লাগিব আৰু চৰকাৰেও কৰিছে। ১৯৮৪ চনত আমাৰ প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই চাহ জনগোষ্ঠীৰ কল্যাণৰ কাৰণে ডাইৰেক্টৰেট অৱ ওৱেলফেয়াৰ টি এণ্ড এক্স টি গাৰ্ডেন নামেৰে এটা সঞ্চালকালয় গঠন কৰিছিল যাতে এই সঞ্চালকালয়ৰ যোগেদি চাহ বাগিচাৰ জনগোষ্ঠীৰ কাৰণে কিছুমান অৰ্থনৈতিক আৰু কল্যাণ মূলক আচনি ৰূপায়ণ কৰিব পৰা যায়। এই সঞ্চালকালয়ৰ যোগেদি প্ৰাথমিক, মজলীয়া আৰু হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী সকলক সামান্য জলপানী দিয়াৰ ব্যৱস্থা আছে। অনুসূচীত জনজাতিৰ লোক সকলৰ কাৰণে যিমান কল্যাণমূলক আচনি আছে ঠিক তেনেদৰে আমাৰ চাহ জনগোষ্ঠীৰ লোক সকলৰ কাৰণে বিশেষকৈ শিক্ষিত নিবনুৱা লোক সকলৰ কাৰণেও

তেনেকুৱা আচনি নাই। কিয়নো আমাৰ গোটেই চাহ জনগোষ্ঠীৰ কল্যাণমূলক আচনি বিলাকৰ কাৰণে মাত্ৰ ১ কোটি মান টকাহে ধৰা হৈছে। অৱশ্যে এতিয়া তাতকৈ অলপ বেচি টকা ধৰা হৈছে। কিন্তু তাৰ ভিতৰত এডমিনিষ্ট্ৰেটিভ এক্সপেণ্ডিচাৰেই খৰচ হয় ৩০ লাখ মান টকা। গতিকে বাকিথকা এইখিনি টকাৰে চাহ জনগোষ্ঠীৰ গোটেই লোক সকলৰ কিমান কল্যাণ সাধন কৰিব পৰা হৈছে? কাৰণ এই টকা যথেষ্ট নগন্য। আজি এতিয়া গ্ৰাণ্ট নম্বৰ ৩৮ ত এচ, চি, এচ, টি আৰু আডাৰ বেকৱাৰ্ড ক্লাচৰ গোটেই জনগোষ্ঠীৰ কাৰণে প্ৰায় ৭৬ কোটি টকা বিচৰা হৈছে। এই ৭৬ কোটিৰ টকাৰ ভিতৰত চাহ জনগোষ্ঠীৰ লোক সকলৰ কাৰণে মাত্ৰ ২ কোটি মান টকাহে ধৰা হৈছে। কিন্তু ৪০/৫০ লাখ মানুহৰ মাত্ৰ ২ কোটি টকাৰে কেনেধৰণে কল্যাণ সাধন কৰা হ'ব? সেইটো মাত্ৰ এপাচি শাকত এটা জালুক দিয়াৰ নিচিনাহে হ'ব। এইটো ক্ৰোকোডাইল টিয়াৰ্চ বুলিয়েই ক'ব পাৰি। যদি চাহ জনগোষ্ঠীৰ মানুহ খিনিক অৰ্থনৈতিক ভাবে আগবঢ়াই নিয়াতো বিচাৰে তেতিয়াহলে তুলনামূলক হিচাবে এই টকাতো অন্ততঃ ১০ কোটি মান টকা হব লাগে। তেতিয়াহে হয়তো এই চাহ জনগোষ্ঠীৰ মানুহৰ কাৰণে গঠনমূলক কিবা এটা কাম কৰিব পৰা যাব। নহলে এইটো নামত এটা আভুৱা ভৰা কথাহে হৈছে। অসম বিধান সভাত প্ৰত্যেক বছৰে বিভিন্ন বিভাগৰ বাজেটত কোটি কোটি গ্ৰেণ্ট পাচ কৰা হয়। কিন্তু এই বিলাক টকাৰে চাহ জনগোষ্ঠীৰ মানুহৰ কি কল্যাণ সাধন কৰা হৈছে। চাহ জনগোষ্ঠীৰ লোক সকলৰ কাৰণে ৰাষ্টা-পদুলী, স্কুলঘৰ, হস্পিতাল আদি বাগিচা কৰ্তৃপক্ষই দিয়ে। তেতিয়াহলে আমাৰ চৰকাৰে কি দিয়ে। চৰকাৰেতো একো নিদিয়ে। চাহ বাগিচাৰ পৰা চৰকাৰে টেক্সহে পাইছে। তুলনামূলক হিচাবে চাহ বাগিচাৰ মানুহক একো নিদিয়ে। মাত্ৰ কল্যাণ বিভাগতহে কিছু দিয়া হয়। শ্ৰমিক কল্যাণ বিভাগৰো অৱস্থা বেয়া হৈ গৈছে। এখন গাড়ী নাই, টেলিফোন নাই। এটা মোষ্ট নেগলেকটেড ডিপাৰ্টমেণ্ট। চাহ জনগোষ্ঠীৰ লোক সকলৰ কাৰণে কিবা যদি কল্যাণ সাধন কৰিবলগীয়া হয় তেতিয়াহলে ডাইৰেক্টৰেট অৱ ওৱেলফেয়াৰ টি এণ্ড এক্স টি গাৰ্ডেন সঞ্চালকালয় যিটো আছে সেইটো শক্তিশালী কৰি তুলিব লাগিব। তেতিয়াহে চাহ জনগোষ্ঠীৰ লোক সকলৰ কাৰণে কিবা এটা কৰিব পৰা যাব। আৰু এটা কথা মই কব বিচাৰিছো। সেইটো হৈছে চাহ জনগোষ্ঠীৰ লোক সকলৰ কল্যাণৰ কাৰণে গুৱাহাটীত ৰেষ্ট হাউচ কাম কালচাৰেল হ'ল বনোৱাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছিল। আৰু তাৰ কাৰণে ১৯৯৫-৯৬ চনত ৫ লাখ টকাও দিয়া হৈছিল। প্ৰতি বছৰে ৫ লাখকৈ টকা দিব লাগিছিল। বিগত সময় চোৱাত এই টকা বিলাক ধৰা নহ'ল। যাৰ কাৰণে এই হ'লতো আজিলৈকে হৈ নুঠিল। গতিকে এই চৰকাৰৰ দিনত এইটো যাতে হয় তাৰ কাৰণে যত্ন কৰিব লাগে। এই হ'লতো হলে অসমৰ বিভিন্ন ঠাইৰ

পৰা বিভিন্ন চাহ জনগোষ্ঠীৰ লোকে বিভিন্ন কামত গুৱাহাটীলৈ আহি হোটেলত থাকি যি হাৰাশাস্তি খাবলগীয়া হয় তাৰ পৰা ৰক্ষা পাব। আৰু কালচাৰ হ'লতো হলে চাহ জনগোষ্ঠীৰ বিভিন্ন সাংস্কৃতিক দিশ প্ৰতিফলিত কৰিব পৰা যাব। চাহ জনগোষ্ঠীৰ লোক সকলৰ প্ৰকৃত কল্যাণৰ অৰ্থে কিছুমান আচনি লোৱাৰ প্ৰয়োজন আছে আৰু সেই ক্ষেত্ৰত বেচিকৈ টকা ধৰিব লাগে বুলি আমি উপলব্ধি কৰিছো। গতিকে এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr Chairman** : Now, I request Hon'ble Member Shri Derhagra Mochahary to speak on the cut-motion.

❋ **শ্ৰী ডেৰহাগ্ৰা মুছাহাৰী** ঃ মাননীয় সভাপতি মহোদয়, ডব্লিউ, পি, টি ডিপাৰ্টমেণ্টৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দু-আষাৰ কব বিচাৰিছো। আমি দেখি আহিছো, অতি পূৰ্ব্বৰে পৰা জনজাতি সকলৰ কাৰণে বিভিন্ন দিশত, উন্নতিৰ কাৰণে নিৰাপত্তাৰ কাৰণে উন্নতিৰ কাৰণে বিভিন্ন শিতানত অৰ্থনৈতিক ভাৱে বহু টকা ধৰা হয় কিন্তু সেই বিলাক টকা কেনেকৈ ব্যৱহাৰ কৰা হয় জনজাতি লোক সকলে দেখি আহিছে। চাকৰিৰ ক্ষেত্ৰত হওক, জীৱনৰ নিৰাপত্তাৰ ক্ষেত্ৰত হওক সামাজিক জীৱন জাপনত হওক, আৰ্থিক দিশত হওক চৰকাৰৰ পৰা ধন আবণ্টন কৰা হয় ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক মঞ্জুৰী হওক জনজাতি সকলক বিদেশী মনোভাৱেৰে চোৱা হয়। অসমৰ চুকে কোনে কিমান জনজাতি পৰি আছে তেওঁলোকে জনজাতি লিষ্টত নাহে আৰু অজনজাতি বুলিও গন্য কৰা নহয়। বৰাক ভেলিত তেনে লোক বহুত আছে। তিৰাস্ক অঞ্চলৰ নামনিতো জনজাতি লোক সকল আছে। কিন্তু চৰকাৰৰ চকুৰ পৰা বহুত আতৰত। তেওঁলোকে কোনো দিশতেই চৰকাৰ পৰা সহায় সহযোগ পোৱা নাই। এই অসমত ভূ-খণ্ডৰ ভিতৰতে কাউন্সিল কিছুমান কৰি দিয়া হৈছে। মিচিং, বড়ো, লালং, ৰাভা হাচং। সেই সকল জনজাতিক পূৰ্ণান্দ্ব অঞ্চলত গাঠনী কৰি দিয়া হৈছে। সুচাৰুৰূপে ধন আৱণ্টন পাব লাগিছিল সেই ধন পাইছে জানো? সেইটোৱেই চিন্তাৰ বিষয় হৈছে। টকা বিলাক কি হয়?

(কোৰাম নাই —— সদনত)

বাকী বিলাক অটোনোমাচ কাউন্সিলৰ কথা মই ভাল দৰে নাজানো। গতিকে মই বিশেষকৈ বড়ো অটোনোমাচ কাউন্সিলৰ কথাকে কও। এই কাউন্সিলৰ বাবদ যিমান টকা ধৰা হয় সিমান টকা পোৱা হোৱা নাই। প্লেন কাট প্ৰত্যেক বছৰে নোহোৱাকৈ

❋ Speech not corrected

নাথাকে। এটা কাউন্সিলৰ উন্নয়ণৰ কাৰণে যিমান টকা দিয়া হয় সেই টকা সম্পূৰ্ণ কৈ কেতিয়াও মুকলি কৰি দিয়া নাই। কিন্তু বদনাম হৈছে যে কাউন্সিলৰ টকাটো অপব্যৱহাৰ হৈছে। কিন্তু চৰকাৰৰ ফালৰ পৰা কিমান টকা দিয়া হৈছে। টকা দিয়া হোৱা নাই। আজি সেই বিলাক কথা বিবেচনাৰ বাহিৰত। ইয়াৰ ফলত বড়ো অটোনোমাচ কাউন্সিলৰ ১৯৯৩ চনৰ পৰা কাম হৈ উঠা নাই। ইয়াৰ উপৰিও মই কব খুজিছো যে স্পেচিয়েল এচিচটেন্স হিচাবে চেণ্ট্ৰেল গৰ্মেণ্টৰ পৰা যিটো টকা আহে সেইটো অসম চৰকাৰৰ পৰা নহয়। জনজাতি সকলৰ বাবে বিশেষভাৱে এই টকাটো দিয়া হয়। কেন্দ্ৰীয় চৰকাৰৰ পৰা টকাটো আনি অসম চৰকাৰৰ ভৰালত সুমুৱাই ৰাখে। সেই সুমুৱাই থোৱা ধন কিমান ভাগ কাৰ হাতত যায় সেইটো উলিয়াব নোৱাৰি। প্ৰকৃততে কেন্দ্ৰীয় চৰকাৰে জনজাতীয় সকলৰ কাৰণে যিমান ধন জনজাতি সকলৰ উন্নয়ণৰ কাৰণে দিয়ে সেই ধন দাইৰেক্টলি বিভাগক জনজাতি সকলৰ আচনি ইমপ্লিমেণ্টেচনৰ কাৰণে দিব দিয়ে বাবে উন্নয়নৰ কাম বিলাক ঠিক মতে হৈ থাকে। সেইটো নকৰা বাবে জনজাতিৰ উন্নয়নৰ টকা অপব্যৱহাৰৰ বদনাম পাইছে। আজিলৈকে জনজাতিৰ উন্নয়নৰ নামত যিমান ধন দিয়া হৈছে সেইবিলাক কাৰ বাবদ খৰছ কৰা হৈছে সেই কথা আজিলৈ বিচাৰ হোৱা নাই। জনজাতিৰ ল'ৰা-ছোৱালীৰ কাৰণে কলেজ, স্কুলত স্কলাৰস্বিপ দিয়া হয় কিতাপ কিনিবলৈ টকা দিয়া হয় কিন্তু আজি বহু বছৰৰ পৰা সেই বিলাক বন্ধ হৈ আছে। অভিভাৱকসকলেও দিব বুলি আশা কৰি বহি আছে। যিহেতুকে দিয়াৰ এটা নিয়ম আছে। ফলত সকলো ফালৰ পৰা উন্নতিৰ পথত বাধা হৈ আছে।

মাননীয় অধ্যক্ষ মহোদয়, যাৰ ফলত জন-জাতিৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক সকলে মনত তেনে ধৰণৰ ভাৱ পোষণ কৰিবলৈ বাধ্য হৈছে। এই কথাটো চিন্তা কৰিব লাগিব। মই আৰু এটা বিষয়ে কব খুজিছো, সেইটো হৈছে আমি নেচনেল কমিচনত আলোচনা কৰিছিলো। সংকোচ নদীৰ পৰা ভৈৰৱকুণ্ডলৈ ভাৰত, ভুটান যিটো সীমান্ত অঞ্চল সেইটো জন-জাতি প্ৰধান বসতি অঞ্চল। সেই অঞ্চলৰ লোকসকলে ইতিপূৰ্বৰ পৰাই আজিলৈকে ভুটান চৰকাৰক খাজনা দি পেলাই খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। এই বিষয়টো ১৯৯২ চনৰ পৰাই মই বিধান সভাৰ মজিয়াত কৈ আহিছো। যদি অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰ আৰু ভুটান চৰকাৰৰ লগত আলোচনা কৰি এই সমস্যাটো সমাধান কৰি দিব লাগে। আৰু এই বিষয়টো দিল্লীৰ নেচনেল কমিচনতো ব্যক্ত কৰা হৈছে। বিধান সভাতো কেবাবাৰো কৈছো। আজি জনজাতিৰ লোকসকলে জলসিঞ্চনৰ কাৰণে প্ৰত্যেক বছৰে টকা ভৰি আছে। খেতি পথাৰত টকা খৰচ কৰি আনৰ পৰা পানী আনি খেতি কৰিছে। অসমৰ নাগৰিক

হোৱা স্বত্বেও এই লোকসকল জনজাতিৰ হোৱাৰ কাৰণে তেনেধৰণৰ উন্নতি পৰিলক্ষিত হোৱা নাই। এই বিষয়টো অসম চৰকাৰৰ দায়িত্বৰ ভিতৰত নপৰে নেকি? বিভিন্ন গাওঁ ভূঁইৰ জনজাতি বসতি প্ৰধান অঞ্চল বিলাকৰ এই লোক সকলে নদ-নদীৰ গড়াখহনীয়াৰ পৰা নিৰাপত্তা পাবৰ কাৰণে অসমৰ চুকে কোনে বিভিন্ন ঠাইলৈ আহিবলগীয়া হৈছে। কিন্তু তেওঁলোকে তেওঁলোকক প্ৰতিনিধিত্ব কৰিবৰ কাৰণে উপযুক্ত প্ৰতিনিধি অসম বিধান সভালৈ নিৰ্বাচনত নিৰ্বাচিত কৰি পঠিয়াইছে। ইয়াত চৰকাৰ গঠন হৈছে। এই সকলৰ আজি কি অৱস্থা হৈছে। আজি নাগালেণ্ড, অৰুনাচল সীমান্তত যিসকল জনজাতি লোকে বিভিন্ন ঠাইত বসতি কৰিছে, তেওঁলোকৰ নিৰাপত্তাৰ ব্যৱস্থা, সামাজিক ব্যৱস্থা, জীৱনৰ জীয়াই থকাৰ যিখিনি সম্বল লাগে চৰকাৰৰ ফালৰ পৰা যোগান ধৰা নাই। নাগালেণ্ড সীমান্তত আজি উত্তপ্ত হৈ আছে। অৰুনাচল প্ৰদেশৰ সীমান্তত বলপূৰ্বক ভাবে দখল কৰিছে। অসম চৰকাৰৰ ১৯৫২ চনৰ হিচাপ মতে ১৯ লাখ ৩৬ হাজাৰ বিঘা আছিল এতিয়া ১২ লাখ বিঘা হ'ল। ট্ৰাইবেল বেণ্টৰ মাটিৰ হিচাপ কমি যাবলগীয়া হ'ল কেনেকৈ? সেই অঞ্চল বিলাকত জনজাতিৰ লোকসকলে বাস কৰে। এই সকলৰ নিৰাপত্তাৰ কাৰণে আলোচনা কৰা হৈছিল। এক, দুই বছৰ আগতে সেই সময়ৰ ডব্লিউ, পি,টী আৰু ষ্টেট ৰেভিনিউ মন্ত্ৰীৰ লগত এই সম্পৰ্কত আলোচনা কৰা হৈছিল। জনজাতিৰ লোকসকলে যিবিলাক বসবাস কৰি আহিছে তেওঁলোকক উচ্ছেদ কৰিব নালাগে। কিন্তু আজিলৈ কৈ এই উচ্ছেদ হৈ আছে। ৰাতি বাৰ বজাতো তেওঁলোকক উচ্ছেদ কৰা হৈছে। তেওঁলোকে মানুহ হিচাপে জীয়াই থকাৰ বিষয়টো চিন্তা কৰা নাই। আজি জয় জাতি সকলক যদি, বিভিন্ন জন গোষ্ঠীক মানৱ জাতিৰ সমান স্তৰত বিবেচনা কৰিব নোৱাৰে, তেতিয়াহলে আমি দেশৰ কেতিয়াও মঙ্গল চিন্তা কৰিব নোৱাৰো সেই কাৰণে মই কব খুজিছো অসমখন যি ধৰণৰ ৰঙা ফুলৰ বাগিচা, বিভিন্ন ৰঙেৰে ফুলি বাগিচা সেই বাগিচাখনক সমানে যত্ন লব লাগিব। কিছুমানক ভালকৈ যত্ন লব আৰু কিছুমানক নলব, তেতিয়া উন্নতি নহয়। যাৰ ফলত আজি অসম উত্তপ্ত হৈছে। অগ্নিগৰ্ভা হৈছে। সেইবোৰৰ শান্তি আনিব লাগিলে বিভিন্ন জনগোষ্ঠীৰ মানুহ বিলাকক আন্তৰিকতাৰে গঢ় দিব লাগিব সৰু-ডাঙৰ, জনজাতি, অ-জনজাতি সকলোৰে সমান ভিত্তিত মঙ্গল বিচাৰিব লাগিব। চৰকাৰৰ যিটো শাসন ব্যৱস্থা সেইটো সমান হব লাগে। এইখিনিকৈ কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Chairman:** Now, I call upon Hon'ble Member, Smti Hemoprava Saikia to speak on the cut motion.

❋ শ্ৰীমতী হেমপ্ৰভা শইকীয়া ঃ সভাপতি মহোদয়, আমাৰ দলৰ ফালৰ পৰা এছ,টি, এছ,চি, অ,বি,চিৰ কল্যাণৰ কাৰণে যি ধন আৱণ্টন কৰা হৈছে সেই ধনৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আমাৰ দলে যি ধৰণে আনিছে সেই প্ৰস্তাশৰৰ সমৰ্থন কৰি মই দুআষাৰ কবলৈ ওলাইছো। প্ৰকৃততে কৰ্ত্তন প্ৰস্তাৱত সমৰ্থন জনাবলগীয়াটো দুৰ্ভাগ্যজনক কথা। কিন্তু কথা হৈছে যিখিনি টকা আৱণ্টন কৰা হয় সেই ধৰণে সেই টকাখিনিৰ সদব্যৱহাৰ আমি দেখিবলৈ নাপাও। সেই কাৰণে এই কৰ্তন প্ৰস্তাৱত সমৰ্থন জনাবলগীয়া হৈছে। আমি দেখিছো যদিও এছ,চি,. এছ,টি আৰু ও,বি,চি অঞ্চলৰ লোকসকলৰ কাৰণে ধন ধৰা হৈছে কিন্তু সেই অনুপাতে সেই অঞ্চল বিলাকত উন্নতিমূলক কাম হোৱা নাই। অনুসূচীত জাতি ,অনুসূচিত জনজাতি আৰু অন্যান্য পিছ পৰা সম্প্ৰদায়ৰ লোকৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৃত্তিৰ টকা যিধৰণে দিব লাগে সেই বৃত্তিৰ টকা ছাত্ৰ-ছাত্ৰী সকলে পোৱা নাই।

শিক্ষাই হৈছে এটা জাতিৰ উন্নতিৰ সোপান। আৰু শিক্ষা গ্ৰহণৰ কাৰণে যদি এই লোকসকলক উপযুক্ত সুবিধা দিব নোৱাৰে তেতিয়া হলে জাতিৰ উন্নতি কামনা কৰা উচিত নহব। আমাৰ সাধাৰণতে এচ.চি, এচ.টি. আৰু অ'.বি.চি. এই লোকসকল পিছ পৰা জাতিৰ লোক। এইসকলক যেতিয়ালৈকে উন্নতিৰ জখলাৰে আগুৱাই নিব নোৱাৰো তেতিয়ালৈকে এখন দেশৰ উন্নতি কৰাতো সম্পূৰ্ণ অলীক কল্পনা বুলি ভাবিবলৈ বাধ্য হৈছো। এজন মানুহ আগুৱাই যাব পাৰে। তেওঁৰ লগৰীয়া বিলাক যদি পিছুৱাই থাকে তেওঁও পিছুৱাই যাব। সমাজৰ কেইজনমানে কেৱল আগবাঢ়ি গলে এচ,চি, এচ,টি বা এটা জাতিৰ উন্নতি হৈছে বুলি ধৰিব নোৱাৰি। এখন ৰাজ্যৰ উন্নতি হবলৈ হলে সেই ৰাজ্যৰ সকলো জাতি, জন জাতি সকলোৰে সমানে আগবাঢ়ি যাব লাগিব। তেতিয়া সমাজৰ, ৰাজ্যখনৰ উন্নতি সম্ভৱ হ'ব। কিন্তু দেখা গৈছে এছ.চি., এছ.টি. আৰু অ'.বি.চি.ৰ যিসকল লোক সেইসকলৰ উন্নতিৰ কাৰণে পৰিকল্পনাত ধন ধৰা হৈছে যদিও সেই পৰিকল্পনাৰ ধন যিধৰণে পাব লাগে বহুক্ষেত্ৰতত সেই ধৰণে নাপায়। আমাৰ কেইজনমান সদস্যই ইতিমধ্যে অভিযোগ কৰি কৈছে যে এছ,চি, এছ,টিৰ কাৰণে ৰিক্সা, ঠেলা, মেচিন আদি যিবিলাক সামগ্ৰী যোগান ধৰা হয়, সেই সামগ্ৰীবোৰৰ মানদণ্ড নিম্নস্তৰৰ। যদি টকাৰ সদব্যৱহাৰ কৰা নহয়, তেতিয়া হলে উন্নতি কেতিয়াও হব নোৱাৰে। আমাৰ ৰাজ্যখনত অ',বি,চি বুলি কওঁতে ২৪টা জাতি বা জন জাতি বা সম্প্ৰদায় অন্তৰ্ভুক্ত। এই ২৪টা সম্প্ৰদায়ৰ জনসংখ্যা ৰাজ্যখনৰ সমগ্ৰ জনসংখ্যাৰ শতকৰা ৫০ ভাগৰো অধিক। গতিকে এতিয়াও ৫০ শতাংশ লোক অনগ্ৰসৰ হৈ আছে। প্ৰকৃততে যদি ৰাজ্যখনৰ উন্নতি আমি বিচাৰো

❋ Speech not corrected

এইসকল লোককো আমি সমানে আগবঢ়াই নিব লাগিব। কিন্তু আমি কি কৰিছো। মণ্ডল কমিচনৰ মতে শতকৰা ২৭ ভাগ অ',বি,চি লোকসকলৰ কাৰণে চাকৰি বা অন্যান্য সা-সুবিধা সংৰক্ষণ হ'ব লাগে। কিন্তু আমি শতকৰা ২৭ ভাগ দিছো নেকি?

সভাপতি মহোদয়, এই ৰাজ্যখনৰ ২৪টা সম্প্ৰদায়ৰ জনসংখ্যাৰ প্ৰায় ৫০ শতাংশ লোকেই অনগ্ৰসৰ হৈ আছে। ৰাজ্যখনৰ প্ৰকৃত উন্নতি কৰিবলৈ হলে সকলোকে সমানে আগুৱাই নিব লাগিব। কিন্তু আমি কি কৰিছো? মণ্ডল কমিচনৰ মতে অ',বি,চি লোক সকলৰ বাবে ২৭ শতাংশ চাকৰি বা অন্যান্য সা-সুবিধা সংৰংক্ষত হ্ব লাগে ৰিজাৰ্ভেচন হ্ব লাগে। কিন্তু ২৭ শতাংশ দিয়া হোৱা নাই। মাননীয় সদস্য তাঁতী ডাঙৰীয়াই কৈছে যে পূৰ্ব্বৰ চৰকাৰে এই অ,বি,চি লোক সকলৰ উন্নতিৰ কাৰণে ৯৫ শতাংশ ৰিজাৰ্ভেচন কৰাৰ এটা আইন কৰিছিল। কিন্তু ২৭ শতাংশ কিয় বিচৰা নহল। এইটো ৫০ শতাংশৰো অধিক বিচৰা উচিত আছিল। মেদিকেল কলেজৰ চিট বিতৰাৰ সময়ত দেখা যায় যে , অ',বি,চিৰ যিটো কোটা পাব লাগে তাত খেলিমেলি কৰা হয়। অ,বি,চিৰ যিসকল মেধাবী ছাত্ৰ-ছাত্ৰী আছে তেওঁলোকে জেনেৰেল কোটাত পাব লাগে। কিন্তু অ,বি,চিক বিমুখ কৰাৰ বাবে অধিকাংশ মেধাবী ছাত্ৰ-ছাত্ৰীক অ,বি,চি লিষ্টত ভৰাই দিয়ে। অ,বি,চিৰ যিসকল প্ৰতিপত্তি শীল মানুহ আছে, বিজ্ঞান মানুহ আছে সেই সকল ক্ৰিমিলেয়াৰত পৰে। সকলোৰে ভিতৰত এইটো আছে। গতিকে অ,বি,চি প্ৰাৰ্থী হিচাবে আবেদন কৰিবলৈ হলে ক্ৰিমিলেয়াৰৰ চাৰ্টিফিকেট দিব লাগে। সাধাৰণ চাকৰিৰ প্ৰাৰ্থী এজনে চাৰ্টিফিকেট বিচাৰি বহু টকা খৰচ কৰিব লাগে। দি,চি/এচ,চি,অ'ৰ দুৱাৰে দুৱাৰে ঘুৰি ফুৰিব লাগে। অসমৰ এটা প্ৰান্তৰৰ পৰা আন এটা প্ৰান্তৰলৈ আহিব লাগে। এইবিলাক কথা চৰকাৰে চিন্তা কৰিব লাগে। আমাৰ পূৰ্ব্বৰ চৰকাৰে টাই ভাষাক স্বীকৃতি দি কৈছিল যে, টাই ভাষাৰ ২০০ জন লেংগুৱেজ শিক্ষকক নিযুক্তি দিব। ১০০ জন নিযুক্তি দিয়া হ্ল ১০০জন এতিয়াও বাকী আছে। আমাৰ দল বদলিব পাৰে কিন্তু চৰকাৰটো এটা ধাৰাবাহিক ব্যৱস্থা। আজি ৩ বছৰে সেই লোকসকলক নিযুক্তি দিয়াৰ ব্যৱস্থা হোৱা নাই। সময় নোহোৱাৰ বাবে পূৰ্ব্বৰ চৰকাৰে ১০০ জনক নিযুক্তি দিব নোৱাৰিলে। পিচপৰা লোক সকলক আগুৱাই নিয়াৰ বাবে যদি চৰকাৰৰ আন্তৰিকতা আছে, মনোতাৱ আছে তেনেহলে কামবিলাক কৰিব লাগে। সকলো শ্ৰেণীৰ, সকলো জাতিৰ লোকক সমানে আগুৱাই নিব নোৱাৰিলে এখন ৰাজ্যৰ উন্নতি হ্ব নোৱাৰে। আজি কোচ ৰাজবংশী, চাহ মজদুৰ সকল, আহোম, চুতীয়া আদি সকলোৱে দাবী তুলিছে ট্ৰাইবেল লিষ্টত অৰ্ন্তভুক্ত কৰিব লাগে। বহুতে কব যি আহোমে ৬০০ বছৰ ৰাজত্ব কৰিছিল সেই সকলক ট্ৰাইবেল লিষ্টত কিয় অৰ্ন্তভুক্ত কৰাব লাগে? কোন বিলাক ট্ৰাইবেল

সেই সম্পৰ্কত সংবিধানত কিছুমান কথা লিখা হৈ আছে। সেই সকল লোকক এচ,চি/এচ,টি/অ,বি,চি বুলি ধৰা হয়। আহোম, চুতীয়া, কোচৰাজবংশী, চাহ মজদুৰ আদিয়ে যি দাবী তুলিছে সেই দাবী পূৰ্বৰ চৰকাৰে উপলব্ধি কৰিছিল সেই দাবী পৰিপূৰ্ণ কৰাৰ কাৰণে চিন্তা কৰিছিল। বৰ্ত্তমানৰ চৰকাৰখনে সম্পূৰ্ণ উদাসীনতা এই ক্ষেত্ৰত অৱলম্বন কৰিছে। মাননীয় সদস্য দেৱহাগ্ৰা ডাঙৰীয়াই কৈছে যে, অসমৰ অসমীয়া মানুহে আজি খেতিবাতি আদি কৰাৰ কাৰণে আন প্ৰদেশৰ লগত যোগাযোগ কৰিবলগা হৈছে। আজি এক্সট্ৰিমিষ্টৰ কথা আহি পৰিছে। চৰকাৰৰ উদাসীনতাৰ বাবেই হৈছে। তাৰ কাৰণে আজি অৰ্থনৈতিক সমস্যা ৰাজনৈতিক সমস্যা হৈছে। এই সুবিধা চৰকাৰে যাতে ভবিষ্যতে নিদিয়ে আৰু বিছিন্ন হোৱাৰ সুবিধা নিদিয়ে তাৰ কাৰণে চাব লাগে। আমি সতৰ্ক হ'ব লাগে। সম্পূৰ্ণ এক ভিন্ন মনোভাৱ লৈ কাম কৰিব লাগিব। আজি এ,জি,পি চৰকাৰ আছে। তেওঁলোকে আন দলৰ মানুহৰ বাবেও চিন্তা কৰিব লাগিব। আজি দেখা গৈছে আন দলৰ মানুহে ঠিকা আদিত সুবিধা নাপায়। আজি যি সকল মন্ত্ৰী হৈ আছে চৰকাৰ চলাইছে তেওঁলোকে এক শ্ৰেণী মানুহৰ বাবেই নহয় সকলোৰে বাবে চিন্তা কৰিব লাগিব। অসমত বাস কৰা সকলোৰে বাবে জন জাতিৰ বাবে সকলো মানুহৰ বাবে এইখন চৰকাৰ। গতিকে চৰকাৰে চিন্তা কৰিব লাগিব।

গতিকে অসমৰ প্ৰকৃত দুখীয়া আৰু প্ৰকৃত নাগৰিক সকলৰ কাৰণে কাম কৰা উচিত। ইয়াৰোপৰি আৰু কেইটামান কথা হ'ল যে - আজি অসমৰ জনজাতি সকলো যেতিয়াই ডিপ্ৰাইভ হোৱাবুলি উপলব্ধি কৰি তেতিয়াই ৰাজ্য খনত নানা ধৰণৰ অশান্তিৰ সৃষ্টি হয়। আজি ট্ৰাইবেল বেল্টৰ মাটি নন্ ট্ৰাইবেল মানুহে বেদখল কৰা কথাই তেওঁলোকৰ মনলৈ এটা ভয়ৰ ভাব অহাতো স্বাভাৱিক কথা। আমি দেখিছো যে অসমৰ বহুতো ট্ৰাইবেল এৰিয়াৰ মাটি নন্ ট্ৰাইবেল মানুহে বেদখল কৰিছে। টিৰাপ অঞ্চলত ট্ৰাইবেল এৰিয়াত নন্ ট্ৰাইবেল মানুহে মাটি বেদখল কৰাকে ধৰি দোকান বৰাৰো পাতিছে। গতিকে এই বিলাক কথা এতিয়াই ভালদৰে চিন্তা কৰি প্ৰতিকাৰৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। আন এটা কথা হ'ল - এচ,চি/এচ,টি,ৰ বহুতো ভুৱা চাৰ্টিফিকেট লৈ চৰকাৰৰ পৰা নানা ধৰণৰ সা-সুবিধা আদায় কৰা বিষয়টোও গুৰুত্ব সহকাৰে চাব লাগে আৰু এইবোৰ নাইকিয়া কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই খিনিতে মই টাই ভাষা সম্পৰ্কেও অলপ কব খুজিছো। আজি অসমত টাই লোক সকলৰ যিবোৰ স্মৃতি চিহ্ন, ভাষা, সাহিত্যকে ধৰি মিউজিয়ম আদি আছে সেইবিলাক বৰ অবহেলিত অৱস্থাত আছে। এই ক্ষেত্ৰত চৰকাৰে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি টাই ভাষাৰ লোকসকলৰ মন সন্তুষ্ট কৰিব লাগে আৰু ঐতিহাসিক স্মৃতি চিহ্ন আদি সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি কোনেও এই কথাটো নুই

কৰিব নোৱাৰে যে টাই সকলেই এই ৰাজ্যখন গঠন কৰোতে প্ৰথম পদক্ষেপ হাতত লৈছিল। চাওলুং চুকাফা প্ৰথম অসমীয়া বুলি সাব্যস্ত হৈছে আৰু তেওঁ এখন বৰ অসম গঢ়াৰ প্ৰথম পদক্ষেপ হাতত লৈছিল। এই কথা বিলাক বুৰঞ্জীতো লিখা আছে। গতিকে এই লোকসকলৰ চেন্টিমেণ্ট ৰক্ষা কৰি তেওঁলোকৰ অভিলাষ পূৰণ কৰাৰ কাৰণে ব্যৱস্থা লব লাগে। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Chairman :** Now Shri Sukhendu Shekhar Dutta.

❋ **Shri Sukhendu Shekhar Dutta :** Sir, it is customary to discuss the things after planning the budget. The Hon'ble Members are coming on discussing the budget. I don't know ultimately what result will come out? Even then I would like to mention some of the important things which have relevance to the S.C. and S.T. Community and Government may consider taking appropriate steps for the SC and ST Community.

Firstly, in my district of Karimganj, there are a large number of tribes belong to Chari, Chakala, Halam, Riang and Borami Naga community have not been recognised as such by the Govt. This is one of the hurdles standing in the way of development of these communities. There are standing demand in this regard. Therefore, I raised their demand in this House, even then nothing has been done till date. So, if we want to show justice to the STP people then I think my point is very clear. For their sake, they should be recognised by Govt.

Secondly, air, regarding ex-tea garden workers: The numbers of ex-tea garden workers are increasing day by day. These ex-tea garden workers came from Bihar, Uttar Pradesh, Orissa etc or some other parts of the country and there is no possibility for their going back to their original place for which reason they are surplus. It is a very serious problem which Government will have to face very soon. Now in this context what I mean to say, that the tea garden ceiling surplus land has been acquired by the Govt. There are many surplus lands in many places

❋ Speech not corrected

particularly in my own Karimganj Dist. which are being distributed among the people coming from outside who do not belong to ex-tea garden communities. The problem is that the people belonging to the ex-tea garden community do not any land of their own. It will a great justice if the ceiling surplus land acquired by the Govt. is distributed among the people belonging to the ex-tea garden community. Ceiling surplus land to the tea garden or the land which was taken by the Government or the tea garden owned that land should be distributed amongst the tea garden workers. They should get first preference. Then Sir, so far as we know there are many schemes sanctioned by the Govt. of India as well as by the Govt. of Assam for the benefit of Scheduled Castes/Scheduled Tribes people. Now the funniest part of the thing is that the SC people and ST people they are not aware of the schemes and the benefits which are ready for them, they simply do not know as to how many schemes are for their benefit. Someother agents are deriving the benefits and the SC and ST people are being deprived. In this context, my suggestion will be, let there be a very good consorted awareness campaign amongst the SC/ST people in those areas so that they could come to know what schemes are granted by the Govt. what are the schemes available for their benefit, they should know it for their knowledge. There should be a thorough publicity, thorough awareness campaign, agent should not be allowed and it should be conducted by the Govt. machinery in those areas where the SC/ST people reside, it should be done if we want to deliver good to the society. I think there should be a monitoring cell consisting of dedicated persons, consisting of the local MLAs and NGOs who will examine that the schemes are being implemented properly or not. Sir, it is very unfortunate, very sad that the schemes not only of SC/ST, many schemes which are granted by the Government are not reaching to the hands of the people. I would like to say that there should be a powerful monitoring cell must be created consisting of MLAs, NGOs and other dedicated persons or organisations who will report to the Govt.

whether the schemes are being implemented or not, if we do not go for monitoring, the schemes will be meaningless. So my earnest request to the Hon'ble Minister that something has to be done in this matter os that the SC/ST people can understand that some measures are being taken for them and they should realise that they are getting benefits they are receiving the benefits. These are the basic points which I want to put before the House. I do not like to repeat the points already discussed by the Hon'ble Members. These are the points which needs serious attention otherwise the society will not forgive us. As we are sitting in the House we will have to give reply to the people and that day is not far, we will have to pay highly for the misdeeds we are doing in the name of development, we are spoiling everything, the benefits are being eaten up by the agents. If we want to take the democracy successful in the country then without further delay we must be up and doing. My earnest request to the Hon'ble Minister that the points which I have mentioned should receive due attention and that is why I am supporting the Cut Motion only on policy matter. Thank you Sir.

**Mr. Chairman :** Now I call upon the Hon'ble Member Shri Dilip Kumar Saikia to speak on the Cut Motion.

❋ **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় সভাপতি মহোদয়, মাননীয়া ডব্লিউ, পি,টি, এণ্ড বি,চি, বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীয়ে প্ৰায় ৫০ কোটি ৯৫ লাখ টকাৰ যি দাবী মঞ্জুৰী আনিছে তাক মই সমৰ্থন জনাইছো। এখন ৰাজ্যৰ এটা বিভাগৰ কাৰণে এই টকা একেবাৰে নগন্য। এতিয়া কৰ্ম্মচাৰীসকলৰ ৰিভাইচ পে-স্কেল হ'ল, তেওঁলোকক নতুন নিৰিখত বেতন দিব লগা হল, গতিকে নন-প্লেনৰ বাজেট উন্নয়নমূলক কামতকৈ দৰমহা দিয়া বাজেট হব। ইয়াক মাননীয় বিৰোধী সদস্যসকলে বিৰোধিতা কৰিছে। স্বাধীনতাৰ পিচৰ পৰা চৰকাৰ আহিছে গৈছে, আমিও দুবাৰ আহিছো, শাসনত বহিছো, কিন্তু কাম কাজ একেই আছে। দিনে দিনে বেয়া হৈ গৈছে, ডিটোৰেট হৈছে, কিয় ডিটোৰেট হৈছে? ইয়াক ফঁহিয়াই চোৱা দৰ্কাৰ হৈছে। বিভিন্ন বিভাগত যি টকা দিয়া হয় সেই টকাবিলাক কেনে ধৰণে খৰচ হৈছে। বিভাগীয় মন্ত্ৰী থাকে, কমিশ্বনাৰ

❋ Speech not corrected

থাকে, চেক্ৰেটাৰী, ডেপুটী কেক্ৰেটাৰী, জইন্ট চেক্ৰেটাৰীকে আদি কৰ বিভিন্ন বিষয়া কৰ্ম্মচাৰী থাকে, তেওঁলোকে কয় টকা বিলাক ভাল ধৰণে খৰচ হৈছে। কিন্তু আমি দেখা পাইছো Special Central Assistance for tribal sub plan এই কিতাপখনত কি কৈছে, ইয়াত কমেণ্ট দিছে, এইটো ক'ব বিচাৰিছে The Department of Welfare of Plains tribes and Backward Classes এতিয়া ঘটনা হ'ল যি সময়ত আমি কৈ থাকো বিভিন্ন সময়ত বাতৰি কাকততো কয় যে চৰকাৰৰ টকা নাই। উন্নয়নমূলক কাম কৰিবৰ কাৰণে পইচা নাই, কিন্তু পইচা থকাৰ পিছতো কাম কৰিব নোৱাৰে। ইয়াত উল্লেখ কৰিছে যে আমি ইউটিলাইজ হৈ আছে। কি কাৰণত খৰচ কৰা নহল? এই কথাটো চিন্তা কৰিবলগীয়া কথা।

(সভাপতি যায় আৰু মাননীয় অধ্যক্ষ মহোদয়ে আসনত বহে।)

মাননীয় অধ্যক্ষ মহোদয়, আমি বিধানসভাত বাজেট পাছ কৰি দিম, ইয়াত একো নাই। বিভিন্ন বিভাগত টকা ধৰিছে, বাজেট পাছ হ'ল। কিন্তু বিভিন্ন সময়ত দেখিবলৈ পাইছো টকাবিলাক ভাল ধৰণে খৰচ হোৱা নাই। ইয়াৰ ওপৰত কোনো ধৰণৰ কন্ট্ৰোল নাই। মিছ ইউজ অব মানি হৈছে, ইয়াত আৰু এটা কথা উল্লেখ কৰিছে Diversion of fund, out of Rs 78,08 crores received between 1992-93 only Rs. 58.77 crores were spent and balance remained unutilised with the implementing agency. এখন মেপৰ দাম হ'ল - ৪৫.০০ টকা। কিন্তু বিভাগীয় ৰেট কিমান জানেনে? — ৩৭৫.০০ টকা। মাননীয় সদস্য শ্ৰী নৰহ্‌ ডাঙৰীয়া সেই কমিটিত আছিল। তেখেতে জানে, এই বিষয়ে ৰিপৰ্ট দাখিল কৰা হৈছে। আন এটা কথা হ'ল টিচিং হেডৰ কথা, শতকৰা ৪০ ভাগ থাকিব লাগে, এই টকা ছাত্ৰ-ছাত্ৰী পাব লাগে। কিন্তু ট্ৰাইবেল টিচিং হেডত পইচা নাথাকে।

মাননীয় অধ্যক্ষ মহোদয়, টিচিং এইড দিব লাগে শতকৰা ৪০ শতাংশ থকা স্কুলবিলাকক। কিন্তু তাতকৈ কম থকা ট্ৰাইবেল স্কুলবিলাকক এইড দিছে। এই বিলাক কথা ট্ৰাইবেল ডেভালেপমেণ্টৰ মিটিংতো কোৱা হ'ল কিন্তু নো একচন। আমি সকলোতে বকি থাকো। সেই কাৰণে আমাৰ বেয়া পায়। কিন্তু আমি ৰাইজৰ স্বাৰ্থত ক'বই লাগিব। অধ্যক্ষ মহোদয় সেই কাৰণে যি কেইটা টকা দিয়ে সেইখিনি ভালকৈ খৰচ কৰিব লাগে। সেই কাৰণে আমি কৈছো পাৰফৰমেঞ্চ বাজেট দাখিল কৰিব লাগে। জনজাতীয়সকলৰ নামত স্কলাৰশ্বিপ আছে সেই টকা গৰীব ছাত্ৰ-ছাত্ৰীসকলে পাব লাগে। কিন্তু পোৱা নাই। মাননীয় সদস্যসকলেও কৈছে। সেইকাৰণে কৈছো জনজাতীয়সকলৰ কাৰণে অমুক কৰিছো তমুক কৰিছো বুলি কলে নহ'ব।

প্ৰেকটিকেলী কি কৰিছে সেইহে লাগে। চেণ্ট্ৰেল এচিচটেঞ্চ স্কলাৰশ্বিপ কিয় দিয়া হোৱা নাই। অধ্যক্ষ মহোদয়, আমি দেখিছো গোটেই অসমখনকে ট্ৰাইবেল ষ্টেট ঘোষণা কৰিব লাগে। কাৰণ অসমত মেজৰিটিয়ে ট্ৰাইবেল। অসমৰ জনজাতি আৰু অন্যান্য ৰাজ্যৰ জনজাতিসকলৰ মাজত আকাশ-পাতাল প্ৰভেদ। উৰিষ্যা, উত্তৰ প্ৰদেশৰ জনজাতিসকলৰ মাজত অসমৰ জনজাতি লোকসকলৰ ডিফাৰেঞ্চ আছে। কেতিয়াবা ভাব হয় আমাক বেয়া পাই নেকি। আগতে মানুহে কিবা হ'লে কৈছিল যে এইটো নগা ঘা, বগৰীটোক কয় আহোম বগৰী। সি যি কি নহওক আজি জনজাতি সকলৰ কাৰণে ভাবিবৰ সময় হৈছে। মই অসমীয়া নহয়, কচাৰী, মিচিং, কাৰ্বি বুলি কয়, কিয় এনে ভাব্ব আহিছে। তাৰ কিছুমান কাৰণ আছে। বিশেষকৈ বেকলগৰ ক্ষেত্ৰত এনেকুৱা সমস্যা হয়। বেক লগৰ ফিলাপৰ এক্ট আছে। কিন্তু নিয়ম হিচাবে নহয়। ৰোষ্টাৰ মেণ্টেইন নহয়। দলে, পেগু, সোনোৱাল দেখিলে ৰিজেক্ট কৰে। আমাৰ মনৰ পৰা এই ভাব নাতৰিলে জনজাতীয়সকলক অসমৰ পৰা আঁতৰাই নিব। জনজাতীয়সকলৰে বৃহৎ গোষ্ঠীটোৱে সৰু গোষ্ঠীটোক এক্সপ্লইট কৰে। তাৰ বহুটো উদাহৰণ আছে। কোনোবা কলেজৰ অধ্যক্ষ দলে, কচাৰী বা দৈমাৰী কিন্তু জনজাতীয়ৰ স্কলাৰশ্বিপৰ টকা তেওঁলোকে আত্মসাৎ কৰে। গতিকে জগৰীয়া কাক কৰিব। জনজাতীয়সকলৰ উন্নতিৰ কাৰণে ৰাজ্য চাকৰৰ টকা আছে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰাও টকা আহে। গতিকে আশা ৰাখিছো যি টকা-পইচা ধৰা হয় সেইবিলাকৰ যাতে মিচ ইউজ নহয়। মই বিভিন্ন সময়ত কৈছো যোৱা বিধানসভাতো কৈছো হেমৰাম কেওটৰ কাৰণে ১০ লাখ টকা দিয়া বুলি কৈছে। কিন্তু আজিলৈ কোনো একচন নহ'ল কিয়। যোৱা বিধানসভাতো কৈছো আৰু ভৱিষ্যতেও কম। হেমৰাম কেওটৰ কাৰণে ৰাইজৰ টকা জনজাতীয়ৰ টকা লৈছিল সেই টকা কলৈ গ'ল। একশ্বন কিয় লোৱা হোৱা নাই, মন্ত্ৰী কাৰোবাৰ ওপৰত দুৰ্ব্বল নেকি। সেই সময়ত চেয়াৰমেন কোন আছিল। এইটো জনজাতীয় টকা ৰাইজৰ টকা। এই কথাবিলাক মন্ত্ৰীয়ে নোট কৰিব লাগে আৰু লগে লগে ফাইল কমিশ্বনাৰ, এম, ডিক মাতি আনিব লাগে। কোনে নিৰ্দ্দেশ দিছিল ৪৫ টকাৰ ঠাইত ৩৫০.০০ টকা কৰিবলৈ। মাৰ্কেট ৰেট ৪৫ টকা। ৩৫০ টকা কেনেকৈ হ'ল। আমি বকি আছো। সেই কাৰণে আমাৰ কাম নকৰে। এবাৰ এজন মন্ত্ৰীয়ে কৈছিল তাৰ সমষ্টিত টকা নিদিও। আমি ৰাইজৰ প্ৰতিনিধি বিধায়ক ৰাইজৰ স্বাৰ্থতে ক'ব লাগিব। কোনো মন্ত্ৰীৰ ওপৰত আমাৰ ব্যক্তিগত আক্ৰোশ নাই। টকা কেনেকৈ নিদিয়ে চাম। টকা নিদিলে জুই জলিব। অন্ধ্ৰ প্ৰদেশত বিধায়কসকলে চেলফ ইমোলিচন কৰিবলৈ গৈছে। অসমতো সেই দিন আহি আছে।

মাননীয় সভাপতি মহোদয়, চৰকাৰ আহি আছে আৰু চৰকাৰ যাব। আজি এ জি পি আহিছে কালিলৈ কংগ্ৰেছ আহিব তাৰ পিচত দেখা পাব থাৰ্ড ফ্ৰণ্ট, ফৰ্থ ফ্ৰণ্ট ফিফ্থ ফ্ৰণ্ট কৰি কৰি বহুত ফ্ৰণ্ট আহিব। ওৰ্ক কালচাৰ আছে নে নাই। এই মাহটোত ৩০ টা দিনৰ ভিতৰত ১৪ টা দিন বন্ধ। কোনো কাম-কাজ নাই। এই বন্ধবিলাক বেকাৰ বন্ধ। অফিচত কাম নাই অফিচাৰসকল আহিব ১১ বজাত। জনতা ভৱনত কাম নাই মন্ত্ৰীসকল চেম্বাৰত নাই, কাৰো কাম নাই। এম এল এ সকলৰো কাম নাই, কিয়নো মন্ত্ৰীসকলৰ লগতহে এম এল এ সকলৰ কাম থাকে মন্ত্ৰীসকল নাই যেতিয়া কাম ক'ত থাকিব। কিন্তু এটা সময় আছিল আমি অৱশ্যে সেই সময়বিলাক দেখা নাছিলো তেতিয়া হেনো মন্ত্ৰীসকলে বিৰোধী পক্ষৰ এম এল এক মাতি আনি কৈছিল আপোনালোকে বিধানসভাত অমুকটো প্ৰশ্ন তুলিবচোন। সেই দিন আজি কালি নাই। এতিয়া তেনেকৈ ক'লে পিচফালৰ পৰা চিপ্ৰাং মাৰিব। এতিয়া দেখা গৈছে ভোটাৰ ভোট দিব বিধায়কসকল বিধানসভালৈ আহি থাকিব। আমাৰ যি বিলাক সমগ্ৰী দিয়া হৈছে তাঁতশালঁ, উৰামাকু এই বিলাক ৰিজেক্ট কৰা হৈছে। হিতাধিকাৰীসকলে সেই বিলাক লোৱা নাই। মানুহবিলাকে নিবলৈ অহা নাই। সেই বস্তুবিলাক টেৰা-বেকা সেই টেৰা-বেকা বস্তুবিলাক মানুহে কিয় ৰিজেক্ট নকৰিব? যিবিলাক ফাৰ্মে সেই বস্তুবিলাক চাপ্লাই দিছে সেই ফাৰ্মবিলাকক কিয় ব্লেক লিষ্টেড কৰা নাই? তেওঁলোকক ব্লেক লিষ্টেড কৰিবলৈ মন্ত্ৰীয়ে সাহস গোটাওঁক। আমি টকা দি আছো। বিৰোধীপক্ষই কৰ্ত্তন প্ৰস্তাৱ আনি আছে যদিওঁ টকা দি থকা হৈছে। এই টকাবিলাক ঠিক মতে কামত লগোৱাটো বিভাগৰ দায়িত্ব। বিষয়াসকলে ইয়াক ভালদৰে চাব লাগে। মন্ত্ৰীৰো দায়িত্ব আছে। মন্ত্ৰী বিভাগৰ মুৰব্বী কাৰণে তেখেতৰ দায়িত্ব বেছি। ঠিকাদাৰসকলৰ কথা কৈ শেষ কৰিব নোৱাৰি তেওঁলোকৰ যিবিলাক কাৰ্য। আমি সেই দিনা দিল্লীলৈ গৈছিলো আমাৰ বিৰোধী পক্ষৰ সদস্যকেইজন মানো আছিল। এজন ব্যক্তি কণ্টেক্টৰৰ মই নাম নকওঁ। কুখ্যাত ব্যক্তি। তেওঁ কৈছিল বাইদেউ বেগটো দিয়ক মই লও। বিজিনেচ মেন— গড়কাপ্তানী বিভাগৰ। মই নামটো নকওঁ। তেওঁক মহে খাব নোৱাৰে তেওঁ কলা মানুহ। পাৱাৰ থাকিলে ঠিকাদাৰসকল বেকত থাকিব যেতিয়া পাৱাৰ নাথাকে তেতিয়া তেওঁলোকক দেখিবলৈ নাই। মই যেতিয়া এম এল এ হৈ আহিছিলো তেতিয়া এজনে টেলিফোন কৰিছিল আজি আপুনি যদি থাকে মই লগ কৰিবলৈ যাম। তেতিয়া মই ক'লো যে আপুনি দেখুন ইমানদিনে কোনো খবৰ কৰা নাছিল। এতিয়া এম এল এ হৈ অহাৰ পিচত লগ কৰিবলৈ বিচাৰিছে। এতিয়া আহিব নেলাগে আৰু আগলৈকো নাহিব, আজিলৈকে এই মানুহজনক মই দেখা নাই। এইবিলাক কথা আজি মই সদনত কৈছো সকলোৰে জনা কথা। আমাৰ ইয়াৰ পৰা বিভাগ বিলাকত যি বিলাক

টকা দিয়া হৈছে সেই বিলাক ভালকৈ খৰচ কৰিব লাগে। তেওঁলোকে ৭০ শতাংশ খৰচ কৰক। তেতিয়া আমাৰ গাঁৱৰ মানুহবিলাকে কব যে আমি পোৱা বস্তু বিলাক শাল কাঠৰ, গমাৰী বা চেগুন কাঠৰ। আমাৰ মন্ত্ৰী শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই কিছু ভাল বস্তু দিছে বুলি আমি টি ভিত দেখিবলৈ পাইছো। আমাৰ বাইদেউক কৈছো যে তেখেতেও ভাল কাম কৰক।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ট্ৰাইবেলসকলক ৰিক্সা, ঠেলা, তাঁতশাল, চিলাই মেচিন আদি দিছে। ৰিক্সাবিলাক ইমান বেয়া দিছে দুদিনমান চলোৱাৰ পিচত ৰিক্সাবোৰ ভাঙি যায়। সেইদৰে তাঁতশাল, চিলাই মেচিন আদিও বেয়া হৈ ভাঙি যায়। ঠিকাদাৰসকলে টকা খাব লাগে খাওক। তেওঁলোকৰো ল'ৰা-ছোৱালী আছে। সেইবুলি ৭৫ শতাংশ কাম কৰক। ঠিকাদাৰ সকলে ৫০ শতাংশ খালে কেনেকৈ হব?

মাননীয় অধ্যক্ষ মহোদয়, স্কলাৰশ্বিপৰ ক্ষেত্ৰত কওঁ, স্কলাৰশ্বিপৰ টকা কেইটা পালে তেওঁলোকে বহী-কিতাপ কেইখনকে যোগাৰ কৰি ল'ব পাৰে। অসমৰ ২৩ খন জিলাৰ ভিতৰত ২১ খন জিলাতে বানপানী হোৱা কাৰণে বহুতৰে বহী কিতাপ নষ্ট হৈছে। সেয়েহে পইচাকেইটা পালে তেওঁলোকে অন্ততঃ কিছু সকাহ পাব। ট্ৰাইবেল বেল্টট বা ব্লকবিলাকত প্ৰায় এক লাখতকৈ অধিক লোকে দখল কৰিছে। তাৰ উপৰি দেখা গৈছে দীপৰ বিলখন পুতি তাত ঘৰ বনাবলৈ লৈছে। মোমাইকটা গড় কাটি তাত জালুকবাৰী ছোৱালী হাইস্কুল, ৰঙ্গমঞ্চ আদি বনাবলৈ লৈছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ আছে যে ট্ৰাইবেল বেল্টট বা ব্লকৰ উপৰিও যিবিলাক ঠাইত মঠ মন্দিৰ আদি বিভিন্ন প্ৰতিষ্ঠান আছে সেইবিলাক মাটি কিনা-বেচা কৰিব নোৱাৰে। আচলতে আমাৰ অসমীয়া মানুহবিলাক কৰ্ম্ম, সংস্কৃতিৰ প্ৰতি একো নাইকীয়া হৈ গৈছে। আমি নিজকে নিজে ধিক্কাৰ জনাইছো। সৌ সিদিনাখনৰ কথা, ক'লাক্ষেত্ৰত থকা ষ্টেডিয়ামখন বনাবৰ কাৰণে কলিকতাৰ এজন ঠিকাদাৰক দিয়াত তেওঁ ষ্টেডিয়ামখন বনাব লাগিছিল ৩০ ডিগ্ৰীত, হ'ল ৬০ ডিগ্ৰী। দেৱালবিলাকত বড়োসকলৰ ছবি আঁকিছে। তাত যিবোৰ পাৰ্ট কৰিছে গোটেইবোৰ খাপচৰা হৈছে। বড়োসকলৰ ড্ৰেছবোৰ অঁকাত ভাল হোৱানাই। মই অৱশ্যে চাবলৈ যোৱা নাই। 'দৈনিক অসম'ত বাতৰি কাকতত পঢ়িবলৈহে পাইছো। তাত গলে চাব লাগিব। মই অকলে নাযাওঁ। অফিচৰ টিম এটা লগত নিব লাগিব। অসমত বহুতো ভাল ভাল ডেকা আৰ্কিটেকচাৰ থকা স্বত্বেও কলিকতাৰ আৰ্কিটেকচাৰক দিব লগীয়া হ'ল। টেণ্ডাৰ কল কৰোতে ১ নং বুলি কোনো কথা নাই। নিজেও ১ নং ২ নং কৰিব পাৰে। আমি প্ৰত্যেকে চিন্তা

কৰিব পাৰো নহলে সমাজখন কেনি গৈছে চিন্তা কৰি চাবৰ হ'ল। দিল্লীলৈ গলে আমাৰ অসমৰ মানুহ থাকিবলৈ ঠাই নাই।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, মাটিৰ খক কেৱল গুৱাহাটীতে নহয় অসমৰ বিভিন্ন প্ৰান্তত এনেকুৱা পৰ্য্যায় পাইছে গৈ। এদিন দুপৰীয়া মিউজিয়াম ঘৰ এটা চাবলৈ বিচাৰোতে তাত যাবলৈ ৰাস্তা নাই বন্ধ। মানুহে ঘৰ বনাইছে। আনকি মন্দিৰলৈ যাবৰ কাৰণেও ৰাস্তা নোহাৰা হৈছে। মাকুম, মাৰ্ঘেৰিটা আদি কিছুমান ঠাইত এনেকুৱা নাগৰিক আহি মাটি দখল কৰিছে তেওঁলোক ভাৰতীয় নাগৰিক নে বিদেশী নাগৰিক চিনিব নোৱাৰি। কেৱল মাটি দখল কৰি বসতি স্থাপন কৰিছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, এচ, চি আৰু এচ, টিৰ নামত যিখিনি টকা ধাৰ্য্য কৰা হয় সেই টকাখিনি যাতে ভালদৰে কামত অহাকৈ খৰছ কৰিব বুলি আমি আশা ৰাখিছো। বাজেটখন যিমতে প্ৰস্তুত কৰা হয় কেতিয়াবা তাত কৈ অধিক খৰছ কৰা হয়। ইনকাম এটকা হলে খৰছ হয় ১০ টকা। গাড়ী কিনা ধুম উঠিছে। গাড়ী কিনিলে কিবা এটা ৰেভিনিউ আহিব নেকি? জনতা ভৱনৰ সন্মুখত, ডি.পি. আইৰ সন্মুখত ৪-৫ খনমান গাড়ী বেয়া হৈ পৰি আছে। গাড়ীকেইখনৰ অৱস্থা ইমান বেয়া যে কেজি হিচাপত বিক্ৰী কৰিলেও কিনোতা নোলাব। গোটেইবোৰ জহি খহি গৈছে। গাড়ীবিলাকৰ মাত থকা হলে আন্দোলন কৰিলেহেঁতেন। এই গাড়ীবিলাক কিয় দিচপোজ নকৰে? চলি আছে এইদৰে চলি থাকিব। আপোনালোকে ভাবিছে অহাবাৰ আমি আহিম। আমাক গালি নাপাৰিলেও হব। আমাক এনেয়ে ভোট দিব। বিৰোধী পক্ষই ষ্ট্ৰং ভইচ দিলে ৰুলিং পাৰ্টিয়ে কি কৰিব?

**মাননীয় অধ্যক্ষ** : মাননীয় সদস্য গৰাকীয়ে বিৰোধী পক্ষক উপদেশ দিয়াতহে মনোনিবেশ কৰিছে।

**শ্ৰীদিলীপ কুমাৰ শইকীয়া** : মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিৰোধী পক্ষই যিটো কাট মোচন আনিছে তাত আমিও বিৰোধিতা কৰিম। চেণ্ট্ৰেল এচিচটেণ্টৰ টকাটো আমাক ৰিলিজ কৰি দিব লাগে। লগতে তেজপুৰৰ এ. টি. দি. এ. টকা লক্ষীমপুৰৰ টি. এচ. পিকে আদি কৰি ১০ লাখ টকা কিহত খৰছ কৰিলে এই গোটেই বিষয়টো সোনকালে তদন্ত কৰি একচন লবৰ বাবে মই মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়াক অনুৰোধ জনালো।

**Mr. Speaker** : Hon. Members are aware that as per diecision of the Business Advisory Committee discussions on a grant has to be restricted to the extent possible so that the Hon. Minister incharge moving for the grant can reply. Let the Hon. Minister incharge give her reply.

**শ্ৰীমতী ৰেখাৰাণী দাস বড়ো, (মন্ত্ৰী, ভৈয়াম জনজাতি আৰু পিচপৰা জাতি কল্যাণ বিভাগ ঃ)** মাননীয় অধ্যক্ষ মহোদয়, ৩৮ নং দাবী মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱ আনি মাননীয় বিৰোধী দলৰ সদস্য সকলে লগতে শাসক দলৰ সদস্য সকলেও আলোচনা-সমালোচনা আগবঢ়াইছে আৰু বিভাগৰ ফালৰ পৰা যাতে এই জনজাতি লোকসকলৰ কাৰণে ভালধৰণে কাম কৰিব পৰাকৈ কেতবোৰ পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে মাননীয় সদস্য সকলক ধন্যবাদ জ্ঞাপন কৰিছো। কৰ্তন প্ৰস্তাৱৰ ওপৰত আলোচনা আৰম্ভ কৰি মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই আৰ্টিকেল ২৭৫ ৰ কথা কৈছে আৰু ষ্টেট এডভাইজৰী কাউন্সিলৰ কথা কৈছে আৰু এই সম্পৰ্কত কেতবোৰ বিষয়ৰ ওপৰত আলোচনা ডাঙি ধৰিছে। আমাৰ ৰাজ্যখনৰ অনুসূচিত জাতি, অনুসূচিত জনজাতিৰ আৰু পিচপৰা জনসাধাৰণৰ কল্যাণৰ কাৰণে কাম কৰিবলৈ আমাৰ এই বিভাগটো দায়ীবদ্ধ আৰু এই পিচপৰা মানুহখিনিক আৰু অনুন্নত মানুহখিনিক আমাৰ ৰাজ্যৰ আন আন উন্নত শ্ৰেণীৰ সমপৰ্য্যায়ত আগবঢ়াই নিবৰ কাৰণে আমাৰ বিভাগটো বদ্ধপৰিকৰ। অৱশ্যে এই কথাটো মন কৰিবলগীয়া যে পৰিকল্পনাত এই অনুন্নত শ্ৰেণীৰ লোকসকলৰ কাৰণে যি খিনি ধন আবণ্টিত হৈছে সেইখিনি যাতে এই লোকসকলৰ কল্যাণৰ কামত সঠিক ভাবে ব্যৱহাৰ হয় আৰু আঁচনি সমূহ যাতে সঠিক ভাবে ৰূপায়িত হয় তাৰ কাৰণে মূলত নিৰ্ভৰ কৰিছে আমাৰ বিভাগীয় বিষয়া চাকৰিয়াল সকলৰ ওপৰত আৰু আমাৰ মাননীয় সদস্য সকলৰ পৰামৰ্শ আৰু সহযোগ ঘাইকৈ নিৰ্ভৰ কৰিছে আৰু ইয়াৰ ওপৰতেই আমাৰ চৰকাৰৰ সফলতা আৰু বিফলতা নিৰ্ভৰ কৰিছে। যোৱা আঢ়ৈটা বছৰ পাৰ হ'ল এই বিভাগৰ বিভিন্ন কাম-কাজত জনসাধাৰণৰ সহযোগ লৈ আমাৰ বিভাগৰ বিভিন্ন আঁচনি আৰু কাৰ্য্যসূচীৰ সফল ৰূপায়নত চৰকাৰী বিষয়া- কৰ্ম্মচাৰীসকলে যতপৰোনাস্তি চেষ্টা কৰিছে আৰু মাননীয় সদস্যসকলে এই দিশত যথেষ্ট সহযোগ আগবঢ়াইছে। মাননীয় অধ্যক্ষ মহোদয়, এডভাইজৰী-কাউঞ্চিল এচ, চি আৰু এচ, টিৰ কাৰণে গঠন কৰা হৈছে। এচ. টি, এচ. চি. আৰু অ.বি.চি.ৰ ষ্টেট এডভাইজৰী কাউন্সিলৰ বৈঠক যোৱাবাৰ অনুষ্ঠিত হৈ গৈছে সেই বৈঠকত মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়া উপস্থিত নাছিল, তেখেতে বিষয়টোৰ অবগত নোহোৱাৰ কাৰণে হয়তো বিষয়টো উল্লেখ কৰিছে আৰু তেখেতক এই বৈঠকৰ কথা টেলিফোন যোগে জনাইছিলো কোন দিনা বৈঠক বহিব আৰু ক'ত বহিব স্থান আৰু সময়ৰ কথা তেখেতক অবগত কৰিছো। নৰহ ডাঙৰীয়াই আৰ্টিক'ল ২৭৫ ৰ কথা উল্লেখ কৰিছে —আমাৰ ধাৰ্য্য কৰা ধনৰ ব্যৱহাৰ কেনে ভাবে হৈছে তাৰ কাৰণে আমাৰ বিভাগৰ ফালৰ পৰা বিভিন্ন আঁচনি যুগুত কৰা হৈছে বিশেষকৈ আমাৰ আবণ্টিত ধন এডুকেশ্যন হেডত সফলভাবে ব্যৱহৃত হৈছে, এই ধনৰ জৰিয়তে দুখন ৰেচিডেনচিয়েল স্কুল স্থাপন কৰিবৰ কাৰণে ব্যৱস্থা

লোৱা হৈছে আৰু তাৰ কাৰণে আবণ্টিত ধন মোকলাই দিয়া হৈছে ইতিমধ্যে চিলাপথাৰত এখন ৰেচিডেনচিয়েল স্কুলৰ আধাৰশিলা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্থাপন কৰিছে আৰু আনখন ৰেচিডেনচিয়েল স্কুলৰ আধাৰশিলা স্থাপন কৰাৰ কাৰণে চেষ্টা কৰি থকা হৈছে আৰু দুখন তেনেধৰণৰ স্কুলৰ কাৰণে ধন বিচাৰি কেন্দ্ৰৰ ওচৰত জনোৱা হৈছে আৰু আবেদন কৰা হৈছে। অনুন্নত জনসাধাৰণৰ কল্যাণৰ কাৰণে উন্নয়নমূলক কাম কৰিবৰ কাৰণে আমাৰ বিভাগে প্ৰচেষ্টা হাতত যে লৈছে সেইকথা আমাৰ ৰাইজে অনুভৱ কৰিব পাৰিব লাগিব আৰু তেতিয়াহে আমি আমাৰ কাৰ্য্যসূচী সমূহত আমিও – প্ৰকৃতাৰ্থত আগবাঢ়িব পাৰিম। এই অনুন্নত জনসাধাৰণক অৰ্থনৈতিকভাৱে, সামাজিকভাৱে আগবঢ়াই লগতে তেওঁলোকৰ সংস্কৃতি বিকাশৰ বাবে বিভিন্ন কাৰ্য্যসূচী লৈ আগবাঢ়ি নাহো তেতিয়াহলে কোনো ৰাজনৈতিক দলে এই লোকসকলৰ উন্নতিৰ কাৰণে কাম কৰাতো সম্ভৱ নহ্ব। দীৰ্ঘদিনৰ আন্দোলনৰ পাচত আজি বি,এ,চি গঠন হল সেইদৰে মিচিং অটোনমাচ কাউনচিল গঠন হ'ল আৰু টিৱা কাউনচিল হ'ল। এতিয়া এই কাউনচিলৰ লগত আলোচনা বিলোচনা কৰি বিভিন্ন উন্নয়নমূলক আঁচনি প্ৰস্তুত কৰি কামত আগুৱাই যাবলৈ সুবিধা হৈছে আৰু সেইদৰে আঁচনি প্ৰস্তুত কৰা হৈছে। আমাৰ ৰাজ্যচৰকাৰেও এই দিশত আগবাঢ়ি আহি ধনৰ আবণ্টন দিছে কিন্তু কোনো এটা আঁচনি সম্পূৰ্ণ হোৱাৰ পাচত বা আগতে যিটো ধন আবণ্টন দিয়া হৈছে সেইধনৰ কেনে ধৰণে ব্যৱহাৰ কৰা হৈছে তাৰ ওপৰত ইউটিলাইজেশ্যন চাৰ্টিফিকেট বিচৰা হৈছে আৰু ইউটিলাইজেশ্যন চাৰ্টিফিকেট পোৱাৰ পাচতহে ইয়াৰ পিচৰ প্ৰয়োজনীয় ধন মোকলাই দিয়া হৈছে। কেনে ৰূপত আবণ্টিত ধন ব্যৱহাৰ কৰা হৈছে, সেইটো চৰকাৰে জনাটো বাঞ্চনীয়। নৰহ ডাঙৰীয়াই মিচিং অটো নমাচ কাউনচিলৰ কথা কৈছে। বিভাগে সেইটো পৰীক্ষা কৰি চাই ব্যৱস্থা লব।

মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই জনাইছে যে যদিয়ো চৰকাৰৰ হাতত প্ৰস্তাৱ আছিল সেইটো আমাৰ চৰকাৰৰ দিনতেই সক্ষম হলো। আগতে ৰাভা কাউনচিল, হাজং কাউনচিল আৰু টিওৱা কাউনচিল নাছিল সেই সময়ত এ.টি. ডি. এ.ৰ জৰিয়তে, সেইদৰে এচ.চি. ওৱেলফেয়াৰৰ জৰিয়তে, আৰু এচ. টি. ডাইৰেক্টৰৰ জৰিয়তে বিভিন্ন ধৰণৰ কাম কাজ চলাই নিছে আৰু তেতিয়া কম সময়ত উপযুক্ত সময়ত বেচি হিতাধিকাৰীৰ কাম কৰিবৰ কাৰণে সুবিধা লাভ কৰিব পৰা হৈছিল। কিন্তু কাউনচিল গঠন হোৱাৰ পাচত যিবিলাক আঁচনি লোৱা হৈছিল সেইবিলাক বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰত নানা ধৰণৰ সমস্যাৰ সণ্মুখীন হ'ব লগা হৈছে। এতিয়া কথা হ'ল চৰকাৰে যি ধন যি দামৰ কাৰনে আবণ্টন দিছে, সেই ধন উপযুক্ত কামত ব্যৱহাৰ হোৱাৰ গুৰুত্ব আৰোপ কৰিছে। ১৯৯১ চনৰ

পৰা ১৯৯৫ চনলৈকে আগৰ চৰকাৰৰ দিনত নীতি বৰ্হিভূত ভাবে ধন আবণ্টন কৰি কাম কৰাৰ কাৰণে তেতিয়াই দুৰ্নীতি এই বিভাগত সোমাই পৰে, এতিয়া আমি দুৰ্নীতিৰ যিটো ডিগ্ৰী, সেইটো কমাবলৈ চেষ্টা কৰিছো আৰু কিছু পৰিমানে সাফল্য হৈছো কিন্তু সম্পূৰ্ণ ভাবে সাফল্য হ'ব পৰা নাই। সেইকাৰণে মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই উল্লেখ কৰিছে ২৬-৪-৯৫ ত ৫ কোটি টকা টিচিং এইড্‌ৰ কাৰণে ১৬০০ স্কুলত দিয়াৰ কথা, প্ৰকৃততে সেই সময়ৰ পৰাই আৰম্ভ হ'ব ধৰিলে দুৰ্নীতি, আমাৰ বিভাগে এই সকলোবোৰ বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ইয়াৰ ওপৰত বিহিত ব্যৱস্থা লবলৈ আগবাঢ়ি আহিছে ইতিমধ্যে নিম্ন মানৰ সামগ্ৰী যোগান দিয়াৰ ক্ষেত্ৰত যি অভিযোগ উঠিছে সেইবিলাক তদন্ত কৰা হৈছে আৰু যিবিলাক যোগানকাৰী অনুষ্ঠানে নিম্ন মানৰ সামগ্ৰী যোগান দিছে তেওঁলোকক ব্লেকলিষ্টেড কৰা হৈছে আৰু বন্ধ কৰা হৈছে। তেজপুৰৰ বিষয়ে যিটো কথা উল্লেখ কৰিছে সেই সম্পৰ্কত বিহিত ব্যৱস্থা লোৱা হ'ব। স্কলাৰচিপৰ বিষয়েও তেখেতে উল্লেখ কৰিছে, আমাৰ চৰকাৰ অহাৰ পিচত পোষ্ট-মেট্ৰিক স্কলাৰচিপ ১০০ শতাংশ দিয়াৰ কাৰণে এগ্ৰি কৰিছে। ৭২ লাখ ১৩ হাজাৰ টকা ইতিমধ্যে মোকলাই দিয়া হৈছে। আৰু বাকী যিখিনি আছে সেইখিনিয়ো মোকলাই দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। মই আশা কৰিছো এই ধন মোকলাই দিয়াৰ লগে লগে বৰ্ত্তমানে যিবিলাক সমস্যাৰ সন্মুখীন হৈ থাকিব লগীয়া হৈছে আৰু ছাত্ৰ-ছাত্ৰী সকলে যি অভাৱ-অভিযোগ পাই আছে সেইবিলাকৰ অন্ত পৰিব। মৰাণ, মটক, চুটীয়া, আৰু চাহ জনজাতিৰ লোক সকলক অনুসূচীত জনজাতিৰ তালিকাভুক্ত কৰিবৰ কাৰণে ভাৰত চৰকাৰলৈ ইতিমধ্যে ৰিকমেণ্ডেড কৰি পঠোৱা হৈছে। কিন্তু এইটো কৰাতো ভাৰত চৰকাৰৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিছে। এইটো সংসদত পাচ হ'ব লাগিব। অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ লোকসকলৰ কল্যাণৰ কাৰণে ৰাজ্য চৰকাৰে কেইবাটাও আঁচনি যুগুতাই উলিয়াইছে। গভৰ্ণমেণ্ট অৱ ইণ্ডিয়াই অ,বি,চিৰ কাৰণে নতুন স্কীম উইথড্ৰ কৰিছে। আমি অ,বি,চি সকলৰ কল্যাণৰ কাৰণে বিভিন্ন আঁচনি লোৱাৰ কাৰণে ভাৰত চৰকাৰৰ ওচৰত আবেদন কৰিছো আৰু অনুৰোধ জনাইছো। এচ,চি, ডাইৰেক্ট দিবৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছো। এচ,চি,এ প্ৰথম বাৰৰ কাৰণে আমাৰ ইয়াত বিভিন্ন আঁচনিৰ কাম কৰাৰ কাৰণে আগবাঢ়ি আহিব। এচ,চি,এৰ জৰিয়তে অনুসূচীত জাতি আৰু জনজাতিৰ লগতে অন্যান্য পিচ পৰা শ্ৰেণীৰ কল্যাণৰ হকে গাৰ্লছ হোষ্টেল, বয়জ হোষ্টেল ইত্যাদিৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰক অবগত কৰিছো আৰু এই গোটেই বিষয়টো আলোচনা কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে আমাক প্ৰতিশ্ৰুতি দিছে। আমি আশা ৰাখিছো আমাৰ দাবী সমূহ কেন্দ্ৰীয় চৰকাৰে সহানুভুতিৰে বিবেচনা কৰিবৰ কাৰণে আগবাঢ়ি আহিব।

আমাৰ মাননীয়া সদস্যা ডঃ হেমপ্ৰভা শইকীয়াই টাই মিউজিয়ামৰ কথা উল্লেখ কৰিছে আৰু টাই ভাষাৰ শিক্ষক নিযুক্তি দিয়াৰ কথা কৈছে। এই বিষয়টো ডব্লিউ,পি,টি এণ্ড বি,চি বিভাগৰ লগত জড়িত নহয়, এই বিষয়টো শিক্ষা বিভাগৰ লগতহে জড়িত। আপোনাৰ আবেদন আৰু অনুভূতিৰ বিষয়টো বিবেচনা কৰি চোৱাৰ কাৰণে মই মাননীয় শিক্ষা মন্ত্ৰীৰ ওচৰত আবেদন জনাম। ঠিক তেনেকৈ মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় উৎথাপন কৰিছে। বিশেষকৈ তেখেতে টিচিং এইডৰ বিষয় উল্লেখ কৰিছে। এই সম্পৰ্কত আমালৈ ফাইল এটা পঠিয়াইছে। আমি নিশ্চয় ইয়াৰ লগত জড়িত থকা বিষয়া কৰ্ম্মচাৰীৰ ওপৰত বিহিত ব্যৱস্থা লবৰ কাৰণে আগবাঢ়ি যাব পাৰিম। ভূমি আবণ্টনৰ ক্ষেত্ৰত যি কথা উল্লেখ কৰিছে সেইবিষয়ে আপোনালোকৰ আবেগ অনুভূতিৰ কথা মাননীয় ৰাজহ মন্ত্ৰীক জনাম আৰু আপোনালোকে উল্লেখ কৰা বিষয় সমূহৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱাৰ কাৰণে মই নিজে মাননীয় ৰাজহমন্ত্ৰীৰ লগত আলোচনা কৰিম।

আমাৰ মাননীয় সদস্য সুখেন্দু শেখৰ দত্তই কৰিমগঞ্জ জিলাৰ জনজাতি লোক সকলৰ যিটো বিষয় উৎথাপন কৰিছে সেইটো বিষয়ত মই নিজে গুৰুত্ব আৰোপ কৰিম আৰু থিতাতে সমাধান কৰিব পৰা বিষয় হলে থিতাতেই সমাধান কৰি দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিম। এ,টি,ডি,এ, এচ,চি, ডেভেলপমেণ্ট আদিৰ জৰিয়তে বিভিন্ন সামগ্ৰী যোগান ধৰা হয়। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলে কিছুমান নিম্ন মানৰ সামগ্ৰী যোগান ধৰিছে বুলি উল্লেখ কৰিছে। তেওঁলোকে যিহেতু সামগ্ৰী বিলাক স্পেচিফিক কৰি দিছে সেয়েহে এই বিষয়টোৰ আৰু সোনকালে অনুসন্ধান কৰিবৰ কাৰণে আগবাঢ়ি যাব পাৰিম। আমাৰ এই বিভাগটোৱে অ,বি,চিৰ কাৰণে গাৰ্লচ্ হোষ্টেল, বয়জ হোষ্টেল আদি নিৰ্ম্মাণ কৰাৰ কাম কৰিবৰ কাৰণে ইচ্ছা প্ৰকাশ কৰিছে। আমি আশা ৰাখিছো বিভাগটোৰ আবণ্টিত ধনেৰে আমাৰ বিভাগৰ বিভিন্ন আঁচনিৰ কাম কৰিবৰ কাৰণে আগবাঢ়ি যাব পাৰিম। এইখিনিকে কৈ আপোনালোকে উৎথাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱাৰ কাৰণে আপোনালোকক অনুৰোধ জনাইছো।

**শ্ৰীহিৰেণ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী মহোদয়াৰ উত্তৰত সন্তোষ পাইছো যদিও মই দুটামান কথা জানিবলৈ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** যি সকলে কৰ্ত্তন প্ৰস্তাৱ আনিছে আগতে তেখেতে সকলে সুধি লওক। আপুনি পিচত সুধিব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছো এই কৰ্ত্তন প্ৰস্তাৱটো মই প্ৰত্যাহাৰ কৰিছো আৰু প্ৰত্যাহাৰ কৰাৰ লগে লগে এটা কথা অনুৰোধ কৰিব বিচাৰিছো। আজি এই কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত আলোচনা চলি থকাৰ সময়ত আমাৰ নেচনেল এচ,চি/এচ,টি কমিচনৰ চেয়াৰমেনৰ ৰেঙ্কতো কেবিনেট

মন্ত্ৰীৰ ৰেঙ্ক কৰিব লাগে বুলি বিভিন্ন জনজাতীয় সংগঠনে দাবী কৰি আহিছে। আজি মাননীয় ৰাষ্ট্ৰপতি মহোদয়ে এচ,চি/এচ,টি নেচনেল কমিচনৰ চেয়াৰমেনৰ পদতো কেবিনেট মন্ত্ৰীৰ ৰেঙ্কৰ বুলি অধিসূচনা জাৰি কৰিছে। আমি সদনে সেইটো ক্ষেত্ৰত আদৰণি জনাব লাগে। এইখিনিতে মই আন এটা কথা কব বিচাৰিছো, সেইটো হ'ল ইলেকচনৰ কথা। বি,জে,পি আৰু মিত্ৰ দলে আগষ্টত ইলেকচন পতাৰ আৰু অন্যান্য দল বিলাকে ছেপ্তেম্বৰত নিৰ্ব্বাচন পতাৰ কথা কৈছে। এ,জি,পি দলেও ছেপ্তেম্বৰত নিৰ্ব্বাচন পতাৰ কথা কৈছে আৰু নৰ্থ্‌ইষ্ট ৰিজিয়নৰ গোটেই ৰিজিয়নেল পাৰ্টি বিলাককে ছেপ্তেম্বৰত নিৰ্ব্বাচন পতাৰ কথা কৈছে। গতিকে নিৰ্ব্বাচন আয়োজন ছেপ্তেম্বৰ মাহত নিৰ্ব্বাচন হব বুলি আজি জনাইছে আৰু তাৰ কাৰণে আয়োজকক আদৰণি জনাই কৰ্ত্তন প্ৰস্তাৱটো উঠাই ললো।

**Mr. Speaker** : Now, Hon'ble Member Shri Hemendra Nath Brahma, will you please withdraw?

* **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই দুটা পইন্টৰ ওপৰত ক্লিয়াৰিফিকেচন বিচৰাৰ পিচত কৰ্ত্তন প্ৰস্তাৱটো উঠাই লম। প্ৰথমতো কথা কাৰ্ব্বি আংলঙত থকা বড়োসকলক ছিক্সথ্‌ চিডুলত অৰ্ন্তভুক্ত কৰাৰ যিটো ব্যৱস্থা সেইটো এতিয়াও হৈ উঠা নাই। এইটো কৰাৰ কাৰণে প্ৰতিশ্ৰুতি দিলে কৰ্ত্তন প্ৰস্তাৱটো উঠাই ল'ম। ইয়াৰ লগতে আন এটা কথা জানিব বিচাৰিছো যে আমাৰ এ,টি,ডি,এ এডভাইচোৰী কাউঞ্চিলৰ নীতি নিৰ্দ্দেশনা মতে চলে নে চৰকাৰৰ নীতি নিৰ্দ্দেশনা মতে চলে এইটো স্পষ্ট কৰি দিয়া ভাল।

* **শ্ৰীমতী ৰেখা ৰাণী দাস বড়ো** (মন্ত্ৰী, ডব্লিউ,পি,টি এণ্ড বি,চি)ঃ মাননীয় অধ্যক্ষ মহোদয়, এ,টি,ডি,এৰ নিজৰ নীতি নিয়ম আছে সেইমতে চলে। আনটো কথাৰ মই উত্তৰ নিবলৈ ওলাইছো। বড়োসকলক ছিক্সথ্‌ চিডুলৰ অৰ্ন্তভুক্ত কৰা বিষয়টো আমাৰ নহয়। সেইটো ভাৰত চৰকাৰৰহে বিষয়। আমাৰ ৰাজ্য চৰকাৰে ৰিকমেণ্ড কৰিছে।

* **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ বৰ সন্তোষজনক নহলেও কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

* **শ্ৰীহিৰেণ দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এচ,চি/এচ,টিৰ বেকলগ বিলাক আজি বহু বছৰ ধৰি পুৰণ কৰা হোৱা নাই। বহুতো পদ পৰি আছে। এই বেকলগ বিলাক পুৰণ কৰাৰ কথা আমি বিভিন্ন ঠাইত কৈছো আৰু আলোচনাও কৰিছো। আমাৰ চৰকাৰৰ যিবিলাক মুৰব্বী বিষয়া আছে তেওঁলোকে ভাবে যে বেকলগ বিলাক পুৰণ কৰিবলৈ যদি বিশেষ ব্যৱস্থা লোৱা হয় তেতিয়াহলে বেলেগ কোনেও

* Speech not corrected

চাকৰি নেপাব। এইটো সত্যত পৰিণত হৈছে। মই মাননীয়া মন্ত্ৰী মহোদয়াক বেকলগ খিনি পূৰণ কৰাৰ কাৰণে স্পেচিয়েল ড্ৰাইভ লোৱাৰ কাৰণে অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ ঃ কৰ্ত্তন প্ৰস্তাৱ উঠাই লোৱা হৈছে। গতিকে প্ৰশ্ন আনিব নোৱাৰে। কুৰেচচন হিচাবে আনিব।

This is not the procedure. I, now, put the motion before the House for approval.

Is it the pleasure of the House to grant leave to withdraw the Cut Motion?

(Yes, 'Yes')

With the leave of the House the Cut Motion is withdrawn. Now, I put the Motion before the House for approval. The Motion is :

"That a sum Rupees fifty crores ninety five lakhs and sixty four thousands be granted to the Minister-in-charge to complete the sum of Rupees Seventy six crores forty three lakhs and forty six thousand necessary to defray the charges which will come in course of payment during the year ending 31st March, 2000 for the administration of "Welfare of Schedules Castes/ Scheduled Tribes and Other Backward Classes"

Those who are in favour say 'Ayes'.

Those who are against say 'Nose'.

'Ayes have it; 'Ayes have it; 'Ayes' have it.

The Motion is passed.

The Grant No. 38 is passed.

Now, Grant No. 57. Hon'ble Minister Rural Development to move.

**Shri Sahidul Alam Choudhury** (Minister): Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 61,83,67,000 be granted to the Minister-in-charge, to complete the sum of Rs. 92,75,51,000 necessary to defray the charges which will come in course of payment during the year ending 31st March, 2000 for the administration of 'Rural Development'.

**Mr Speaker** : There are as many as 6 Cut Motion standing in the name of Hon'ble Members Shri Sheikh Abdul Hamid, Shri Abdul Rouf, Shri Bimalangshu Roy, Shri Kali Ranjan Deb, Dr Ardhendu Kumar Dey, Shri Bharat Chandra Narah, Shri Sukur Ali, Shri Etuwa Munda, Shri Dileswar Tanti, Shri Rameswar Dhanowar, Smti Hemo Prova Saikia, Shri Ajit Singh, Smti Pranati Phukan, Shri Barnabash Tanti, Shri Mustafa Shahidul Islam, Shri Holi Ram Tarang, Shri Chandra Kanta Terang, Shri Jagat Singh Engti, Shri Samarjit Haflongber, Shri Hemsing Tisso, Shri Girindra Mallik, Dr Nazrul Islam, Smti Pramila Rani Brahma, Shri Hemendra Nath Brahma.

I now request the Honourable Members to move the Cut Motions. At first, Sheikh Abdul Hamid to move.

**Shri Sheikh Abdul Hamid** : Mr Speaker, Sir, I beg to move that the total provision of Rs. 61,83,67,000/- under Grant No. 57 in respect of Rural Development Department at pages 15-23 of Volume-II Part XVII of the Budget for 1999-2000 be reduced to Rupee one i.e. the amount of the whole Grant of Rs. 61,83,67,000/- do stand reduced to rupee one.

**Mr Speaker** : Honourable Member, Shri Bimolangshu Roy to move.

